আমি যিমানখিনি জানোঁ তাৰ পৰা তেওঁৰ পৰীক্ষাক ৰূপকাৰ্থক বা কাল্পনিক বুলি ভাবিব নোৱাৰি। কাৰণ তেওঁ নিজেই এই বিৱৰণীৰ উৎস আৰু তেওঁৰ সৈতে অন্য কোনো উপস্থিত নাছিল। কোনো অস্তিত্ব নথকা এনে কোনো ব্যক্তিত্বৰ লগত মোকাবিলা হোৱাৰ কথা অৱশ্যেই তেওঁ আমাক নকলেহেঁতেন, অথবা কাল্পনিক কাহিনীকো তেওঁ বাস্তৱ সত্য বুলি বৰ্ণনা নকৰিলেহেঁতেন। আমি ইয়াকো বিশ্বাস কৰোঁ যে, তেওঁলোকৰ শিক্ষক আৰু মনিবে মোকাবিলা কৰিছিল বুলি ধৰি লৈ এনে এটা বিচাৰ-বুদ্ধি অসন্মত মোকাবিলাৰ কাহিনী ৰছুলসকলেও উদ্ভাৱন নকৰিলেহেঁতেন। ইয়াৰ অৰ্থ এই – পৰীক্ষাৰ এই কাহিনী বাস্তৱ সত্য, কাল্পনিক নহয়।

ঈছা মছীহে তেওঁৰ পৰীক্ষাৰ বিৱৰণীত আমাৰ ওচৰত তেওঁৰ আত্মিক অভিজ্ঞতাৰ এটি গোপন ৰহস্য উন্মোচিত কৰিছে; সেয়া আছিল এক ভীষণ দুৰ্যোগ যাৰ মাজেদি তেওঁ অকলেই পাৰ হৈছিল। ঈছা মছীহে নিজে এই ঘটনাৰ বৰ্ণনা দিছিল বুলি কোনো ৰকমৰ ধাৰণা পোষণ নকৰি, বৰং পাঠক/পাঠিকাৰ বাবে লিপিবদ্ধ বিৱৰণীৰ প্ৰতি দৃঢ় আস্থাশীল হোৱা আৰু ইয়াৰ প্ৰতি পৰম শ্ৰদ্ধাশীল মনোভাৱ ৰক্ষা কৰাই গুৰুত্বপূৰ্ণ বিষয়।

কোনো কোনো লোকে চয়তানক তেওঁলোকৰ নিজৰ মন্দতাৰ এটা ওজৰ হিচাবে ব্যৱহাৰ কৰিবলৈ পছন্দ কৰে আৰু তেওঁলোকৰ সহজাত কলুষতাক ব্যাখ্যা দি উড়াই দিয়ে যিবোৰে তেওঁলোকক আৰু সমগ্ৰ মানৱ জাতিক পাপৰ ফালে চালিত কৰে। কিন্তু এই ধাৰণা আৰু ঈছাৰ পৰীক্ষা পৰস্পৰ বিৰোধী, কাৰণ তেওঁৰ দিল আৰু চিন্তাসমূহ আছিল নিষ্পাপ। আন কথাত, তেওঁৰ পৰীক্ষাবোৰ তেওঁৰ ভিতৰৰ পৰা প্ৰকাশ হোৱা নাছিল।



# মছীহৰ জীৱনী

## (দ্বিতীয় খণ্ড)

# পৰীক্ষা আৰু প্ৰকাশ্য পৰিচৰ্যাৰ আৰম্ভনি

জৰ্জ ফোৰ্ড

*দ্বাৰ-উল-মছীহ*
ডাক বাচক নং: ২৩৪
গুৱাহাটী-৭৮১ ০০১, অসম।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মছীহৰ জীৱনী (২য় খণ্ড)

## পৰীক্ষা আৰু প্ৰকাশ্য পৰিচৰ্যাৰ আৰম্ভনি

Assamese Translation of "The Life of Christ (Book-II) His Temptation And the Beginning of His Ministry." A detail biography of Jesus Christ. This book was originally in Arabic which is translated into English by George Ford and published by 'Call of Hope, Stuttgart, Germany. The same is translated into Assamese by Mr. Mridul Das and Mrs. Probhamoni Das, edited by Khursheed Alam and published by ***'Dar-Ul-Masih'***, Guwahati-1, Price Rs. 25/- Only.

@ Call of Hope
P.O. Box No: 100 827
7000 Stuttgart 10. W. Germany.

প্ৰথম অসমীয়া সংস্কৰণ ঃ আগষ্ট, ২০০৯
দ্বাৰ-উল-মছীহ
ডাক বাকচ নং : ২৩৪
গুৱাহাটী-৭৮১ ০০১, অসম।

মুদ্ৰণ: ১০০০ কপি।

দাম: ২৫/ টকা মাত্ৰ।

Printed at **ComPress**, Ambari,Guwahati-1

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎ পুৰ, গুৱাহাটী - ৩*" ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।



তেওঁক কলে, *"তুমি যদি খোদাৰ পুত্ৰ হোৱা, তেন্তে এই পাথৰবোৰক পিঠা হবলৈ হুকুম দিয়া।"* ঈছাই উত্তৰত কলে, "পাক কিতাবত লিখা আছে – *'মানুহ কেৱল পিঠাৰেই নিজীৱ, কিন্তু খোদাৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক বাক্যৰেহে জীৱ।"* (মথি ৪:১-৪)

দুই শ্ৰেণীৰ পৰীক্ষা আছে যিবোৰ স্পষ্টতই ভিন্ন ধৰণৰ। এটা হল, দুঃখ-কষ্ট ভোগৰ পৰীক্ষা যিবোৰ ইতিবাচক আৰু সহায়ক, সেইবোৰে এনে পৰীক্ষা হিচাবে কাম কৰে যাৰ উদ্দেশ্য হল–আমাক শুদ্ধ, সবল আৰু গৌৰৱান্বিত কৰা। যেনেকৈ খোদাই ইব্ৰাহীমৰ ক্ষেত্ৰত কৰিছিল। ৰছুল ইয়াকুবে এই ধৰনৰ পৰীক্ষাক মহা আনন্দৰ উপলক্ষ ৰূপে প্ৰত্যক্ষ কৰিছিল ঃ *"হে মোৰ ভাইবিলাক, তোমালোকে যেতিয়া নানাবিধ পৰীক্ষাত পৰা, তেতিয়া…তাক অতি আনন্দৰ বিষয় যেন মানিবা"* (ইয়াকুব ১:২)। দ্বিতীয় শ্ৰেণীৰ পৰীক্ষা হল–বেয়া কাৰ্য কৰাৰ পৰীক্ষা, সেইবোৰ বিনষ্ট আৰু অবনমিত কৰাৰ কামত লাগে। এই শ্ৰেণীৰ পৰীক্ষা সম্বন্ধে ইয়াকুবে লিখিছে, *"যেতিয়া পৰীক্ষিত হয়, তেতিয়া খোদাৰ দ্বাৰাই মই পৰীক্ষিত হৈছোঁ, এই বুলি কোনেও নকওক; কিয়নো মন্দ বিষয়ত খোদা নিজেও অপৰীক্ষিত আৰু কাৰো পৰীক্ষা তেওঁ নকৰেও"* (ইয়াকুব ১:১৩)।

অৰ্থ আৰু ব্যাখ্যাৰ বাবে মছীহৰ পৰীক্ষা অন্যতম প্ৰত্যাহ্বান প্ৰদানকাৰী ঘটনা। অসুবিধাবোৰৰ এটা হল, *"কিয়নো…তেওঁ, বিনাপাপে, সকলো বিষয়ত আমাৰ দৰে পৰীক্ষিত হৈছিল"* (ইব্ৰী ৪:১৫)। এই উক্তিয়েই তেওঁৰ বিশুদ্ধতা সাধনৰ উপায় আছিল। এই পবিত্ৰ ব্যক্তিৰ পৰীক্ষাৰ লগত পাপীবোৰৰ পৰীক্ষাৰ তুলনা আমি কেনেকৈ কৰিব পাৰোঁ? মছীহৰ নিখুঁত চৰিত্ৰ সম্বন্ধে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চয়তানে পৰাক্ৰান্ত আৰু ৰহস্যময়ভাৱে মানৱ জাতিৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰে। সি যে এটা গুৰুত্বপূৰ্ণ বাস্তৱ সত্তা আৰু কাৰ্যকাৰীও হয়, তাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হৈছে, ঈছা মছীহে চাহাবীসকলৰ মোনাজাতত সংক্ষিপ্তভাৱে হলেও চয়তানৰ উল্লেখ কৰি শিক্ষা দিয়া। আমাক এইদৰে মোনাজাত কৰিবলৈ শিক্ষা দিয়া হৈছে ঃ **"আমাক চয়তানৰ পৰীক্ষাত পৰিবলৈ নিদিবা"** (মথি ৬:১৩)। বেয়া বিষয়সমূহ বা দুষ্কৰ্মীবোৰৰ পৰা নহয়, কিন্তু সেই চয়তানৰ পৰা ৰক্ষা পাবৰ কাৰণে আমি মোনাজাত কৰিব লাগিব।

কিতাবুল মোকাদ্দছে আৰু কৈছে, যি বস্তুটিয়ে মানৱ জাতিৰ ওপৰত সম্পূৰ্ণৰূপে প্ৰাধান্য বিস্তাৰত চয়তানক বাধা দি ৰাখিছে সেয়া হল, খোদাৰ অনুমতি। ইবলিছে এই সত্য স্বীকাৰ কৰে আৰু কাৰ্য কৰিবৰ বাবে সি অনুমতি লব লগা হয়। যিসকল পৰীক্ষিত হয় তেওঁলোকৰ প্ৰতি খোদাৰ মহব্বতৰ কাৰণেই খোদাই এই অনুমতি দিয়ে। প্ৰলোভন-পৰীক্ষাৰ মাজেদি বিজয়ী ঈমানদাৰসকল শুচি, সবলীকৃত আৰু শেষত গৌৰৱান্বিত হয়। আমি নিঃসন্দেহে জানোঁ, সেই অকৃত্ৰিম মহব্বতেই আছ্মানী পৰীক্ষা আদিৰ মূলত নিহিত থাকে, কাৰণ অৰণ্যত মছীহৰ পৰীক্ষা কালত পাক ৰূহেই চয়তানৰ দ্বাৰা পৰীক্ষিত হবৰ বাবে তেওঁক পৰিচালিত কৰিছিল।

## প্ৰথম পৰীক্ষা ঃ ভোক

ইয়াৰ পিছত পাক ৰূহে ঈছাক মৰুভূমিলৈ লৈ গল, যাতে চয়তানে তেওঁক লোভ দেখুৱাই পাপত পেলাবলৈ চেষ্টা কৰিব পাৰে। তাত চল্লিশ দিন চল্লিশ ৰাতি ৰোজা ৰখাৰ পিছত ঈছাৰ ভোক লাগিল। তেতিয়া চয়তানে আহি



# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| এক | ঃ | ইবলিছৰ দ্বাৰাই ঈছা মছীহৰ পৰীক্ষা | ৫ |
| দুই | ঃ | ঈছা মছীহৰ প্ৰথম চাহাবী গ্ৰহণ | ২৫ |
| তিনি | ঃ | ঈছা মছীহৰ প্ৰথম অলৌকিক কাৰ্য (মোজেজা) | ৩৬ |
| চাৰি | ঃ | ঈছা মছীহে এবাদতখানা পৰিষ্কাৰ কৰিলে | ৪৫ |
| পাঁচ | ঃ | ঈছা মছীহৰ লগত নীকদীমৰ সাক্ষাৎ | ৫৩ |
| ছয় | ঃ | ঈছা মছীহৰ সাক্ষাতত এজনী চমৰীয়া মহিলা | ৬৪ |
| সাত | ঃ | শিক্ষাদানকাৰী চিকিৎসক ঈছা মছীহ | ৮২ |
| আঠ | ঃ | ঈছা মছীহে চাৰিজন চাহাবীক আহ্বান কৰিলে | ৯২ |
| ন | ঃ | ঈছা মছীহে ভূত খেদালে | ৯৬ |
| দহ | ঃ | ঈছা মছীহে কফৰনাহূমত অনেকক সুস্থ কৰিলে | ১০১ |
| এঘাৰ | ঃ | অভীক্ষা | ১১০ |




PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মানুহ
কেৱল পিঠাৰেই
নিজীৱ, কিন্তু
খোদাৰ
মুখৰ পৰা ওলোৱা
প্ৰত্যেক
বাক্যেৰেহে
জীৱ।
(মথি ৪:৪)



এক

## ইব্‌লিছৰ দ্বাৰাই ঈছা মছীহৰ পৰীক্ষা

ঈছা মছীহৰ শৈশবৰ আৰম্ভনিতে আমি চয়তানৰ কাৰ্য দেখিবলৈ পাইছিলোঁ যি হেৰোদ ৰজাৰ কাৰ্যৰ মাজেদি প্ৰকাশ ঘটিছিল। এতিয়ালৈকে আমি তাৰ নাম উল্লেখ কৰা শুনা নাই বা খোলাখুলিভাবে তাৰ সম্বন্ধে পঢ়াও নাছিলোঁ। যি হওক, তাৰ তিনিটা খিতাপে যি ভাবে তাক বৰ্ণনা কৰে, আমি এতিয়া তাক সেই ভাবেই দেখিবলৈ পাম ঃ **পৰীক্ষক**, **চয়তান** (দোষীকাৰী) আৰু **ইব্‌লিছ** (বিপক্ষ বা দুচ্‌মন)। ইঞ্জিল শৰীফে ইব্‌লিছক অৰণ্যত পৰীক্ষাৰ কাহিনীত ঈছা মছীহক পাপ কৰাবলৈ চেষ্টাৰত ৰূপত প্ৰকাশ কৰিছে (মথি ৪:১-১১; লূক ৪:১-২৩)।

কিতাবুল মোকাদ্দছে আমাক শিক্ষা দিয়ে যে চয়তান বা ইব্‌লিছ হল এক অবাধ্য আৰু বস্তুগত দেহবিহীন বাস্তৱ অশৰীৰী সত্ত্বা আৰু সি হল দুষ্ট ফিৰিস্তাবোৰৰ প্ৰধান। মছীহই কৈছে – ইব্‌লিছ আৰু তাৰ দূতবোৰৰ কাৰণে অনন্ত জুই যুগুত আছে (মথি ২৫:৪১)। তাৰ বাহিৰেও ইহুদা পুস্তকৰ ৬ আয়াতত আমি পাওঁ ঃ *"আৰু যি ফিৰিস্তাবিলাকে নিজৰ আধিপত্য নাৰাখি, নিজ বাসস্থান ত্যাগ কৰিলে, তেওঁবিলাকক তেওঁ মহা-দিনৰ বিচাৰৰ অৰ্থে, অনন্তকলীয়া বন্ধনত আন্ধাৰৰ অধীনে ৰাখিলে"*। আকৌ চয়তানক 'দুনিয়াৰ মালিক' (ইউহোন্না ১৬:১১), 'এই যুগৰ দেৱতা' (২ কৰিন্থীয়া ৪:৪) আৰু 'আকাশৰ ক্ষমতাযুক্ত অধিপতি' বুলিও কোৱা হৈছে (ইফিচীয়া ২:২)।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰথম পৰীক্ষাটো সেই একে কৌশলেই আছিল যি চয়তানে আল্লাহক অবিশ্বাস কৰিবলৈ হাৱাক সন্মত কৰাওঁতে ব্যৱহাৰ কৰিছিল। সি তাৰ সৃষ্টিকৰ্ত্তাৰ পৰা স্বাধীন হবলৈ বিচাৰিছিল, কাৰণ তেওঁ এদন বাৰীৰ মাজৰ এজোপা গছৰ ফল খাবলৈ নিষেধ কৰিছিল (পয়দায়েশ ৩:৩)। মৰুভূমিত খাদ্য আৰু পানীয়ৰ বিষয়ে আপত্তি কৰোঁতে কৰোঁতে আৰু খোদাৰ ইচ্ছা সম্বন্ধে প্ৰশ্ন তুলিবলৈ ইস্ৰায়েলীবিলাকক প্ৰণোদিত কৰিবলৈও চয়তানে একে কৌশলকে অবলম্বন কৰিছিল (হিজৰত ১৬:৩)। যি হওঁক, ঈছা মছীহে চয়তানক দেখুৱাই দিছিল যে ক্ষুধাৰ্ত অৱস্থাত তেওঁ তেওঁৰ পিতৃৰ বিৰুদ্ধে অনুযোগ নকৰে, কাৰণ তেওঁৰ ওচৰত আছে আল্লাহৰ জীৱন্ত কালাম। পাক কিতাবৰ উক্তিসমূহ তেওঁৰ ওচৰত দৈহিক খাদ্যতকৈও গুৰুত্বপূৰ্ণ আছিল। পিতাৰ ইচ্ছাৰ বিপৰীতে স্বাধীনভাৱে তেওঁ কেতিয়াও কাৰ্য নকৰিছিল। অন্য এক উপলক্ষত তেওঁ একেই ধাৰণা প্ৰকাশ কৰিছিলঃ "*...মোক পঠোৱা জনাৰ ইচ্ছা পালন কৰা আৰু তেওঁৰ কাৰ্য সিদ্ধি কৰাই মোৰ আহাৰ*" (ইউহোন্না ৪:৩৪)।

এই পৰীক্ষাৰ যোগেদি চয়তানে ঈছা মছীহক প্ৰথমে তেওঁৰ ব্যক্তিগত প্ৰয়োজনৰ প্ৰতি মনোযোগী হোৱাত প্ৰবৃত্ত কৰিবলৈ বিচাৰিছিল। তেওঁৰ ব্যক্তিগত লাভৰ কাৰণে যদি ঈছা মছীহে তেওঁৰ প্ৰথম মোজেজা সম্পাদন কৰিলেহেঁতেন, তেন্তে সেয়া চয়তানৰ এক বিৰাট সাফল্য হলহেঁতেন আৰু সেয়ে নাজাতৰ কাৰ্যত বিঘিনি জন্মালেহেঁতেন, কাৰণ তেতিয়া ঈছা মছীহৰ জীৱন যাপন তেওঁৰ নিজৰ বাবেই হলহেঁতেন, আনবিলাকৰ কাৰণে নহয়। ঈছা মছীহৰ সকলো অলৌকিক কাৰ্য সম্পাদনৰ উদ্দেশ্য আছিল আনৰ, এনে কি তেওঁৰ শত্ৰুবিলাকৰো



ইয়াৰ অৰ্থ এই–সেয়া আহিছিল তেওঁৰ নিজৰ সত্তাৰ বাহিৰৰ এক দুষ্টতাৰ শক্তিৰ পৰা। ঈছা মছীহে তেওঁৰ প্ৰস্তুতিৰ বছৰবোৰ শেষ কৰিছিল আৰু তেওঁৰ প্ৰকাশ্য পৰিচৰ্যা তেওঁ আৰম্ভ কৰিবলৈ ওলাইছিল, কিন্তু নাজাতদাতা হোৱাৰ যোগ্যতা প্ৰদৰ্শনৰ উদ্দেশ্যে তেওঁক অগ্নি-পৰীক্ষাৰ মাজেদি পাৰ হব লগা হৈছিল। তাকে কৰাৰ মাজেদি তেওঁক আমাৰ আদি পিতৃ-মাতৃৰ ওচৰত তৌৰাতৰ প্ৰথম ভবিষ্যদ্বাণী পূৰ্ণ কৰাৰ উদ্দেশ্যে দুষ্ট শক্তিৰ নেতাৰ লগত তেওঁ যুদ্ধ কৰিব লগীয়া হৈছিলঃ *"সি তোৰ মূৰ গুড়ি কৰিব আৰু তই তাৰ গোৰোৱা গুড়ি কৰিবি"* (পয়দায়েশ ৩:১৫)। বিধিবৰ্জিত সেই চয়তানক তেওঁ পৰাজিত কৰিব লগা হৈছিল, যাক কোনো মানুহে কেতিয়াও জয় কৰিব পৰা নাই। যিবিলাকে মছীহৰ ওপৰত ঈমান আনিব তেওঁলোক সকলোৱে বাবে চয়তানক পৰাস্ত কৰি তেওঁ বিজয়ৰ অদ্বিতীয় দুৱাৰখন খুলি দিব। একমাত্ৰ মছীহৰ নামত সেই পাক ৰূহৰ শক্তিৰে বিজয় অৰ্জন কৰা সম্ভৱ, যি পাক ৰূহে অৰণ্যত ঈছা মছীহক চালিত কৰি তেওঁক বিজয় মুকুটেৰে ভূষিত কৰিছিল।

সমগ্ৰ মানব জাতি যিবোৰৰ অধীন, ইবনে আদমৰূপে ঈছা মছীহে নিজকে সেই সকলো পাৰ্থিব অৱস্থাৰ অধীন কৰিছিল; মানবিক অভিজ্ঞতাৰ চক্ৰৰ পৰা তেওঁক অব্যাহতি দিয়া হোৱা নাছিল। প্ৰতিটো ওখ পৰ্বতৰ পিছতেই এখন গভীৰ উপত্যকা থাকে আৰু মহা আনন্দৰ পিছতে প্ৰায়ে এটা দুঃখৰ কাল থাকে। সেইদৰে, তৃৰীকাবন্দীৰ সময়ত ঈছা মছীহ পৰম উল্লাসিত হৈছিল, কিন্তু তাৰ পিছত পৰীক্ষাত অৰণ্যত নীচতা আৰু দুঃখৰ কাল আহিছিল। পাক কিতাবে আমাক শিক্ষা দিয়ে যে পৰাস্ত কৰিবলৈ চয়তানে মানুহৰ আনন্দৰ অপেক্ষাত



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

থাকে; উদ্দেশ্য এই, যাতে পৰীক্ষকৰ আনন্দ হব আৰু পতিতৰ মহা কষ্ট হব। মুছা, ইলিয়াচ, পিতৰ আৰু ইস্কোৰিয়ৎ ইহুদাৰ উদাহৰণবোৰে চয়তানৰ পৰিকল্পনাৰ পৰ্যাপ্ত প্ৰমাণ বহন কৰে। চয়তানে মুছাক ক্ৰোধৰূপ পাপত পতিত কৰিছিল। সি তেওঁক সেই প্ৰতিজ্ঞাৰ দেশত প্ৰবেশ কৰাৰ পৰা ধৰি ৰাখিছিল, তেওঁৰ উচ্চ আশাৰ শিখৰত উপস্থিত হোৱাৰ পৰা তেওঁক বঞ্চিত কৰিছিল (আদম শুমাৰী ১২:৩ আৰু ২০:৮-১৩)। কৰ্মিল পৰ্বতৰ ওপৰত ইলিয়াচে এজন ৰজা আৰু তেওঁলোকৰ বাল দেৱতাৰ পুৰোহিতবোৰৰ ওপৰত এক ডাঙৰ বিজয় অৰ্জন কৰিছিল। কিন্তু মাত্ৰ এদিনৰ পিছতে চয়তানে তেওঁক হতাশাৰ পাপত পতিত কৰিছিল। হতাশাত তেওঁ তেওঁৰ খেদমতৰ স্থানৰ পৰা দূৰত চিনাইৰ অৰণ্যলৈ পলায়ন কৰিছিল আৰু মৃত্যু কামনা কৰিছিল (১ বাদশাহনামা ১৮:৩০-৪০; ১৯:১-১০)। ঈছা মছীহে যেতিয়া পিতৰৰ উচ্চ প্ৰশংসা কৰিছিল তেতিয়া পিতৰৰ ভাব হৈছিল তেওঁ যেন বেহেস্তত আছে। যি হওক, অলপ দিনৰ ভিতৰতে তেওঁ অহংকাৰৰ পাপত পতিত হৈছিল আৰু সলীবলৈ যাবলৈ ঈছা মছীহক নিৰুৎসাহিত কৰিবলৈ তেওঁক চয়তানে প্ৰলোভন দিছিল। মূল্য দি মুক্তি অৰ্জনৰ নিৰূপিত কাৰ্যৰ পৰা মছীহক নিবৃত্ত কৰাৰ প্ৰচেষ্টা যে চয়তানৰ এটা ইংগিত, তাক তেওঁ অলপো বুজিব পৰা নাছিল। সেই কাৰণে ঈছা মছীহে তেওঁক তীব্ৰভাবে গৰিহণা দি কৈছিল, "*মোৰ পাছলৈ গুচি যা, চয়তান; তই মোৰ বিঘিনিস্বৰূপ…*" (মথি ১৬:১৩-২৩)। কেইবা বছৰো মছীহৰ সান্নিধ্যত থাকি বিবিধ ৰূহানী আশীৰ্বাদ উপভোগ কৰাৰ পিছত ইহুদা ইস্কোৰিয়ৎ বেয়া মনৰ দ্বাৰা লোভৰ পাপত নিমজ্জিত হৈছিল। আজিলৈকে তেওঁৰ নাম হীন,



আজি সেই অস্ত্ৰ প্ৰত্যেকৰে কাষতে আছে।

পৰীক্ষকে ঈছা মছীহক ইবনুল্লাহ বুলি স্বীকাৰ কৰিছিল, কাৰণ সি যদি তেওঁক পৰাভূত কৰিব পাৰে, তেতিয়া তাৰ সন্তুষ্টিও সিমানেই মহান হব। তাৰ অসীম বুদ্ধি থকা সত্ত্বেও চয়তানে এই কথা বুজিবলৈ ব্যৰ্থ হৈছিল যে, ঈছা মছীহ যদি কেৱল মাত্ৰ ইবনুল্লাহেই হলহেঁতেন, তেন্তে তেওঁৰ ভোক নালাগিলহেঁতেন বা পিঠাও নাখালেহেঁতেন; আৰু তেওঁক অলপো প্ৰলোভিত কৰিব পৰা নগলহেঁতেন। যেতিয়া ঈছা মছীহে ইবনে আদম ৰূপে তাৰ মোকাবিলা কৰিছিল, তেতিয়া এই ভ্ৰান্ত দৰ্শন তছনছ হৈ গৈছিল। তেৱেঁই যে ইবনুল্লাহ, এই কথা মানুহবোৰক মনত পেলাই দিয়াৰ কামত ঈছা মছীহে লাগি থকা নাছিল। তেৱেঁই ইবনুল্লাহ এই কথা সমস্ত ইঞ্জিলত তেওঁ মাত্ৰ দহবাৰ কৈছে, অথচ নিজৰ সম্বন্ধে ইবনে আদম কথাটি তেওঁ পঞ্চাশ বাৰ ব্যৱহাৰ কৰিছে। পৰীক্ষাৰ কালত তেওঁৰ আচ্‌মানী সত্তাই যদি তেওঁৰ মানৱীয় সত্তাক সহায় কৰিছিল, তেন্তে পৰোক্ষ অৰ্থ এই যে, কেৱল মাত্ৰ তেওঁৰ মানৱীয় সত্তা প্ৰলোভন প্ৰতিৰোধ কৰিবলৈ সক্ষম নাছিল। তেনে হোৱা হলে তেওঁ আমাৰ দৰেই সকলো বিষয় পৰীক্ষিত হৈছিল বুলি তেওঁৰ সম্বন্ধে কোৱা নগলহেঁতেন আৰু তেওঁ মানবজাতিৰ বাবে দৃষ্টান্ত স্বৰূপো হব নোৱাৰিলেহেঁতেন। পৰীক্ষাৰ সময়ত তেওঁ এনে একো কৰা নাছিল যি তেওঁৰ উম্মতবিলাকে কৰিবলৈ সক্ষম নহয়। এয়ে আছিল পৰ্যাপ্ত, যিহৰ বাবে তেওঁ পাথৰবোৰক পিঠাত পৰিণত কৰিবলৈ অস্বীকাৰ কৰিছিল। তদুপৰি, ঈছা মছীহে ক্ষুধাৰ তীব্ৰ যন্ত্ৰণাৰ অভিজ্ঞতা লাভ কৰিবলৈ বিচাৰিছিল, কাৰণ দুনিয়াৰ হেজাৰ হেজাৰ মানুহৰ ভাগ্যত সেয়ে ভোগ কৰিবলৈ আছে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আজি আমাৰ প্ৰশ্ন - তেওঁৰ ক্ষুধা নিবৃত্তিৰ বাবে পাথৰবোৰক পিঠালৈ পৰিবৰ্তিত হোৱাৰ আদেশ ঈছা মছীহে কিয় দিয়া নাছিল? ঈছা মছীহৰ অন্তৰত চয়তানে কোন পাপটো ৰোপণ কৰিবলৈ বিচাৰিছিল? চয়তানৰ পৰা আহিছিল বুলিয়েই তেওঁ সেই ধাৰণাটি প্ৰত্যাখ্যান কৰিছিল বুলি কব পৰা নাযায়। পৰীক্ষক বা প্ৰলোভনকাৰীক ঈছা মছীহে অস্বীকাৰ কৰা নাছিল, কিন্তু যি কোনো উৎসৰ পৰা নাহক কিয়, তেওঁ বৰঞ্চ প্ৰলোভনটোকেই অস্বীকাৰ কৰিছিল। এইবোৰ প্ৰলোভনৰ হুবহু ৰূপ যিয়েই নহওক কিয়, ঈছা মছীহৰ উত্তৰ আৰু আপত্তিবোৰৰ পৰা আমি জ্ঞান লাভ কৰোঁ, কাৰণ ঈছা মছীহে তেওঁৰ উত্তৰবোৰ পাক কিতাবৰ পৰা লৈছিল আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ যুক্তি ডাঙি ধৰিছিল।

ঈছা মছীহৰ প্ৰথম উত্তৰটো আছিল, “পাক কিতাবত লিখা আছে···।” এইভাবে উত্তৰ দি ঈছা মছীহে নিজকে এজন ক্ষমতাশালী ব্যক্তি স্বৰূপে নহয়, কিন্তু শৰীয়ত আৰু তাক পালনৰ অধীনস্থ এজন মানুহ ৰূপে নিজকে দুনিয়াৰ আৰু চয়তানৰ আগত উপস্থাপিত কৰিছিল। পাক কিতাবৰ পৰা উদ্ধৃতি দি তেওঁ এই সত্যও প্ৰকাশ কৰিছিল যে, ধৰ্ম সংক্ৰান্ত বিষয়ত এয়ে চূড়ান্ত প্ৰসংগ হয় নে নহয়। দাৰ্শনিক যুক্তিতৰ্কৰ মাধ্যমেদি ঈছা মছীহে পৰীক্ষকক উত্তৰ দিব পাৰিলেহেঁতেন, কিন্তু “পাক কিতাবত লিখা আছে···” – এই কথা কোৱাৰ সময়ত তেওঁ প্ৰকাশ কৰিছে যে, মানবিক জ্ঞানৰ পৰা নহয়, কিন্তু ধৰ্মীয় যুক্তিৰ শক্তি আহে আল্লাহৰ কালামৰ পৰা। খোদাৰ কালাম দুয়োফালে ধাৰ থকা তৰোৱালৰ দৰে যিহেৰে মানুহে তেওঁৰ আটাইতকৈ ডাঙৰ শত্ৰু চয়তানক জয় কৰিব পাৰে। ঈছা মছীহে এই অস্ত্ৰ ব্যৱহাৰ কৰি চয়তানক জয় কৰিছিল।



বিশ্বাসঘাতকতা আৰু নিদাৰুণ কঠিন হৃদয়ৰ প্ৰৱাদ হৈ আছে (প্ৰেৰিত ১:১৫-২০)।

নিপীড়ক চয়তানে ঈছা মছীহৰ ক্ষেত্ৰতো সেই একে পৰিকল্পনা অনুসৰণ কৰিছিল। তেওঁৰ তৃৰীকাবন্দীৰ সময়ত চয়তানে তেওঁক মহিমান্বিত, পাক ৰূহৰ পূৰ্ণতাত আৰু তেওঁৰ পিতৃৰ প্ৰশংসাত উল্লসিত অৱস্থাত দেখিছিল। তাৰ পিছত, সি কাৰ্যত প্ৰবৃত্ত হৈছিল আৰু ঈছা মছীহক পাপত পতিত কৰাবলৈ সচেষ্ট হৈছিল। চল্লিশ দিনলৈকে সি তীব্ৰভাবে ঈছা মছীহক পৰীক্ষা কৰিছিল। ইয়াৰ আগতে সি বিনা ব্যতিক্ৰমে সমগ্ৰ মানৱজাতিক পাপৰ ফান্দত আবদ্ধ কৰিছিল যাৰ ফলত সকলোৱে উজুটি খাই পৰিছিল। এতিয়া সি আশা কৰিছিল যে মৰিয়মৰ পুত্ৰ ঈছা মছীহক পৰাস্ত কৰিব, কাৰণ বাহিৰৰ দৃষ্টিৰ পৰা ঈছা মছীহক এক সহজ চিকাৰ যেন লাগিছিল।

## আদম আৰু ঈছা মছীহৰ পৰীক্ষাৰ তুলনা

কল্পনা কৰিব পৰা সকলো আনন্দেৰে পৰিপূৰ্ণ এখন সুন্দৰ উদ্যানত বাস কৰা কালত চয়তানে প্ৰথমে হাৱা-আদমক প্ৰলোভিত কৰি পতিত কৰিছিল। তেওঁলোকৰ চাৰিও কাষে কোনো পাপ বা কলুষতা নাছিল, এনে কি পশুবোৰো আছিল বশ আৰু বাধ্য। ব্যাধি, দুখ বা ক্লান্তি কি সেয়া আদম-হাৱাই জনা নাছিল। মাত্ৰ জানিছিল, খোদাই তেওঁলোকক যি অৱস্থাত ৰাখিছে, তেওঁলোকে যিমান দিন বাধ্য হৈ থাকিব, সিমান দিন সেই পৰম সুখকৰ অৱস্থা চলিয়েই থাকিব।

এখন অৰণ্যত দৈহিক আৰাম বা খাদ্য-বৰ্জিত তথা বনৰীয়া পশুৰে পৰিবেষ্টিত অৱস্থাত চয়তানে দ্বিতীয় আদমক দেখিবলৈ পাইছিল। তেওঁৰ প্ৰথম জীৱন



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

গুণাহগাৰসকলৰ লগত অতিবাহিত হৈছে যি আদমৰ অনুৰূপ নাছিল। ইয়াতকৈও তেওঁৰ অৱস্থা অধিক শোচনীয় আছিল, কাৰণ ঈছা মছীহে জানিছিল যে তেওঁ যদি তেওঁৰ উদ্দেশ্যত অবিচল হৈ থাকে, তেন্তে তেওঁৰ আগৰ বছৰবোৰত তেওঁৰ বাবে ৰৈ থাকিব শ্ৰান্তি, দুৰ্দশা, অপমান আৰু নিদাৰুণ দুঃখভোগ যাৰ পৰিসমাপ্তি ঘটিব সলীবৰ ওপৰত তেওঁৰ মৃত্যুৰ মাজেদি। এনেকুৱা অৱস্থাত তেওঁৰ পক্ষে সঙ্কল্প ভংগ কৰা কিমানেই সহজ কথা আছিল!

অৰণ্যত চল্লিশ দিন আৰু চল্লিশ ৰাতি ঈছা মছীহে একো আহাৰ কৰা নাছিল। তীব্ৰ প্ৰলোভনেৰে তেওঁক তেজহীন কৰিবলৈ চয়তানে তেওঁৰ দৈহিক দুৰ্বলতাৰ সুযোগ লৈছিল। ঈছা মছীহে যে ৰোজা ৰাখিছিল সেয়া বোধগম্য, কাৰণ তেওঁ আছিল এখন মৰুভূমিত যত কোনো খাদ্য নাছিল। সেই স্থানত প্ৰয়োজনীয় খাদ্য সহজলভ্য নাছিল আৰু তেওঁ আছিল ৰূহানী বিষয়ত মগ্ন। সেইবাবে খোৱাবস্তু লৈ চিন্তা কৰিবলৈ তেওঁৰ সময়েই নাছিল। এই সুদীৰ্ঘ (চল্লিশ দিন-ৰাতি) কাল অতিবাহিত হোৱাৰ আগতে তেওঁ তীব্ৰভাৱে ভোক অনুভৱ কৰা নাছিল।

বিবি হাৱাক প্ৰলোভিত কৰাৰ সময়ত চয়তানে সাপৰ বেশ লৈছিল, কাৰণ উদ্দেশ্য সাধনৰ কাৰ্যত লগাবলৈ কোনো মনুষ্য নাছিল। হাৱাক ফুচুলোৱাৰ পিছত সি সাপক এৰি গৈছিল; এতিয়াতো কাৰ্যত লগাবলৈ পতিত মানুহক পোৱা যাব। প্ৰলোভিত কৰিবলৈ যেতিয়া চয়তানে আমাৰ ঘনিষ্ঠসকলক ব্যৱহাৰ কৰে তেতিয়া সেয়া আৰু জোৰদাৰ হয়। এই কাৰণে দুনিয়াৰ বাবে তেওঁৰ মুক্তিৰ উদ্দেশ্যৰ পৰা মছীহক দিশভ্ৰষ্ট কৰাৰ সময়ত চয়তানে ঈছা মছীহৰ বিশিষ্ট চাহাবী চিমোন পিতৰক ব্যৱহাৰ কৰিছিল (মাৰ্ক ৮:৩৩)।

ঈছা মছীহৰ আগত চয়তানে কি ৰূপত আবিৰ্ভূত



হৈছিল সেই বিষয়ে আচ্‌মানী প্ৰত্যাদেশ (ইঞ্জিল) সম্পূৰ্ণ নীৰৱ। পৈশাচিক কোনো ৰূপত সি আবিৰ্ভূত হোৱা নাছিল বুলি ধৰি লোৱাই যুক্তিযুক্ত। তেনে হোৱা হলে তাৰ কুকৰ্ম বাধাগ্ৰস্ত হলহেঁতেন, কাৰণ তাতে ঈছা মছীহ বিকৰ্ষিত হলহেঁতেন আৰু তাৰ প্ৰতিৰোধ কৰিলেহেঁতেন। ঈছা মছীহৰ আগত চয়তানে ব্যক্তিৰূপে আবিৰ্ভূত হোৱাৰ সম্ভাৱনাই আটাইতকৈ বেছি। যিহেতু ঈছা মছীহৰ কোনো আভ্যন্তৰীণ পাপ নাছিল, সেইবাবে তেওঁৰ ভিতৰৰ পৰা কোনো প্ৰলোভন অহা সম্ভৱ নাছিল। চয়তানে সম্ভৱতঃ এজন সাধাৰণ মানুহৰ বেশত আবিৰ্ভূত হৈছিল আৰু মৰুভূমিত ঈছা মছীহৰ কাষ চাপিছিল। এই ধাৰণা যদি নিৰ্ভুল হয়, তেন্তে মানুহৰ অন্যতম মৌলিক প্ৰয়োজন খাদ্যৰ কোনো ব্যৱস্থা নাৰাখি পাক ৰূহৰ দ্বাৰা অৰণ্যত চালিত হোৱাৰ ফলস্বৰূপে সৃষ্টি হোৱা মছীহৰ নিদাৰুণ ক্ষুধাৰ সম্বন্ধে সি নিশ্চয়ে বিস্ময় প্ৰকাশ কৰিছিল। তাৰ পিছত সম্ভৱতঃ সদাশয়তাৰ ভাৱ লৈ কৈছিল যে ইবনুল্লাহ হিচাবে তেওঁৰ নিজৰ প্ৰয়োজন পূৰ্ণ কৰাতো ঈছা মছীহৰ বাবে নিতান্তই সহজ কথা। যিহেতু আৰম্ভনিতে তেৱেঁই পাথৰ সৃষ্টি কৰিছিল, সেই হেতু তেওঁৰ পক্ষে সহজেই সেইবোৰক যি কোনো ৰূপত পৰিবৰ্তিত কৰা সম্ভৱ। ঈছা মছীহে যদি তাকে নকৰে তেন্তে তেওঁ সঁচাকৈয়ে ইবনুল্লাহ হয় নে নহয় সেই বিষয়ে সন্দেহে দেখা দিব। তদুপৰি, যিহেতু তেওঁক খাবলৈ একো নিদি তেওঁৰ পিতৃয়ে তেওঁৰ প্ৰতি অৱহেলা কৰিছে বুলি প্ৰতীয়মান হয়, তেতিয়া পিতৃৰ আদেশৰ বাবে ঈছা মছীহৰ ক্ৰমাগত প্ৰতীক্ষাই অৱশ্যেই বিস্ময়াভিভূত কৰে। তেওঁ ন্যায্যতঃ তেওঁৰ পিতৃৰ মহব্বত সম্বন্ধে সন্দিহান হব আৰু আচ্‌মানী সৰবৰাহ-ব্যৱস্থা সম্বন্ধে অসন্তুষ্টি প্ৰকাশ কৰিব পাৰে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিব পাৰোঁ - অগ্নিৰ ত্বৰীকা। এক চতুৰ্থ ত্বৰীকাৰ মাজেদিও তেওঁ পাৰ হব লগা হৈছিল – সলীব আৰু ৰক্তৰ ত্বৰীকা।

প্ৰথম আদম পৰীক্ষা আৰু পতনত মানৱজাতিৰ প্ৰতিভূ আছিল। তেওঁৰ সকলো বংশধৰৰ সৈতে দোজখেই তেওঁৰ ন্যায্য পাওনা। দ্বিতীয় আদম ঈছা মছীহ মানৱ জাতিৰ প্ৰতিভূ। পৰীক্ষাৰ সময়ত অবিচল থাকি তেওঁ তেওঁৰ উম্মতবিলাকৰ বেহেস্তত প্ৰৱেশ সম্ভৱ কৰিছে। প্ৰথম আদমৰ ব্যৰ্থতাৰ লগে লগে এদন বাৰী যেন এখন মৰুভূমিলৈ পৰিণত হৈছিল। দ্বিতীয় আদমৰ অধ্যৱসায়ৰ ফলত অৰণ্য জান্নাতলৈ পৰিণত হৈছে।

> আদম-হাৱাৰ বাবেই দুষ্টতাৰ অৰণ্যত পৰিণত হৈছিল ধাৰ্মিকতাৰ জান্নাত। ঘৃণাৰ অৰণ্যত পৰিণত হৈছিল শান্তিৰ জান্নাত। আচমানী ক্ৰোধ আৰু অনন্ত দণ্ডৰ অৰণ্যত পৰিণত হৈছিল খোদাৰ ৰহমতৰ জান্নাত। খোদাৰ প্ৰতি শত্ৰুতাৰ বাবেই হতাশা ও বিনাশৰ অৰণ্যত পৰিণত হৈছিল আশা ও নাজাতৰ জান্নাত। অৱশেষত দ্বিতীয় আদম ঈছা মছীহৰ বাবেই সেই জান্নাত আদম সন্তানৰ বাসোপযোগী হৈছে।

**প্ৰভু,**
**যিজন তোমাৰ খোদা,**
**তেওঁক চিজ্‌দা কৰা,**
**আৰু কেৱল তেওঁৰেই**
**আৰাধনা কৰা।**

মথি ৪:১০



মংগল সাধন। এনে কি, যিবিলাকে তেওঁক গেৎচিমানী বাৰীত গ্ৰেপ্তাৰ কৰিবলৈ আহিছিল সেই দলৰেই এজন প্ৰধান ইমামৰ দাসৰ কাণো তেওঁ আৰোগ্য কৰিছিল (লূক ২২:৫১)। নিজৰ সুখৰ বাবে তেওঁ এটাও মোজেজা সম্পাদন কৰা নাছিল। ৰছুল পৌলৰ কথাবোৰ কিমান সত্য, “*মছীহই নিজকে নিজে সন্তুষ্ট নকৰিলে…*” (ৰোমীয় ১৫:৩)। সলীবত ওলমি থকা অৱস্থাত তেওঁৰ শত্ৰুবোৰৰ অপমানজনক উক্তিয়েও তেওঁৰ নিঃস্বাৰ্থপড়তাৰ সত্যতাকে সমৰ্থন কৰে, “*ই আন আন লোককহে ৰক্ষা কৰিলে, যদি ই খোদাৰ সেই অভিষিক্তজনা, তেওঁৰ মনোনীত জনাহে, তেন্তে নিজকে নিজে ৰক্ষা কৰক*” (লূক ২৩:৩৫)। তেওঁৰ উম্মতবিলাকৰ প্ৰথম আৱশ্যকীয় চৰ্ত্ত আৰু পৰিচালন নীতিয়েই আছিল নিঃস্বাৰ্থ হোৱা বা নিজকে অস্বীকাৰ কৰা। “*কিন্তু তোমালোকে প্ৰথমে খোদাৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হব*” (মথি ৬:৩৩)।

ঈছা মছীহে তেওঁৰ কাৰ্য আৰু উক্তিৰ মাজেদি স্বাৰ্থপৰতাৰ ওপৰত প্ৰবল আক্ৰমণ চলাইছিল। পৰীক্ষকৰ ইচ্ছা আছিল যেন, ঈছা মছীহে ৰূহানী বিষয়ৰ আগতে দৈহিক বিষয়ক স্থাপন কৰে যাতে মানুহবিলাকক সন্তুষ্ট কৰিবলৈ আৰু অসংখ্য উম্মত অৰ্জন কৰিবলৈ সি তেওঁক প্ৰবৃত্ত কৰাব পাৰে। তেওঁ তৎকালীন আৰু দৃশ্যমান সাফল্য গ্ৰহণ কৰিব পাৰিলেহেঁতেন। কিন্তু ঈছা মছীহে সেই কৌশল প্ৰত্যাখ্যান কৰিলে, কাৰণ তেওঁৰ নীতি আছিল এই, “*ক্ষয়নীয় আহাৰৰ নিমিত্তে শ্ৰম নকৰিবা; কিন্তু অনন্ত জীৱনলৈকে যি আহাৰ থাকে তাৰ নিমিত্তে শ্ৰম কৰা। সেই আহাৰ ইবনে আদমে তোমালোকক দিব; কিয়নো পিতৃ, অৰ্থাৎ*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*খোদাই তেওঁক মোহৰ মাৰিলে'* (ইউহোন্না ৬:২৭)। এই কথাখিনিৰে ঈছা মছীহে সৰ্বকালৰ আৰু সৰ্বস্থানৰ মানৱ জাতিক দেহৰ ওপৰত ৰূহৰ খেদমতক অগ্ৰাধিকাৰ দিবলৈ শিক্ষা দিছে। যিহে দেহতকৈ বৰং মানবৰ ৰূহৰ উপকাৰ সাধন কৰে, সেয়ে প্ৰকৃত পৰোপকাৰ (মহব্বত)। মানুহৰ অমৰ আত্মাৰ খেদমতৰ উপায় হিচাবেই প্ৰধানতঃ দৈহিক প্ৰয়োজনৰ খেদমত নিৰূপিত।

আমাৰ দৰেই যিজনা পৰীক্ষিত হৈছিল আৰু আমাৰ পক্ষে বিজয় অৰ্জন কৰিছিল, তেওঁ আমাৰ বিৰুদ্ধে চয়তানৰ দ্বাৰাই পৰিচালিত প্ৰতিখন যুদ্ধত আমাৰ লগত উপস্থিত থাকে। প্ৰলোভন-পৰীক্ষাৰ সময়ত আমি যদি আমাৰ লগত তেওঁৰ উপস্থিতি অনুভৱ কৰোঁ, তেন্তে দুছমনৰ ওপৰত তেওঁ আমাক জয় প্ৰদান কৰিব, যেন আমি ৰছুল পৌলৰ লগতে বিজয় উল্লাসত গাই উঠিব পাৰোঁ, "*কিন্তু ধন্য খোদা, তেওঁ আমাৰ খোদাবন্দ ঈছা মছীহৰ দ্বাৰাই আমাক জয় দান কৰে*" (১ কৰিন্থীয় ১৫:৫৭)।

প্ৰথম পৰীক্ষাত ঈছা মছীহে বিজয় অৰ্জন কৰিছে। তেওঁৰ নিজৰ ক্ষুধা নিবৃত্তিৰ কাৰণে পাথৰবোৰক পিঠালৈ পৰিণত কৰিবলৈ তেওঁ অস্বীকাৰ কৰিছে। তেওঁ বিজয় অৰ্জন কৰিছিল পাক কিতাবৰ এই আয়াত ব্যৱহাৰ কৰি, "*মানুহ কেৱল পিঠাৰেই নিজীব, কিন্তু খোদাৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক বাক্যেৰেহে জীব।*"

## দ্বিতীয় পৰীক্ষা ঃ সংবেদনশীলতা

তেতিয়া চয়তানে ঈছাক পবিত্ৰ নগৰ জেৰুজালেমলৈ লৈ গল আৰু এবাদতখানাৰ চূড়াৰ ওপৰত তেওঁক থিয় কৰাই কলে, "*তুমি যদি খোদাৰ পুত্ৰ হোৱা, তেন্তে নিজকে তললৈ পেলাই দিয়া; কিয়নো পাক*



*কৰা*" (দ্বিতীয় বিৱৰণ ৬:১৩)।

ঈছা মছীহে চয়তানক গুচি যাবলৈ হুকুম দিছিল, কিন্তু সি মাত্ৰ কিছু সময়ৰ বাবে গুচি গৈছিল। দুষ্টতাৰ ৰাজ্যৰ ওপৰত ধাৰ্মিকতাৰ ৰাজ্যৰ বিজয় যেতিয়া নিৰ্ধাৰিত হৈ গৈছিল, তেতিয়া আচ্‌মানী বাহিনীৰ উপস্থিতি দৃশ্যমান হৈছিল, কাৰণ আমাক কোৱা হৈছে যে ফিৰিস্তাবিলাকে তেওঁৰ পৰিচৰ্যা কৰিবলৈ আহিছিল। তেওঁৰ বিজয়ৰ বাবে তেওঁৰ প্ৰতি তেওঁলোকে আচমানী প্ৰশংসা উৎসৰ্গ আৰু তেওঁৰ প্ৰতি খোদাৰ মহা সন্তুষ্টিৰ কথা প্ৰকাশ কৰিছিল। চয়তানক পৰাজিত কৰা সেই ৰজাজনাৰ খেদমত কৰিবলৈ পাই ফিৰিস্তাবিলাক কিমান সুখী হৈছিল!

অৰণ্যত ঈছা মছীহে তিনি প্ৰকাৰৰ প্ৰলোভনৰ সন্মুখীন হৈছিল – **মাংসৰ অভিলাষ, চকুৰ অভিলাষ আৰু জীৱনৰ অহংকাৰ**। মাংসৰ প্ৰলোভনটি আছিল দৈহিক খাদ্য বিষয়ক, চকুৰ প্ৰলোভনটি আছিল মানসিক ৰোমাঞ্চকৰ কৃতিত্বৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষণ বিষয়ক, জীৱনৰ অহংকাৰৰ প্ৰলোভনটি আছিল আত্মিক আৰু ইয়াৰ উদ্দেশ্য আছিল পাৰ্থিব ক্ষমতা, জাকজমক আৰু গৌৰৱৰ অৰ্জন। ঈছা মছীহ আমাৰ দৰেই প্ৰলোভিত হৈছিল, যেন আমাৰ প্ৰলোভন-পৰীক্ষাত তেওঁ আমাৰ প্ৰতি সহানুভূতিশীল হব পাৰে। ইয়াৰ ফলত ঈছা মছীহ সবলীকৃত আৰু গৌৰৱান্বিত হৈছিল। চয়তানে নিজে ঈছা মছীহৰ শক্তিৰ সম্বন্ধে সাক্ষ্য দিছে, কাৰণ প্ৰথম পৰীক্ষাত চয়তানে ঈছা মছীহৰ দ্বাৰাই পাথৰবোৰক পিঠালৈ পৰিণত কৰিবলৈ বিচাৰিছিল, যি কাৰ্য স্বভাৱতঃ বেয়া নাছিল। তথাপি চয়তানে আশা কৰিছিল যে ঈছা মছীহে তাৰ ওচৰত নতিস্বীকাৰ কৰিব যাতে সি ক্ৰমে ক্ৰমে ঈছা মছীহক আৰু দুষ্ট পৰিকল্পনাৰ প্ৰতি প্ৰলোভিত কৰিবলৈ সক্ষম হব।

অৰণ্যত ঈছা মছীহৰ পৰীক্ষাক তেওঁৰ পানী আৰু পাক ৰূহৰ ত্বৰীকাৰ পিছত, তেওঁৰ তৃতীয় ত্বৰীকা বুলি বিবেচনা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিছিল, কাৰণ চিজ্‌দা (এবাদত) একমাত্ৰ খোদাৰ প্ৰাপ্য। এবাদত যদি ভণ্ডামিপূৰ্ণ হয় আৰু হৃদয়ৰ পৰা নিসৃত নহয়, তেন্তে সেয়া গ্ৰাহ্য নহয়। উপকাৰ বা মংগল অৰ্জনৰ কাৰণে ঈছা মছীহে মন্দতা মঞ্জুৰ নকৰে। সেয়া সকলো সময়তে চয়তানৰ কাম আৰু সেয়ে আপোষকাৰীক খোদাৰ প্ৰকৃত আশীৰ্বাদসমূহৰ পৰা বঞ্চিত কৰে।

চয়তানৰ তৃতীয় পৰীক্ষাটোৱে ঈছা মছীহক পাৰ্থিব গৌৰৱৰ আশা অবলম্বন কৰিবলৈ আহ্বান জনাইছিল। এনে কি, ঈছা মছীহৰ চাহাবীসকল আৰু তৃৰীকাদাতা ইয়াহিয়াও একে ক্ষেত্ৰতে প্ৰলোভনৰ সন্মুখীন হৈছিল। ঈছা মছীহে এখন মহান পাৰ্থিব ৰাজ্য প্ৰতিষ্ঠা কৰিব বুলি তেওঁলোকে প্ৰত্যাশা আৰু আকাঙ্খা কৰিছিল। চয়তানে তেওঁৰ বাবে ইহুদীবিলাকৰ সেই স্বপ্নকে সম্পূৰ্ণৰূপে তুলি ধৰিবলৈ বিচাৰিছিল। তাতে ঈছা মছীহে বহু আহুকাল, ঘৃণা আৰু দুঃখভোগৰ পৰা চয়তানৰ স্থান দুনিয়াত তেওঁৰ চূড়ান্ত কৰ্তৃত্ব প্ৰতিষ্ঠাৰ বাবে শ শ বছৰ ধৰি ধৈৰ্যেৰে অপেক্ষা কৰাৰ যন্ত্ৰণাৰ পৰা বাঁচি গলহেঁতেন।

আকৌ এই ক্ষেত্ৰতো ঈছা মছীহৰ ওচৰত চয়তানৰ আবিৰ্ভাৱ সম্ভৱতঃ অত্যন্ত সূক্ষ্ম আছিল যাতে তাৰ আগত নতজানু হোৱাৰ চিন্তাটিয়ে বিকৰ্ষণ বা আপত্তিৰ উদ্ৰেক নকৰে। তথাপি, খোদাৰ পবিত্ৰ পুত্ৰই ধৰ্মীয়ভাৱে নিষিদ্ধ পন্থাৰে আচৰণ কৰিব, এনে ইংগিত দিয়াই চয়তানৰ বাবে আছিল এক সাহসিকতাৰ কাৰ্য আৰু ই তাৰ আত্মাৰ পতিত অৱস্থাকে প্ৰকাশ কৰে। এই কাৰণেই মছীহে তাক এই বুলি কৈ দৃঢ়ভাৱে তিৰস্কাৰ কৰিছিল, **"গুচি যা, চয়তান!"** যদিও তেওঁ এই কথা কৈছিল, তথাপি ঈছা মছীহে চয়তানক তেওঁৰ দৃঢ়সংকল্পৰ প্ৰমাণ দিবলৈ অস্বীকাৰ কৰা নাছিল, কাৰণ তেওঁ পুনৰ মুছাৰ কথাৰ উদ্ধৃতি দিছিল, "*তুমি নিজ আল্লাহ মাবুদকেই ভয় কৰা, তেওঁৰেই খেদমত কৰা আৰু তেওঁৰ নামেৰেই কছম*



*কিতাবত লিখা আছে – 'তেওঁ নিজৰ ফিৰিস্তাবিলাকক তোমাৰ অৰ্থে হুকুম দিব আৰু তোমাৰ ভৰি যেন পাথৰত খুন্দা নাখায়, এই নিমিত্তে তেওঁবিলাকে তোমাক হাতেৰে দাঙি ধৰিব।'* ঈছাই তাক কলে, *'তোমাৰ মাবুদ আল্লহক পৰীক্ষা নকৰিবা, এই বুলিও লিখা আছে'"* (মথি ৪:৫-৭)।

প্ৰথমবাৰ পৰীক্ষা কৰি চয়তান পৰাস্ত হৈছে, কিন্তু সহজে সি চেষ্টা এৰি দিয়া নাই। ধূৰ্ত্ত হোৱা হেতুকে সি ভিন্ন আকাৰত আকৌ আক্ৰমণ আৰম্ভ কৰিলে। সি জানিছিল যে প্ৰতিটো বিজয়ে আৰু এটি বিজয়ৰ ফালে চালিত কৰে আৰু সেইবাবে, সি ঈছা মছীহৰ ওচৰত এনে ভাব লৈ উপস্থিত হল যেন সি পাক কিতাবত লিখা কথাৰ প্ৰতি ঈছা মছীহৰ বাধ্যতা আৰু পিতাৰ লগত মছীহৰ একাত্মতাৰ দাবীৰ সত্যতাও সমৰ্থন কৰিছে। সি ভাবিছিল যে ঈছা মছীহে বস্তুজগতৰ ওপৰত আত্মিক বিষয়ক অগ্ৰাধিকাৰ দি থাকে, আৰু সেইবাবে সি ঈছা মছীহক এইবাৰ এনে কিবা কৰিবলৈ কলে যিহে তেওঁক কোনো দৈহিক সুবিধা প্ৰদান নকৰে; যদিও সেয়ে তেওঁৰ শৰীৰক ভীষণ বিপদত পেলাব। তেওঁক সি এনে কিবা কৰিবলৈ কলে যিয়ে এক বিৰাট ধৰ্মীয় প্ৰভাৱ পেলাব – ইয়াৰ মাজত থাকিব আত্মত্যাগ আৰু সেৱাৰ উপাদান। এবাদতখানাত সমবেত খোদাৰ লোকবিলাকৰ আগত সেয়ে প্ৰমাণ কৰিব যে, তেওঁ সঁচাই ইবনুল্লাহ। প্ৰথম আৰু দ্বিতীয় পৰীক্ষাৰ মাজত একমাত্ৰ সাদৃশ্য আছিল এয়ে যে, দ্বিতীয়টোৰ আৰম্ভনিতো আছিল একেই কথা ঃ "**তুমি যদি খোদাৰ পুত্ৰ হোৱা**…।"

ইঞ্জিল শৰীফত কৈছে যে চয়তানে ঈছা মছীহক পবিত্ৰ নগৰী জেৰুজালেমলৈ লৈ গৈছিল। চয়তানে সম্ভৱতঃ দীপ্তিময় ফিৰিস্তাৰ ৰূপ লৈছিল। পৌলে তেওঁৰ লেখনীত চয়তানক এই ৰূপতে বৰ্ণনা কৰিছিল, "…*চয়তানে*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*নিজেও দীপ্তিময় ফিৰিস্তাৰ বেশ ধৰে*"(২ কৰিন্থীয় ১১:১৪)। আল-জবুৰত বৰ্ণীত ফিৰিস্তাবোৰৰ অন্যতম ৰূপত সি আবিৰ্ভূত হৈছিল, "*তোমাৰ ভৰি যেন পাথৰত খুন্দা নাখায়, এই নিমিত্তে সিবিলাকে তোমাক হাতেৰে দাঙি ধৰিব*" (জবুৰ ৯১:১২)। চয়তানে ঈছা মছীহক এই কথাক কবলৈ বিচাৰিছিল যেন লাগে যে, তেওঁ নিজেই তেওঁক সকলো ধৰণৰ আঘাতৰ পৰা ৰক্ষা কৰিব। তেওঁ যদি তেনে কৰে, তেনেহলে তেওঁ অসংখ্য জনতা আৰু দুনিয়াক দেখুৱাই দিব যে তেওঁ বেহেস্তৰ পৰা খোদাৰ ওচৰৰ পৰা নামি আহিছে। এই পৰীক্ষাৰ প্ৰকৃতি আমি মছীহৰ উত্তৰৰ পৰা বুজিব পাৰোঁ। তেওঁ কৈছিল, "*মাবুদ আল্লহক পৰীক্ষা নকৰিবা,' এই বুলিও লিখা আছে।*" এই উত্তৰৰ পৰা আমি দেখা পাওঁ যে কিতাবুল মোকাদ্দছৰ এটা স্থানত যি কোৱা হয়, ইয়াৰ বাকী অংশত যি আছে তাৰেই আলোকত তাৰ ব্যাখ্যা কৰিব লাগিব। পাক কিতাবেই পাক কিতাবৰ সৰ্বোত্তম ব্যাখ্যাকাৰ।

পাপৰ বাবে কোৰবানী ৰূপে উৎসৰ্গ কৰাৰ সময় উপস্থিত হোৱাৰ আগলৈকে তেওঁৰ জীৱন কালত ঈছা মছীহে বিপদ এৰাই চলিছিল। এই পৰীক্ষাটোৰ অন্য এটি দিশ আছিল এই যে, চয়তানে ঈছা মছীহক এনে এটি কাৰ্য কৰিবলৈ কৈছিল যি তেওঁৰ ওপৰত মানুহবিলাকৰ ঈমান অনোৱাৰ উদ্দেশ্যে যাদুমন্ত্ৰৰ দৰে কাম কৰিলেহেঁতেন। তেনে ক্ষেত্ৰত তেওঁ সত্যৰ শক্তিৰ পৰিবৰ্তে অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰশীল হলহেঁতেন।

চয়তানে পতা ফান্দত ঈছা মছীহ পতিত হোৱা নাছিল। অৱশ্যে ইয়াৰ পিছত তেওঁ বহুতো অলৌকিক কাৰ্য কৰিছিল, কিন্তু সেইবোৰ সংবেদনশীলতা বা তেওঁৰ ওপৰত লোকবিলাকৰ বিশ্বাস কৰোৱাৰ উদ্দেশ্যেৰে নহয়। সেইবোৰ তেওঁ সম্পাদন কৰিছিল ঈমানদাৰ বিলাকৰ ঈমান সুদৃঢ় কৰোৱাৰ উদ্দেশ্যেৰে। তেওঁৰ



ওপৰত মানৱ জাতিৰ ঈমান তেওঁৰ শক্তিৰ ওপৰত নিৰ্ভৰ নকৰিব, নিৰ্ভৰ কৰিব সত্যৰ চূড়ান্ত ক্ষমতা, তেওঁৰ পবিত্ৰ গুণাৱলীৰ ভিত্তি আৰু তেওঁৰ প্ৰতি মহব্বতৰ ওপৰত। মস্তিষ্ক বা বুদ্ধি নহয়, কিন্তু হৃদয়েই প্ৰকৃত ধৰ্মৰ আসন। লোকবিলাকৰ হৃদয় যদি অভিভূত নহয়, খোদাৰ নূৰ লোকবিলাকে কেতিয়াও দেখিবলৈ নাপায়। এই কাৰণেই ইহুদীবিলাকে যেতিয়া আচমানৰ পৰা অলৌকিক কাৰ্য কৰিবলৈ অনুৰোধ কৰিছে, ঈছা মছীহে সকলো সময়তে তাক প্ৰত্যাখ্যান কৰিছে।

## তৃতীয় পৰীক্ষা ঃ বহু-ঈশ্বৰবাদ

"*আকৌ চয়তানে তেওঁক অতি ওখ পৰ্বতলৈ নি, দুনিয়াৰ সকলো ৰাজ্য আৰু সেইবোৰৰ ঐশ্বৰ্যও দেখুৱালে; আৰু তেওঁক কলে, 'তুমি যদি মোক চিজ্‌দা কৰা, তেন্তে এই সকলোকে তোমাক দিম।' তেতিয়া ঈছাই তাক কলে, 'গুচি যা, চয়তান, কিয়নো তোমাৰ মাবুদ আল্লহক চিজদা কৰা আৰু কেৱল তেওঁৰেই আৰাধনা কৰা, এই বুলি লিখা আছে।' তেতিয়া চয়তানে তেওঁক এৰিলে, আৰু চোৱা, বেহেস্তৰ ফিৰিস্তাবিলাকে আহি ঈছাৰ শুশ্ৰূষা কৰিলে*" (মথি ৪:৮-১১)।

তাৰ সহজ আৰু সূক্ষ্ম এই উভয় পৰিকল্পনা ব্যৰ্থ হোৱাৰ পিছত, চয়তানে এইবাৰ সাহসিকতাৰ আশ্ৰয় ললে। আমি তাক তাৰ অনুৰোধ পৰিবৰ্ত্তন কৰা দেখিবলৈ পাওঁ। সি মছীহক এনে কাৰ্য কৰিবলৈ অনুৰোধ কৰিছিল যি নিষিদ্ধ আৰু সেয়া হল, তাৰ সন্মুখত নতজানু হোৱা। বিনিময়ত সি অপৰিমিত মূল্যৰ কিবা দিবলৈ প্ৰতিজ্ঞা কৰিছিল।

এই পৰীক্ষাৰ প্ৰতি মছীহৰ উত্তৰত আমি অলপো ইংগিত নাপাওঁ যে চয়তানে মিছা কথা কৈছিল বা তাৰ প্ৰতিজ্ঞা মিছা বুলি প্ৰমাণিত হলহেঁতেন। বস্তুতঃই তাৰ প্ৰতিজ্ঞা পূৰ্ণ কৰিবলৈ মছীহে চয়তানক বাধ্য কৰিব পাৰিলেহেঁতেন। তেওঁ চয়তানৰ অনুৰোধ প্ৰত্যাখ্যান



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কাষৰ মানুহবোৰক কৈছিল, *“চোৱা, এই জন স্বৰূপ ইস্ৰায়েলী লোক, এওঁত কোনো কপটতা নাই”* (ইউহোন্না ১:৪৭)। এজন অপৰিচিতৰ পৰা এনে সাক্ষ্য শুনি নথনেল উচপ খাই উঠিছিল। তেওঁ সুধিছিল, “আপুনি মোক কেনেকৈ চিনিলে?” তেওঁ নথনেলক দেখুৱাই দিছিল যে ফিলিপে তেওঁক মাত দিয়াৰ আগতেই তেওঁ আত্মিক চকুৰে তেওঁক দেখা পাইছিল যেতিয়া তেওঁ এজোপা ডিমৰু গছৰ তলত বহি খোদাৰ সম্বন্ধে ধ্যান আৰু মোনাজাত কৰি আছিল। নথনেলে আবিষ্কাৰ কৰিছিল যে ঈছা মছীহ সৰ্বজ্ঞ আৰু তেওঁ তেতিয়াই ঈছা মছীহৰ ওপৰত ঈমান আনিছিল। মছীহক তেওঁ কৈছিল, *“ৰব্বি, আপুনি খোদাৰ পুত্ৰ; আপুনি ইস্ৰায়েলৰ ৰজা”* (ইউহোন্না ১:৪৯)। খুব সম্ভৱ, খোদাৰ পুত্ৰ ৰূপে মছীহ সম্পৰ্কে তৃৰীকাদাতা ইয়াহিয়াৰ সাক্ষ্য নথনেলে হয় নিজে বা আনৰ মাধ্যমেৰে শুনিছিল আৰু তেওঁ তেওঁৰ প্ৰথম ওস্তাদ তৃৰীকাদাতা ইয়াহিয়াৰ সাক্ষ্যটিৰে পুনৰাবৃত্তি কৰিছিল। যি হওক, নথনেলেই প্ৰথম ব্যক্তি আছিল যিজনে ঈছা মছীহক **“ইস্ৰায়েলৰ ৰজা**” উপাধিটো দিছিল।

ঈছা মছীহে নথনেলৰ সাক্ষ্যৰ উত্তৰ এইদৰে দিছিল, “ইয়াতকৈয়ো মহৎ মহৎ কৰ্ম্ম দেখিবা।” ঈছা মছীহে বুজাব বিচাৰিছিল যে পাপৰ কাৰণে বেহেস্ত বন্ধ হৈ যোৱাৰ পিছত আকৌ মানৱ জাতিৰ বাবে উন্মুক্ত কৰা হব। মনুষ্যপুত্ৰ ৰূপে তেওঁ পৃথিৱী আৰু বেহেস্তৰ মাজৰ ব্যৱধানৰ সেতুবন্ধন হব আৰু মানুহৰ খেদমতৰ বাবে ফিৰিস্তাবিলাকক পঠাই দিব। তেওঁলোকে ঈমানদাৰবিলাকক পহৰা দিব আৰু তেওঁলোকৰ মৃত্যুৰ পিছত তেওঁলোকক বেহেস্তলৈ লৈ যাব (ইব্ৰী ১:১৪; লূক ১৬:২২)। প্ৰয়োজনত ফিৰিস্তাবিলাকে মছীহৰো খেদমত



দুই

# ঈছা মছীহৰ প্ৰথম চাহাবী গ্ৰহণ

**“পাছদিনা আকৌ ইয়াহিয়াই নিজৰ দুজন চাহাবীৰ সৈতে থিয় হৈ, ঈছা ফুৰোতে, তেওঁলৈ চাই কলে, ‘খোদাৰ মেৰ পোৱালীক চোৱা!’ সেই দুজন চাহাবীয়ে তেওঁৰ এই কথা শুনি ঈছাৰ পাছে পাছে গল। তাতে ঈছাই মুখ ঘূৰাই তেওঁলোকক পাছে পাছে অহা দেখি কলে, ‘তোমালোকে কি বিচাৰিছা?’ তেওঁলোকে তেওঁক কলে, ‘ৰব্বি (অৰ্থাৎ হে ওস্তাদ), আপুনি ক’ত থাকে?’ তেওঁ তেওঁলোকক কলে, ‘আহাঁ, তেহে দেখিবা।’ তাতে তেওঁলোকে গৈ তেওঁৰ থকা ঠাই দেখিলে; আৰু সেই দিনা তেওঁৰ লগতে থাকিল। তেতিয়া প্ৰায় দহ বজাৰ সময় হৈছিল। যি দুজনে ইয়াহিয়াৰ কথা শুনি তেওঁৰ পাছে পাছে গল, তেওঁলোকৰ এজন চিমোন পিতৰৰ ভায়েক আন্দ্ৰিয়। তেওঁ প্ৰথমতে তেওঁৰ ককায়েক চিমোনক পাই কলে, ‘আমি মছীহক পালোঁ।’ পাছে তেওঁক ঈছাৰ ওচৰলৈ আনিলে। তাতে ঈছাই তেওঁলৈ চাই কলে, ‘তুমি ইউহোন্নাৰ পুত্ৰ চিমোন, তোমাৰ নাম কৈফা হব।’ এই নামৰ অৰ্থ পিতৰ, অৰ্থাৎ পাথৰ।”** (ইউহোন্না ১:৩৫-৪২)

তৃৰীকাদাতা ইয়াহিয়াই তেওঁৰ দুজন চাহাবীৰ সৈতে থিয় হৈ আছিল। তেতিয়া তেওঁলোকে ঈছা মছীহক যোৱা দেখিবলৈ পালে। তেওঁ কলে, “খোদাৰ মেৰ পোৱালীক চোৱা।” তেওঁলোকৰ এজন আছিল উত্তৰ গালীলৰ তিবিৰিয়া হ্ৰদৰ উত্তৰ পাৰৰ মানুহ আন্দ্ৰিয়।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ত্বৰীকাদাতা ইয়াহিয়াৰ চাহাবী হবলৈ তেওঁ বহু দূৰৰ পৰা আহিছিল। দ্বিতীয়জন, চিবদীয়ৰ পুত্ৰ ইউহোন্না বৈৎচৈদাৰ পৰা আহিছিল।

তেওঁলোকৰ ওস্তাদ ত্বৰীকাদাতা ইয়াহিয়াৰ পৰা ইতিপূৰ্বে তেওঁলোকে ঈছা মছীহৰ বিষয়ে কি শুনিছিল তাক আমি নাজানোঁ। কিন্তু এতিয়া তেওঁলোকে তেওঁক কোৱা শুনিছে যে ঈছা মছীহ খোদাৰ মেৰ পোৱালী। পিছদিনা ইয়াহিয়াই তেওঁৰ ফালে ঈছা মছীহক অহা দেখি কলে, "*দুনিয়াৰ পাপ নিওঁতা খোদাৰ মেৰ পোৱালীক চোৱা!*" (ইউহোন্না ১:২৯)। কাষেদি ঈছা মছীহক গুচি যোৱা দেখি তেওঁ কৈছিল, "*খোদাৰ মেৰ পোৱালীক চোৱা*" (ইউহোন্না ১:৩৬)। এই খেতাবটো নবী ইশায়ৰ উক্তিৰ সৈতে একে অৰ্থৰ:

ত্বৰীকাদাতা ইয়াহিয়া এজন ইমামৰ পুত্ৰ আছিল। এবাদতখানাত মেৰ পোৱালীক কুৰবানী দিয়া এজন ইমামৰ বিশেষ কাৰ্য আছিল। উৎসৰ্গ হবলৈ মেৰ পোৱালী নিষ্কলঙ্ক হব লাগিছিল। ইয়াহিয়াই যেতিয়া কৈছিল যে ঈছা মছীহ খোদাৰ মেৰ পোৱালী, তেতিয়া তেওঁ প্ৰকাৰন্তৰে এই কথাই বুজাব খুজিছিল যে ঈছা মছীহ আছিল নিখুঁত আৰু নিষ্কলঙ্ক। এই মহান নিঃসঙ্গ মানুহজন আৰু যোগ্যতাসম্পন্ন প্ৰচাৰক পাক-ৰূহেৰে পূৰ্ণ আছিল। তেওঁ ভালদৰে জানিছিল যে এবাদতখানাত পশু কুৰবানীয়েই আছিল একমাত্ৰ আৰু আদি কুৰবানীৰ প্ৰতীক; আৰু সেয়া হল খোদাৰ মেৰ পোৱালী যিজন জগত স্থাপনৰ পূৰ্বেই নিৰূপিত, খোদাৰ উদ্দেশ্য অনুযায়ী হত হব (১ পিতৰ ১:১৮-২০)। তেওঁ জানিছিল, পশু কুৰবানীয়ে পাপ দূৰ কৰিব নোৱাৰে, কাৰণ সেয়া হব মছীহৰ অৰ্থাত খোদাৰ মেৰ পোৱালীৰ কাম।

মছীহৰ সম্বন্ধে ইয়াহিয়াৰ সাক্ষ্য সু-স্পষ্ট আছিল।



গালীলৰ কান্না নগৰৰ তেওঁৰ বিশেষ দোস্ত নথনেলক বিচাৰি ওলিয়াইছিল আৰু তেওঁক কৈছিল যে শৰীয়তত মুছাই যাৰ কথা কৈছে আৰু নবীসকলে যাৰ সম্বন্ধে লিখি থৈ গৈছে, ঈছা মছীহেই সেই ব্যক্তি। নথনেলে এই কথাত সন্দেহ প্ৰকাশ কৰিলে, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে মছীহ কেতিয়াও নাচৰতৰ পৰা আহিব নোৱাৰে। তাৰ পৰা কিবা ভাল ওলাব পাৰে নে কি বুলি প্ৰশ্ন কৰি নথনেলে ফিলিপক আপত্তি জনাইছিল। নিজে গৈ চাবলৈ ফিলিপে তেওঁক অনুৰোধ কৰিছিল (ইউহোন্না ১:৪৬)। তেওঁ জানিছিল বিতৰ্কত সোমোৱাতকৈ নিজে গৈ ঈছা মছীহৰ লগত দেখা কৰাই তেওঁৰ বাবে সৰ্বোত্তম পথ। প্ৰায়ে দেখা যায় যে ধৰ্মীয় বিষয় আদিৰ সম্বন্ধে তৰ্কাতৰ্কি নিৰৰ্থক আৰু কেতিয়াবা কেতিয়াবা হানিকাৰকো হয়। ঈমানদাৰবিলাকৰ মুখৰ পৰা উচ্চাৰিত সৰ্বোত্তম সাক্ষ্য হল, "আহাঁ, তেহে দেখিবা" (ইউহোন্না ১:৩৮)। ঈছা মছীহে যেতিয়া তেওঁৰ দুজন চাহাবীক কৈছিল, "আহাঁ, তেহে দেখিবা", তেতিয়া পাক ৰূহেই ঈছা মছীহৰ মাধ্যমেৰে কথা কৈছিল। সেই একে কথাকে ব্যৱহাৰ কৰি তেওঁ পুনৰ ফিলিপৰ মাধ্যমেৰেও কথা কৈছিল। নথনেল এই আমন্ত্ৰণত সন্তুষ্ট হৈছিল আৰু ইয়াৰ সমৰ্থনত অধিক প্ৰমানৰ দাবী তোলা নাছিল। ফিলিপৰ উপলব্ধি আৰু সংহতিত তেওঁ পূৰ্ণ আস্থা স্থাপন কৰিছিল আৰু ঈছা মছীহৰ সৈতে ব্যক্তিগতভাৱে সাক্ষাত কৰিবলৈ সন্মত হৈছিল।

তেওঁৰ লগত সাক্ষাতৰ বা অন্য কোনোজনৰ পৰা তেওঁৰ সম্বন্ধে কিবা শুনাৰ আৱশ্যকতা নোহোৱাকৈয়ে ঈছা মছীহে নথনেলৰ পটভূমি আৰু গুণাৱলীৰ বিষয় জ্ঞাত আছিল। নথনেলে যেতিয়া ফিলিপৰ লগত তেওঁৰ ফালে আহি আছিল, ঈছা মছীহে তেতিয়া তেওঁৰ চাৰিও



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*দেখিবা"* (ইউহোন্না ১:৪৩-৫১)।

চিমোনে তেতিয়াই আন্দ্ৰিয় আৰু ইউহোন্নাৰ লগত মিলিত হৈ, এই তিনিজনে ঈছা মছীহৰ চাহাবী হৈছিল। এইদৰে, মছীহৰ বৈৎচৈদালৈ যোৱাৰ উদ্দেশ্য পূৰ্ণ হৈছিল। পাছদিনা ঈছা মছীহ গালীলত তেওঁৰ নিজৰ গাঁৱলৈ উভটি আহিবৰ বাবে প্ৰস্তুত হল। কিন্তু যোৱাৰ আগতে তেওঁ তেওঁৰ চতুৰ্থ চাহাবীক আহ্বান কৰিছিল; তেৰোঁ সেই বৈৎচৈদাৰে লোক আছিল। তেওঁক দেখা পাই ঈছা মছীহে কৈছিল, "**মোৰ পাছে পাছে আহাঁ**" (ইউহোন্না ১:৪৩)। মছীহী ঈমানৰ সাধাৰণ নীতিটো হল এইঃ *"খোজা, তেহে তোমালোকক দিয়া হব; বিচাৰা, তেহে পাবা; টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হব"* (মথি ৭:৭)। খোদায়ো এই নীতিৰ যথাৰ্থতা নবী ইয়াৰমিয়াৰ যোগেদি অনুমোদন কৰিছে, *"আৰু তোমালোকে সমস্ত মনেৰে মোক বিচাৰিলে মোক বিচাৰি পাবা"* (ইয়াৰমিয়া ২৯:১৩)। কিন্তু এই নিয়মৰ ব্যতিক্ৰমো আছে; তেওঁলোকৰ ভিতৰত আছে ফিলিপ আৰু মথি। তেওঁলোকৰ ক্ষেত্ৰত নবী ইশায়াৰ এই কথাখিনি সত্য হৈছিল,

যিবিলাকে মোক নিবিচাৰিলে,
সিবিলাকক মোৰ পৰামৰ্শ লোৱাব খুজিলোঁ;
আৰু যিবিলাকে মোক অন্বেষণ নকৰিলে,
সেইবিলাকক মোক পোৱাব খুজিলোঁ;
যি জাতি মোৰ নামেৰে প্ৰখ্যাত নহল,
এনে জাতিৰ আগত,
'এইয়া চোৱা, মই আছোঁ, মই আছোঁ,'
এই বুলি মই কলোঁ।

(ইশায় ৬৫:১)

আন্দ্ৰিয় আৰু ফিলিপৰ ভিতৰত মছীহৰ পক্ষে আত্মা জয় কৰাৰ উৎসাহ লগে লগে দেখা দিছিল। ফিলিপে



একো নোকোৱাকৈ শ্ৰদ্ধাৰে পৰিপূৰ্ণ হৈ আন্দ্ৰিয় আৰু ইউহোন্নাই ঈছা মছীহৰ অনুসৰণ কৰিছিল। তেওঁৰ নজৰত পৰাৰ পিছত ঈছা মছীহে তেওঁলোকৰ ফালে চাই সুধিছিল, *"তোমালোকে কি বিচাৰিছা"* (ইউহোন্না ১:৩৮)? যিবিলাকে তেওঁৰ উম্মত হবলৈ বিচাৰে বুলি তেওঁ ভাবে, তেওঁলোকৰ প্ৰত্যেককে ঈছা মছীহে সচঁৰাচৰ এই প্ৰশ্নটো কৰে। তেওঁৰ উম্মত হোৱাৰ উদ্দেশ্য ব্যাপকভাৱে বিভিন্নতৰ হয় আৰু সেই অনুসৰি তেওঁলোকৰ প্ৰতি ব্যৱহাৰ কৰিব লগীয়া হয়। যিবিলাকে তেওঁৰ উম্মত হবলৈ বিচাৰিছিল তেওঁলোকক তেওঁ এবাৰ কৈছিল, *"মই তোমালোকক অতি স্বৰূপকৈ কওঁ, আচঁৰিত চিন দেখাৰ কাৰণে নহয়, পিঠা খাই তৃপ্ত হোৱাৰ কাৰণেহে মোক বিচাৰিছা"* (ইউহোন্না ৬:২৬)। এই কাৰণত তেওঁ তেওঁলোকক চাহাবীৰূপে গ্ৰহণ কৰা নাছিল।

আন্দ্ৰিয় আৰু ইউহোন্নাই শ্ৰদ্ধা আৰু বাক্‌সংযমেৰে ঈছা মছীহৰ প্ৰশ্নৰ উত্তৰ দিছিল, *"ৰব্বি* (অৰ্থাৎ হে ওস্তাদ), *আপুনি ক'ত থাকে?"* (ইউহোন্না ১:৩৮)। তেওঁ সেই কথা তেওঁলোকক কবলৈ অস্বীকাৰ কৰিলে, কাৰণ তেওঁ তেওঁলোকক উপলব্ধি কৰাবলৈ বিচাৰিছিল যে, তেওঁ তেওঁলোকৰ আগমন প্ৰত্যাশা কৰিছিল আৰু এতিয়াও তেওঁ সললোকে অহাৰ প্ৰত্যাশা কৰে, যেন তেওঁলোকে এতিয়াই তেওঁৰ অনুসৰণ কৰে। যিবিলাকে তেওঁক অনুসৰণ কৰিবলৈ পলম কৰে, তেওঁ তেওঁলোকক প্ৰত্যাখ্যান কৰে। আন্দ্ৰিয় আৰু ইউহোন্নাক তেওঁ কৈছিল, "**আহাঁ, তেহে দেখিবা।**" তেওঁৰ প্ৰতি বাধ্য হোৱাৰ পিছত তেওঁ তেওঁলোকক গোটেই দিন তেওঁৰ লগত থাকিবলৈ কৈছিল। এতিয়াও সেয়ে কাৰ্য সম্পাদনৰ আচ্‌মানী নীতি। অন্য এজনে তেওঁৰ ওচৰত সাক্ষ্য দিছে বুলি কোনেও ঈমান নানে, কিন্তু তেওঁ ব্যক্তিগতভাৱে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁৰ অভিজ্ঞতা লাভ কৰে বুলিহে আনে। তাক তেওঁ নিজেই প্ৰত্যক্ষ কৰিব লাগে, যিদৰে দাউদে কৈছিল, *“মাবুদ যে মেহেৰবান, তাক তোমালোকে আস্বাদন কৰি চোৱা; তেওঁত আশ্ৰয় লওঁতা লোক ধন্য”* (জবুৰ ৩৪:৮)। মছীহৰ লগত সাক্ষাত হোৱাৰ পিছত আন্দ্ৰিয় আৰু ইউহোন্নাৰ জীৱন সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল। আন্দ্ৰিয়ই যদিও সিমান সুপৰিচিত হৈ উঠা নাছিল, তথাপি তেৱেঁই তেওঁৰ ককায়েক চিমোনক ঈছা মছীহৰ ওচৰলৈ লৈ আহিছিল। চিমোনক নোপোৱালৈকে আন্দ্ৰিয়ই তেওঁক বিচাৰিছিল। তাৰ পিছত তেওঁ তেওঁৰ দোস্ত ইউহোন্নাৰ সৈতে যি মহাৰত্ন আবিস্কাৰ কৰিছে, সেই কথা তেওঁক কৈছিল, **“আমি মছীহক পালোঁ”** (ইউহোন্না ১:৪১)। এই উক্তিয়ে নাজাতৰ উপায়টিক পৰিবেষ্টন কৰে। যিজনে ঈছা মছীহক পায়, তেওঁ সকলোকে পাইছে আৰু অন্য কোনো ব্যক্তিক তেওঁৰ আৰু প্ৰয়োজন নাই। ঈছা মছীহেই সেই ব্যক্তি যাৰ সম্বন্ধে দাউদে কৈছিল, “*মাবুদ মোৰ ৰক্ষক, মোৰ অভাৱ নহব*” (জবুৰ ২৩:১)। **তেৱেঁই বাট, সত্য ও জীৱন** (ইউহোন্না ১৪:৬)। যিজনে এই তিনিটা পায়, তেওঁ সকলো পাইছে। আন্দ্ৰিয়ই কেৱল কথাতে সন্তুষ্ট নাছিল, কিন্তু কাৰ্যৰে কথাৰ অনুসৰণ কৰিছিল, কাৰণ তেওঁ তেওঁৰ ককায়েকক ঈছা মছীহৰ ওচৰত লৈ আহিছিল। যিসকলে সঁচাকৈয়ে ঈছা মছীহক লাভ কৰে, তেওঁলোকে ঘনিষ্ঠতমবিলাকৰ পৰা আৰম্ভ কৰি আন সকলোকে আহ্বান কৰি ঈছাৰ ওচৰলৈ আনিবলৈ যত্নপৰ হয়, যেনেকৈ আন্দ্ৰিয়ই তেওঁৰ ককায়েকক আনিছিল।

চিমোনক দেখা মাত্ৰে ঈছা মছীহে তেওঁৰ স্বৰূপ বুজিব পাৰিছিল। প্ৰকৃততে, এনে কি তেওঁক দেখাৰ আগতেই তেওঁ তেওঁৰ গুনাৱলী, তেওঁৰ প্ৰতিভা আৰু তেওঁৰ ভবিষ্যত জানিছিল। প্ৰথম সাক্ষাততে তেওঁ তেওঁক



এটা নতুন নাম দিছিল ঃ পিতৰ (গ্ৰীক), অথবা কৈফা (অৰামীয়) – উভয়ৰে অৰ্থ ‘পাথৰ’। যেতিয়ালৈকে পাক ৰূহে পিতৰক পূৰ্ণ কৰা নাছিল, তেতিয়ালৈকে তেওঁ এই নামৰ ন্যায্য দাবীদাৰ হব পৰা নাছিল আৰু যেতিয়া তেওঁৰ প্ৰতিভাৰ বহিঃপ্ৰকাশ ঘটিছিল তেতিয়াহে তেওঁক এই নামৰ যোগ্য কৰি তুলিছিল।

পাছদিনা ঈছাই গালীল প্ৰদেশলৈ যাবলৈ ঠিক কৰিলে। ফিলিপৰ লগত দেখা হওঁতেই ঈছাই তেওঁক কলে, “মোৰ পাছে পাছে আহাঁ।” ফিলিপ বৈৎচৈদা গাঁৱৰ মানুহ আছিল। আন্দ্ৰিয় আৰু পিতৰো সেই গাঁৱৰ লোক আছিল। ফিলিপে নথনেলক বিচাৰি ওলিয়াই কলে, *“যি জনাৰ বিষয়ে মুছাই শৰীয়তত লিখিলে আৰু নবীসকলেও লিখিলে, আমি তেওঁক পালোঁ; তেওঁ ইউচুফৰ পুতেক নাচৰত গাঁৱৰ ঈছা।” নথনেলে ফিলিপক কলে, “নাচৰতৰ পৰা কোনো উত্তম বস্তু ওলাব পাৰে নে ?” ফিলিপে তেওঁক কলে, “আহি চোৱা।” ঈছাই নথনেলক নিজৰ ফালে অহা দেখি তেওঁৰ বিষয়ে কলে, “চোৱা, এই জন প্ৰকৃত ইস্ৰায়েলী লোক, এওঁত একো কপট নাই।” নথনেলে ঈছাক সুধিলে, “আপুনি মোক কেনেকৈ চিনিলে ?” উত্তৰত ঈছাই তেওঁক কলে, “ফিলিপে তোমাক মতাৰ আগেয়ে, তুমি ডিমৰু গছৰ তলত থাকোঁতেই, তোমাক দেখিলোঁ।” তাতে নথনেলে ঈছাক কলে, “ৰব্বি, আপুনিয়েই খোদাৰ পুত্ৰ, আপুনিয়েই ইস্ৰায়েলৰ ৰজা।” ঈছাই তেওঁক কলে, “তোমাক ডিমৰু গছৰ তলত দেখিলোঁ, মই এই কথা তোমাক কোৱাৰ কাৰণেই ঈমান আনিছা নে ? ইয়াতকৈয়ো মহৎ মহৎ কৰ্ম্ম দেখিবা।” পিছত ঈছাই কলে, “মই তোমালোকক অতি স্বৰূপকৈ কওঁ, তোমালোকে বেহেস্তৰ দুৱাৰ মুকলি হোৱা আৰু মানুহৰ পুত্ৰৰ ওপৰত খোদাৰ ফিৰিস্তাবিলাকক উঠা আৰু নমা*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মৰিয়মে ঈছা মছীহক কলে যে, তেওঁলোকৰ অলপো আঙুৰৰ ৰস নাই। ঈছা মছীহৰ উৎস মৰিয়মে জানিছিল বাবে তেওঁ হয়তো আশা কৰিছিল যে, ঈছা মছীহে মানুহবিলাকৰ আগত তেওঁৰ যোগ্যতা প্ৰকট কৰিব। তদুপৰি, তেওঁ তেওঁৰ সন্তান-এই অহংকাৰৰ হেতু তেওঁ হয়তো মানুহবিলাকৰ আগত অলপ শোভনীয় হবলৈ বিচাৰিছিল; অথবা তেওঁ এনেদৰেও ভাবিব পাৰে যে, ঈছা মছীহ আৰু বহু সংখ্যক চাহাবীৰ উপস্থিতিৰ বাবেই কেনেবাকৈ আঙুৰ ৰসৰ নাটনি হৈছিল। ইয়াৰ অন্য কোনো কাৰণো থাকিব পাৰে যি আমি নাজানোঁ।

মৰিয়মৰ নিবেদনৰ প্ৰতি মছীহৰ উত্তৰে প্ৰকাশ কৰে যে, যিমানখিনি উচিত আছিল তাতকৈ মৰিয়মে বেছি হস্তক্ষেপ কৰিছিল। ঈছা মছীহে তেওঁক কৈছিল, *"হে নাৰী, তোমাৰ লগত মোৰ কি কাম? মোৰ সময় এতিয়াও হোৱা নাই"* (ইউহোন্না ২:৪)। ঈছা মছীহে জানিছিল–তেওঁৰ নতুন ক্ষমতা, তেওঁৰ সন্মুখৰ নতুন অভিজ্ঞতাসমূহ আৰু পৰিয়ালৰ লগত তেওঁৰ সম্পৰ্কৰ আসন্ন পৰিবৰ্ত্তন তেওঁক অনুধাবন কৰোৱাবৰ বাবে এই কথাখিনি তেওঁৰ আৰু তেওঁৰ মাতৃৰ সম্পৰ্কৰ মাজত এক প্ৰতিবন্ধকৰ দৰে আছিল, যিহে তেওঁৰ অতীত আৰু ভৱিষ্যতক পৃথক কৰিছিল। তেওঁৰ পৰিচৰ্যাত হস্তক্ষেপ নকৰিবলৈ ঈছা মছীহে তেওঁক শিক্ষা দিবলৈ বিচাৰিছিল। "তোমাৰ লগত মোৰ কি কাম?" এই কথাষাৰ যেতিয়া ঈছা মছীহে কৈছিল মৰিয়মে তেতিয়া উপলব্ধি কৰিব পাৰিছিল যে, ইমান দিন ঈছাৰ ওপৰত তেওঁৰ যি কৰ্তৃত্ব আছিল, এতিয়া আৰু সেয়া প্ৰযোজ্য নহব। তেওঁ আৰু তেওঁৰ মাতৃ হৈ নাথাকিল আৰু এই কাৰণেই তেওঁ 'নাৰী' বুলি তেওঁক সম্বোধন কৰিছিল। ইয়াৰ আগতে ঈছা মছীহে তেওঁৰ ওচৰত শিকিছিল আৰু তেওঁক সম্ভ্ৰম কৰি চলিছিল, কিন্তু এতিয়াৰ পৰা মৰিয়মে তেওঁৰ ওচৰত শিকিব লাগিব।



কৰিব (ইউহোন্না ১:৫০,৫১)।

মছীহই যে খোদাৰ পুত্ৰ (ইবনুল্লাহ), এই সম্পৰ্কে আমি তিনিটা সাক্ষ্য পাইছোঁঃ তেওঁৰ তৱীকাৰ সময়ত আচ্‌মানী কণ্ঠস্বৰ, তৱীকাদাতা ইয়াহিয়া আৰু শেষত নথনেল। কিন্তু ইয়াতেই আমি প্ৰথমবাৰৰ বাবে স্বয়ং মছীহৰ এটা সাক্ষ্য পাওঁ যে, তেওঁ মনুষ্যপুত্ৰ, অৰ্থাৎ ইবনে আদম। অন্যান্য নবীবিলাকেও, বিশেষকৈ হেজকিলেও এই উপাধিটো দিছে (হেজকিল ২:১)। ঈছা মছীহে এই উপাধিত গৌৰৱ বোধ কৰিছে আৰু তেওঁৰ বাবে সেয়া নিতান্তই হেয় বুলি ভবা নাই। তদুপৰি, খোদাৰ পুত্ৰ আৰু ইস্ৰায়েলৰ ৰজা হিচাপে তেওঁৰ ওপৰত ঈমান অনাৰ বাবে ঈছা মছীহে নথনেলৰ প্ৰশংসা কৰিছিল। এটা মিছা কথা বা কুসংস্কাৰ, এটা ভ্ৰান্তি বা অতিশয়োক্তিৰ বাবে ঈছা মছীহে কেতিয়াবা নথনেলৰ প্ৰশংসা কৰিলেহেঁতেন নে? খোদাৰ নিন্দামূলক উক্তিক তেওঁ আপত্তি অবিহনেই গ্ৰহণ কৰিলেহেঁতেন নে? তেওঁ যদি কেৱল মৰিয়মৰ পুত্ৰ, সামান্য মানুহ মাত্ৰ হলহেঁতেন, তেন্তে "ইস্ৰায়েলৰ ৰজা" এই উপাধিটো তেওঁ কেনেকৈ সমৰ্থন কৰিব পাৰিলেহেঁতেন?

নথনেলৰ প্ৰতি মছীহৰ উত্তৰত তেওঁৰ নিজৰ সম্বন্ধে মছীহৰ প্ৰথম সাক্ষ্য আমি দেখিবলৈ পাওঁ। কোনো নবী, ৰছুল বা মানৱ সন্তানে নিজৰ সম্বন্ধে এই কথা ইয়াৰ আগতে কেতিয়াও কোৱা নাছিল। কোনো ন্যায়ৱান বা জ্ঞানী লোকে যেতিয়া নিজৰ সম্বন্ধে কোনো কথা কয়, তেতিয়া সেই ব্যক্তি সম্পৰ্কিত সত্য অনুধাবনৰ বাবে ই অত্যন্ত তাৎপৰ্যপূৰ্ণ। সেই কাৰণে ঈছা মছীহে কৈছিল, *"যদিও মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ, তথাপি মোৰ সাক্ষ্য সত্য; কিয়নো মই ক'ৰ পৰা আহিলোঁ আৰু ক'লৈ যাওঁ, তাক মই জানোঁ; কিন্তু ক'ৰ পৰা আহিছোঁ বা ক'লৈ*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*যাওঁ, তাক তোমালোকে নাজানা"* (ইউহোন্না ৮:১৪)। তেওঁ যদি মিছা প্ৰশংসা গ্ৰহণ কৰিলেহেঁতেন, তেন্তে তেওঁ অযোগ্য বা নৈতিকভাৱে খুঁতযুক্ত হলহেঁতেন।

কোনো ন্যায়ৱান ব্যক্তিৰ নিজৰ সম্বন্ধে উক্ত কথাৰ গুৰুত্ব ইহুদীবিলাকৰ বৃদ্ধ নেতাসকলে বুজি পাইছিল। সেইবাবে, তেওঁ কোন এই কথা তেওঁলোকে তূৰীকাদাতা ইয়াহিয়াক সুধিছিল। ন্যায্যমতে তেওঁ যিমানখিনিৰ দাবীদাৰ, নিজৰ সম্পৰ্কে তেওঁৰ বৰ্ণনা তাতকৈ কম আছিল। যিজনৰ উক্তি আছিল বিশুদ্ধ সত্য আৰু যিজনে বুদ্ধিত, সততাত আৰু নম্ৰতাত প্ৰত্যেককে পাৰ কৰিছিল, সেই মছীহতকৈ তূৰীকাদাতা ইয়াহিয়া অধিক উত্তম বা বেছি জ্ঞানসম্পন্ন বুলি কোনেও বিবেচনা নকৰিছিল। এই কাৰণে নিজৰ সম্বন্ধে তেওঁৰ উক্ত কথাবোৰৰ ওপৰত আমি সৰ্বাধিক গুৰুত্ব আৰোপ কৰোঁ।

অত্যন্ত স্পষ্ট যে, নিজৰ বিষয়ে মছীহে যি দাবী কৰিছিল সেই কথাবোৰ মছীহৰ বাহিৰে অন্য কোনোবাই কোৱা হলে সেই ব্যক্তিজনে বুদ্ধিমান আৰু ধৰ্মপ্ৰাণ ব্যক্তিবিলাকৰ ওচৰত অপমান আৰু অৱজ্ঞা লাভ কৰিলেহেঁতেন। খ্যাতনামা ইংৰাজ লেখক কাৰ্'লাইলৰ সৈতে আলোচনা কৰোঁতে এজন নাস্তিকে চিন্তাহীনভাৱে কৈছিল, "মছীহই নিজৰ বিষয়ে যি দাবী কৰিছিল, সেয়া মই মোৰ নিজৰ বিষয়েও কব পাৰোঁ, 'মই আৰু মোৰ পিতৃ এক।'" শ্ৰদ্ধেয় কাৰ্'লাইলে উত্তৰ দিছিল, "হয়, কব পাৰা, কিন্তু দুনিয়াই মছীহৰ দৃঢ় ঘোষণাত ঈমান আনিছে। তোমাৰ ক্ষেত্ৰত সেই কথা কোনে বিশ্বাস কৰিব?"



আহিছিল সকলো মানুহৰ প্ৰতি খোদাৰ মহব্বত প্ৰকাশ কৰিবলৈ। মৃদু হাঁহিৰে তেওঁ ঘোষণা কৰিছিল যে, তেওঁৰ ইঞ্জিলৰ শুভ বাতৰিৰ স্ৰষ্টা আৰু বিষয়বস্তু স্বয়ং তেওঁ নিজে। সামাজিক মিলামিছা, সহভাগিতা আৰু বিশুদ্ধ আনন্দ পৰিবেশন কৰি তেওঁ ধৰ্মৰ ছবিখন সম্পূৰ্ণ কৰিছিল। এইবোৰ আত্মিক আনন্দৰ প্ৰতীক আৰু এই আনন্দ তেওঁৰ ৰাজ্যৰ অন্যতম স্তম্ভ।

তূৰীকাদাতা ইয়াহিয়াই ধৰ্মীয় কঠোৰতাৰ প্ৰতিনিধিত্ব কৰিছিল, যি ক্ষেত্ৰত ঈছা মছীহ আছিল ধৰ্মীয় ৰহমতৰ দৃষ্টান্তস্বৰূপ। ইয়াহিয়াই মন পৰিৱৰ্তন কৰিবলৈ মানুহক হেঁচা দিছিল, কিন্তু মছীহই তেওঁলোকক অনুতাপ কৰিবলৈ আমন্ত্ৰণ জনাইছিল। ইয়াহিয়াই মানুহবিলাকৰ লগত খোৱা-বোৱা নকৰিছিল, কিন্তু ঈছা মছীহে কৰিছিল। তেওঁ তেওঁলোকৰ ভোজৰ নিমন্ত্ৰণ গ্ৰহণ কৰিছিল। ইয়াহিয়াই ছাল আৰু উটৰ নোমৰ চোলা পিন্ধিছিল, কিন্তু ঈছা মছীহে মিহি সূতাৰ কাপোৰ পিন্ধিছিল। তেওঁৰ সলীববিদ্ধ অৱস্থাত ৰোমীয় সেনাবিলাকে তাৰ কাৰণে লটাৰী কৰিছিল। তেওঁৰ উপদেশৰ পাতনিত ইয়াহিয়াই ঘোষণা কৰিছিল, *"হে সৰ্পৰ বংশ, আগলৈ হব লগা ক্ৰোধৰ পৰা পলাবলৈ তোমালোকক কোনে বুদ্ধি দিলে"* (মথি ৩:৭)? কিন্তু ঈছা মছীহে তেওঁৰ উপদেশ আৰম্ভ কৰিছিল, এই কথা কৈ, *"আত্মাত দৰিদ্ৰবিলাক ধন্য; কিয়নো বেহেস্ত তেওঁবিলাকৰ"* (মথি ৫:৩)। ঈছা মছীহৰ চাহাবীবিলাকে তেওঁলোকৰ ওস্তাদৰ পদক্ষেপ অনুসৰণ কৰিছিল আৰু কান্না নগৰৰ বিয়াৰ অনুষ্ঠানৰ নিমন্ত্ৰণ গ্ৰহণ কৰাৰ পিছত তেওঁলোকে ঈছা মছীহৰ লগত তালৈ গৈছিল।

বিয়াৰ উৎসৱ চলি থকাৰ সময়ত আঙুৰৰ ৰস শেষ হৈ গৈছিল। বিয়াঘৰৰ মানুহবিলাকৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্কৰ বাবে মৰিয়মে সেই কথা জানিছিল, কিন্তু অন্য অতিথিবিলাকে সমস্যাটোৰ কথা জনা নাছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সময়ৰ অকৃত্রিম হৃদয়ৰ লোকবিলাকে তেওঁৰ ওপৰত ঈমান আনিছিল; তেওঁৰ বিৰোধী ইহুদীবিলাকেও একেই প্ৰবণতা অনুভৱ কৰিছিল, যদিও তেওঁলোকে তাক কেতিয়াও স্বীকাৰ কৰা নাছিল।

## পানীক আঙুৰ ৰসত পৰিবৰ্ত্তন

পানীক আঙুৰ ৰসত পৰিবৰ্ত্তন কৰাৰ আচঁৰিত কাৰ্যটি এনে এটি কাৰ্য যাৰ কোনো প্ৰাকৃতিক ব্যাখ্যা নাই। ঈছা মছীহৰ এইটো প্ৰথম আচঁৰিত কাৰ্য আছিল, যিটো গালীলৰ কান্না নগৰত সংঘটিত হৈছিল। কান্না নগৰ ভ্ৰমণৰ সময়ত ঈছা তেওঁৰ মাক, ভায়েক আৰু চাহাবীসকলৰ লগত এখন বিয়ালৈ আমন্ত্ৰিত হৈছিল। নাচৰতৰ পৰা কান্নালৈকে তেওঁলোকে দুঘন্টাৰ পথ খোজকাঢ়ি যাব লগা হৈছিল। ঈছা মছীহ তেওঁলোকৰ পূৰ্বৰ ওস্তাদ ইয়াহিয়াৰ দৰে হব পাৰে, এই ভাবি হয়তো ঈছা মছীহে সেই দাৱাত গ্ৰহণ নকৰিব বুলি তেওঁ আশা কৰিছিল। তেওঁলোকে ভাবিছিল ঈছা মছীহ তৃৰীকাদাতা ইয়াহিয়া আৰু তেওঁৰ মহান পূৰ্বপুৰুষ ইলিয়াছৰ জীৱন পদ্ধতি অনুসৰণ কৰিব, যি সকলে জাগতিক আনন্দ এৰাই চলিছিল আৰু কঠোৰ সন্ন্যাসী জীৱন যাপন কৰিছিল। তেওঁলোকে হয়তো ভাবিছিল যে ঈছা মছীহৰ দৰে এজন ধৰ্মীয় নেতাই সপ্তাহজোৰা এখন বিয়াৰ অনুষ্ঠানৰ পৰা আঁতৰি থাকিব, য'ত আনন্দ-স্ফূৰ্ত্তিৰ ভাবধাৰাই অনেক সময়ত ধৰ্মীয় ভাবধাৰাক আচ্ছন্ন কৰি পেলাব।

সমস্ত মানৱ জাতিৰ নাজাতদাতা, তৃৰীকাদাতা ইয়াহিয়াৰ দৰে হব নোৱাৰে; '**গুণাহগাৰসকলৰ কাৰণে দোজখৰ অগ্নি**' কেৱল এই কথা প্ৰচাৰ কৰি ধৰ্মৰ গুৰুগম্ভীৰ কঠোৰ দিশটো উপস্থিত কৰোৱাৰ উদ্দেশ্যে তেওঁ পৃথিৱীলৈ অহা নাছিল। তেওঁক মানৱ জাতিৰ সুখ-দুঃখৰ অংশী হব লগা হৈছিল, কাৰণ তেওঁ



**মই তোমালোকক অতি স্বৰূপকৈ কওঁ, তোমালোকে বেহেস্তৰ দৰ্জা মুকলি হোৱা, আৰু মানুহৰ পুত্ৰৰ ওপৰত খোদাৰ ফিৰিস্তাবিলাকক উঠা আৰু নমা দেখিবা।**

ইউহোন্না ১:৫১



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তিনি

## ঈছা মছীহৰ প্ৰথম অলৌকিক কাৰ্য

পাছে তিন দিনৰ দিনা গালীলৰ কান্না নগৰত এখন বিয়া হৈছিল আৰু ঈছাৰ মাক তাত আছিল। সেই বিয়ালৈ ঈছা আৰু তেওঁৰ চাহাবীসকলোকো দাৱাত দিয়া হৈছিল। পাছে আঙুৰৰ ৰস তাকৰ হোৱাত, ঈছাৰ মাকে তেওঁক কলে, "তেওঁবিলাকৰ আঙুৰ ৰস নাই।" ঈছাই তেওঁক কলে, "হে নাৰী, তোমাৰ লগত মোৰ কি কাম? মোৰ সময় এতিয়া নৌ হয়।" পাছে তেওঁৰ মাকে চাকৰহঁতক কলে, "এওঁ তহঁতক যিহকে কয়, তাকে কৰিবিহঁক।" সেই ঠাইতে ইহুদী ধৰ্মৰ নিয়ম অনুসাৰে শুচি হবৰ কাৰণে, দুই তিনি মোন পানী ধৰা, এনে ছয়টা শিলৰ মঠীয়া আছিল। ঈছাই সিহঁতক কলে, "মঠীয়াকেইটা পানীৰে পুৰ কৰা।" তাতে সিহঁতে সেইবোৰ কাণলৈকে পুৰ কৰিলে। পাছে তেওঁ সিহঁতক কলে, "এতিয়া উলিয়াই, ভোজৰ গৰাকীৰ তালৈ নিয়াহঁক।" তাতে সিহঁতে লৈ গল। ভোজৰ গৰাকীয়ে, আঙুৰ ৰস কৰা সেই পানী যেতিয়া চাকি চালে, তেতিয়া ভোজৰ গৰাকীয়ে দৰাক মাতি কলে, "সকলো লোকে প্ৰথমতে উত্তম আঙুৰ ৰসহে দিয়ে; আৰু ভালেমানে খোৱাৰ পাছত, তাতকৈ নৰম দিয়ে; কিন্তু তুমি এতিয়ালৈকে উত্তম আঙুৰ ৰস ৰাখিলা।" ঈছাই গালীলৰ কান্না নগৰত এই আচঁৰিত চিনৰ আৰম্ভণ কৰি, নিজৰ মহিমা প্ৰকাশ কৰিলে। (ইউহোন্না ২:১-১১)

ঈছা মছীহৰ আচঁৰিত কাৰ্যবোৰ আছিল ৰহমতৰ, অপকাৰৰ উদ্দেশ্যে নহয়। ঈছা মছীহৰ দ্বাৰা সম্পাদিত অলৌকিক কাৰ্যবোৰৰ মাজত দুটাত ক্ষতি বা বৈষয়িক



লোকচানৰ ফল উৎপন্ন হৈছিল, যাৰ উদ্দেশ্য আছিল আমাক আত্মিক শিক্ষা দান কৰা (লূক ৮:২৬-৩৩; মাৰ্ক ১১:১২-১৪, ২০-২৪)। তেওঁৰ নিজৰ স্বাৰ্থৰ উদ্দেশ্যে মছীহই কেতিয়াও কোনো আচঁৰিত কাৰ্য সম্পাদন কৰা নাছিল–মানুহবিলাকৰ চকু চাট মাৰি ধৰাবৰ বাবে বা তেওঁৰ ওপৰত ঈমান আনিবলৈ আকৰ্ষণ কৰাৰ কাৰণেও কৰা নাছিল। তাৰ পৰিবৰ্তে ঈমানদাৰবিলাকৰ ঈমান শক্তিশালী কৰাৰ উদ্দেশ্যেহে তেওঁ সেইবোৰ কৰিছিল, কাৰণ ইহুদীবিলাকক বিশ্বাস কৰাবৰ উদ্দেশ্যে আচঁৰিত কাৰ্য কৰিবলৈ তেওঁলোকৰ অনুৰোধক ঈছা মছীহে প্ৰত্যাখান কৰিছিল। তেওঁৰ সম্পাদিত প্ৰথম অলৌকিক কাৰ্যত তেওঁ তেওঁৰ মহিমা প্ৰকাশ কৰিছিল আৰু তেওঁৰ চাহাবীসকলে তেওঁৰ ওপৰত ঈমান আনিছিল। তেওঁৰ সকলো মোজেজাৰ মাজত গভীৰ অৰ্থ ও আত্মিক উদ্দেশ্য আছিল। সেইবোৰৰ মাধ্যমেদি তেওঁ তেওঁৰ চিন্তা, নীতি ও মহৎ শিক্ষাসমূহ, সুন্দৰ ও পবিত্ৰ গুনাৱলীবোৰ প্ৰকাশ কৰিছিল। তদুপৰি, তেওঁৰ আচঁৰিত কাৰ্যবোৰৰ বিৱৰণৰ অবিহনে আমি তেওঁৰ গতিবিধি আৰু ভ্ৰমণৰ বহুখিনি কথাই জানিব নোৱাৰিলোঁহেঁতেন। আকৌ সকলো মানুহৰ প্ৰতি তেওঁৰ কৰুণা বা সহানুভূতিৰ কথাও আমি নাজানিলোঁহেঁতেন, যিবিলাক তেওঁৰ আৰোগ্য সাধনৰ আৰু হাজাৰ হাজাৰ মানুহক খুওৱাৰ আচঁৰিত কাৰ্যবোৰৰ মাজেদি পৰিস্ফুট হৈছিল। কফৰনাহূমত জঠৰ ৰোগীজনক আৰোগ্য কৰাৰ সময়ত তেওঁ সেইজনৰ পাপ ক্ষমা কৰাৰ ক্ষমতাৰ বহিঃপ্ৰকাশ ঘটাইছিল। মছীহৰ জীৱনৰ পৰা যদি তেওঁৰ আচঁৰিত কাৰ্যবোৰ আঁতৰাই পেলোৱা হয়, তেন্তে স্বয়ং ইঞ্জিলৰ গঠন-প্ৰকৃতিয়েই ছিন্নভিন্ন হৈ বিৱৰণবোৰ অসংলগ্ন হব। তাৰ বাহিৰেও, তেওঁৰ আচৰিত কাৰ্যবোৰে তেওঁ যে বেহেস্তৰ পৰা নামি আহিছে, এই দাবীকে সমৰ্থন কৰিছে। তেওঁৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(নিৰূপিত উদ্দেশ্যৰ) প্ৰমাণ দিব লাগিব।

ঈছা মছীহে তেওঁৰ ক্ষমতা বিচাৰ কৰাৰ অধিকাৰ সেই দুষ্ট লোকবোৰক দিয়াৰ কথাত নতি স্বীকাৰ কৰা নাছিল। তেওঁ তেওঁলোকক কোনো সুযোগ দিয়া নাছিল; তেওঁ সম্পূৰ্ণ নীৰৱ আছিল। ইয়াৰ অৰ্থ আছিল এই যে, স্বয়ং তেওঁৰ ব্যক্তিত্বই সেই মোজেজা আছিল; দৰাচলতে সেয়ে শ্ৰেষ্ঠতম মোজেজা আছিল। তাক জানিবলৈ বিচাৰিলে তেওঁলোকে তেওঁক হত্যা কৰিব লাগিব আৰু তিনি দিনৰ দিনা তেওঁ মৃতবিলাকৰ মাজৰ পৰা পুনৰুত্থিত হব। তেওঁ কৈছিল, "তোমালোকে এই এবাদতখানা ভাঙি পেলোৱা, মই তিনি দিনত তাক তুলিম।"

তেওঁলোকৰ অন্তৰ কঠিন নোহোৱা হলে প্ৰধান ইমামবিলাকে ঈছা মছীহৰ কথাৰ অৰ্থ বুজিব পাৰিলেহেঁতেন। নবী ইছায়াৰ এই কথাবোৰৰ প্ৰতিও সযত্ন মনোনিবেশ কৰিববলৈ তেওঁলোক ব্যৰ্থ হৈছিল:

"আচ্‌মান মোৰ সিংহাসন,
আৰু পৃথিৱী মোৰ ভৰি-পীৰা;
তোমালোকে মোৰ নিমিত্তে
কেনেকুৱা গৃহ নিৰ্মাণ কৰিবা ?
কোন ঠাই মোৰ জিৰণিৰ ঠাই হব ?
কিয়নো এই সকলোকে
মোৰ হাতে নিৰ্মাণ কৰিলে,
এই নিমিত্তে এই সকলো হল,
ইয়াক মাবুদে কৈছে;
কিন্তু এজনলৈহে, দুখীয়া, ভগ্ন-চিত্তীয়া
আৰু মোৰ কালামত কঁপা
এনে মানুহলৈহে মই দৃষ্টি কৰিম।"

(ইছায়া ৬৬:১-২)

ৰছুল স্তিফানে উক্ত কথাবোৰ ব্যাখ্যা কৰিছিল,



তেওঁৰ মানবিক পৰিচালনা ঈছা মছীহৰ আৰু প্ৰয়োজন নাছিল। তেওঁৰ এই মৃদু ভৰ্ৎসনা মৰিয়মে মানি লৈছিল আৰু সশ্ৰদ্ধভাৱে তেওঁৰ প্ৰতি বিনয়ী হৈ, তেওঁৰ বাধ্য হবলৈ চাকৰবিলাকক পৰামৰ্শ দিছিল।

ঈছা মছীহে জানিছিল, অলৌকিক কাৰ্য কৰাৰ সময় হৈ আহিছে। সেই বাবে উপস্থিত লোকবিলাকক তেওঁ তেওঁৰ কাৰ্য ও ক্ষমতা দেখুৱাইছিল। প্ৰত্যেকে, বিশেষকৈ তেওঁৰ চাহাবীসকলে জানিছিল যে, মানৱৰূপ গ্ৰহণ বা নিজকে অবনত কৰা তেওঁ নিজে বাছি লৈছিল, তাক কৰিববলৈ তেওঁক বাধ্য কৰা হোৱা নাছিল। তেওঁ তেওঁৰ উম্মতবিলাকক তেওঁলোকৰ ঈমানত প্ৰতিষ্ঠিত কৰিববলৈ বিচাৰিছিল। তদুপৰি তেওঁ এনে এক খ্যাতি গঢ়ি তুলিববলৈ বিচাৰিছিল, যিয়ে অসংখ্য জনতাক তেওঁৰ শিক্ষা শুনিববলৈ আকৰ্ষণ কৰিব। তেওঁৰ ওপৰত ঈমানৰ দ্বাৰা নাজাত গ্ৰহণ কৰিববলৈ তেওঁ তেওঁলোকক আমন্ত্ৰণ কৰিছিল। সমগ্ৰ মানৱজাতিৰ প্ৰতি আৰু তেওঁক পঠোৱা পিতাৰ প্ৰতি তেওঁ তেওঁৰ মহব্বত কাৰ্যতঃ প্ৰকাশ কৰিববলৈ বিচাৰিছিল।

নিমন্ত্ৰিত অতিথিৰ বাবে আঙুৰৰ ৰস কম হোৱাৰ বাবে বিয়াঘৰৰ লোকবিলাক বিব্ৰত হোৱাৰ পৰা ঈছা মছীহে ৰক্ষা কৰিববলৈ বিচাৰিছিল। শিলৰ শূণ্য পাত্ৰৰ পৰা তেওঁ আঙুৰৰ ৰস তৈয়াৰ কৰিছিল এই কথা প্ৰমাণ কৰিববলৈ যে, সেয়া সাধাৰণ পানীৰ পৰাই তৈয়াৰ কৰা হৈছিল, পানী মিহলোৱা আঙুৰ ৰসৰ পৰা নহয়। তেওঁ ডাঙৰ ডাঙৰ শিলৰ মঠীয়াবোৰ বাছি লৈছিল যাতে বাহিৰৰ পৰা তেওঁ আঙুৰৰ ৰস আনিছিল এনে কোনো ধাৰণা তেওঁ এৰাব পাৰে। নিজৰ শিষ্যবিলাকক নহয়, কিন্তু চাকৰবিলাককে তেওঁ তাক পৰিবেশন কৰিববলৈ কৈছিল, যাতে কোনেও ভাবিব নোৱাৰে যে, তেওঁ তেওঁলোকক প্ৰতাৰিত কৰিছে। চাকৰবিলাককে তেওঁ পাত্ৰবোৰ পূৰ্ণ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিবলৈ কৈছিল যাতে, কোনেও এনে অভিযোগ তুলিব নোৱাৰে যে তেওঁলোকে পানীৰ লগত আঙুৰৰ ৰস মিহলাইছে।

এই আচঁৰিত কাৰ্য নগৰৰ বহু সংখ্যক লোকে প্ৰত্যক্ষ কৰিছিল আৰু তাৰ মাজত সেই চাকৰবিলাকো আছিল যিবিলাকৰ ইতিপূৰ্বে ঈছা মছীহৰ লগত সাক্ষাত ঘটা নাছিল। প্ৰতাৰণাৰ বাবে তেওঁলোক প্ৰত্যেকে একমত হৈছিল এনে কথা অকল্পনীয়। এজন দায়িত্বশীল ব্যক্তিয়ে আঙুৰ ৰসৰ উচ্চ মানৰ যথাৰ্থতা অনুমোদন কৰিছিল। ভোজৰ গৰাকীয়ে সকলোকে জনাই দিছিল যে, এটা অলৌকিক কাৰ্য সম্পন্ন হৈছে আৰু সেই সুস্বাদু আঙুৰ ৰস লৈ মানুহবিলাকে আলোচনা কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰত্যেকে আবিস্কাৰ কৰিছিল যে ঈছা মছীহে এটা মোজেজা সম্পাদন কৰিছে, আৰু ইয়াৰ ফলস্বৰূপে, *"ঈছাই…নিজৰ মহিমা প্ৰকাশ কৰিলে; আৰু তেওঁৰ শিষ্যবিলাকে তেওঁত ঈমান আনিলে'* (ইউহোন্না ২:১১)।

ৰছুল ইউহোন্নাই একমাত্ৰ ব্যক্তি যিজনে এই ঘটনাটো বৰ্ণনা কৰিছে আৰু ঈছা মছীহৰ সম্বন্ধে তেওঁ কৈছে, *"আৰু যি যি হল, সেইবোৰৰ এটাও তেওঁৰ বিনে নহল"* (ইউহোন্না ১:৩)। তেন্তে, প্ৰাকৃতিক প্ৰক্ৰিয়াত যিজনে আঙুৰ-লতাৰ মাজত পানীক আঙুৰ-ৰসত পৰিণত কৰিব পাৰে, তেওঁ অলৌকিক উপায়েৰে পানীক আঙুৰ ৰসত পৰিণত কৰিব পাৰে–ইয়াত বিস্মিত হোৱাৰ কোনো হেতু নাই।

মানুহবিলাকে আচঁৰিত কাৰ্যটোৰ অকৃত্ৰিমতা সম্বন্ধে সুনিশ্চিত আছিল, কাৰণ তেওঁলোকে সেই আঙুৰ ৰস দেখিছিল, চাকি চাইছিল আৰু তাৰ ঘ্ৰাণ লৈছিল। এই আচঁৰিত কাৰ্যই মছীহৰ কাৰ্যৰ দৰ্শনটি ব্যক্ত কৰে, কাৰণ তেৱেঁই সেই ব্যক্তি যিজনে উত্তমক সৰ্বোত্তমত ৰূপান্তৰিত কৰে। তৌৰাতৰ শৰীয়তক তেওঁ ৰহমতৰ



পাৰিছিল, অথবা এনে ধৰণৰ কাম কৰিবলৈ আৰম্ভ কৰি তাক কেনেকৈ তেওঁৰ পক্ষে সফলভাৱে শেষ কৰা সম্ভৱ হৈছিল? তাৰ উত্তৰ হল এই–মানুহবোৰৰ বিবেকে তেওঁক সফল হবলৈ সহায় কৰিছিল, কাৰণ পাপীবিলাক তেওঁলোকৰ নিজ বিবেকৰ আৰু অন্যান্যবোৰৰ আগত স্বভাৱতে ভীৰু, অথচ এজন ধাৰ্মিক ব্যক্তি সাহসী হৈ থাকে। জ্ঞানীশ্ৰেষ্ঠ চুলেইমানে কৈছে, *"কোনোৱে খেদি নিনিলেও দুষ্ট লোক পলায়; কিন্তু ধাৰ্মিকবিলাকে সিংহৰ দৰে সাহ কৰে"* (মেছাল ২৮:১)। এবাদতখানাৰ চলাওঁতাবিলাক আৰু ব্যৱসায়ীবিলাকৰ বিবেকসমূহে ঈছা মছীহক তেওঁৰ কাৰ্যত সাহায্য কৰিছিল। সেইবাবে, তেওঁ যেতিয়া কৰ্তৃত্বৰ সৈতে তেওঁৰ পিতৃৰ ঘৰক ব্যৱসায়ৰ ঘৰলৈ পৰিণত কৰাৰ পৰা নিৰস্ত হবলৈ তেওঁলোকক আদেশ কৰিছিল, তেতিয়া তেওঁলোক তেওঁৰ বশীভূত হৈছিল। তাৰোপৰি, তেওঁৰ সম্পৰ্কে তুৰীকাদাতা ইয়াহিয়াৰ সাক্ষ্যয়ো এবাদতখানাৰ পৰা ব্যৱসায়ীবিলাকক খেদাই দিয়াৰ তেওঁৰ অধিকাৰক যৰ্থাথ বুলি অনুমোদন কৰিছিল। ইয়াৰ পূৰ্বে ধৰ্মীয় নেতাবিলাকে ঈছা মছীহ সম্বন্ধে খা-খবৰ লবলৈ তুৰীকাদাতা ইয়াহিয়াৰ ওচৰলৈ কেইজনমান প্ৰতিনিধি পঠিয়াইছিল। এনেকুৱাও হব পাৰে কান্না নগৰত ঈছা মছীহে সম্পন্ন কৰা মোজেজা সম্বন্ধে তেওঁলোকে শুনিবলৈ পাইছিল যিয়ে তেওঁৰ ৰূহানী ক্ষমতাৰ সত্যতা নিশ্চিত কৰে।

প্ৰধান ইমামসকলে এই কথা কৈ তেওঁৰ কাৰ্যৰ প্ৰতি আপত্তি জনাই সন্তুষ্ট থাকিছিল যে, কোনো নবী খোদা-প্ৰেৰিত ৰছুল নহলে এবাদতখানাৰ বিভিন্ন ব্যৱস্থাদিৰ মাজত হস্তক্ষেপ কৰাৰ তেওঁৰ সাহস নাথাকে। তেওঁ যদি বাস্তৱিকতে তেনে এজন হয়, তেন্তে সকলোৱে আগত এটি চিহ্নৰ কাৰ্যৰ দ্বাৰাই তেওঁক তেওঁৰ আচমানী মিশ্যনৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কোৱা কথাতো বিশ্বাস কৰিলে। পাছে ঈদুল ফেচাখৰ সময়ত, তেওঁ জেৰুজালেমত থকাৰ সময়ত, বহু মানুহে তেওঁ দেখুউৱা আচঁৰিত চিন দেখি, তেওঁত ঈমান আনিলে। কিন্তু ঈছাই তেওঁবিলাকত নিজৰ বিশ্বাস স্থাপন নকৰিলে, কাৰণ তেওঁ সকলোকে জানিলে। ‘*আৰু মানুহৰ বিষয়ে কোনোৱে সাক্ষ্য দিবলৈকো তেওঁৰ প্ৰয়োজন নাছিল; কিয়নো মানুহৰ মনত কি আছে, তাক তেওঁ নিজে জানিলে।*’ (ইউহোন্না ২:১২-২৫)

ঈছা মছীহ এই কাৰণে ক্ৰুদ্ধ হৈছিল যে, ইহুদী নেতাবিলাকে এবাদতৰ স্থানটিক দস্যুবোৰৰ গহ্বৰলৈ পৰিণত কৰিছিল। ক্ৰুদ্ধ হৈ ঈছা মছীহে এবাদতখানা পৰিস্কাৰ কৰিছিল, যি আছিল মানুহৰ অন্তৰ পৰিস্কাৰ কৰাৰ প্ৰস্তুতিৰ প্ৰতীক। মানুহৰ অন্তৰেই প্ৰকৃততে খোদাৰ এবাদত-খানা।

খোদাৰ বাকী সকলো লোকৰ পৰা নিজকে পৃথক কৰি যিজনে খোদাৰ এবাদত-খানাক “**মোৰ পিতৃৰ ঘৰ**” বুলি কৈছিল, সেই ব্যক্তিজন কোন আছিল? কোনো নবী, ৰছুল বা বেহেস্তৰ পৰা নমা কোনো ফিৰিস্তাই কেতিয়াবা এনে কথা কৈছিল নে? এবাদতখানাৰ ভীৰৰ মাজত থিয় হৈ যি জনে পথ পৰিস্কাৰ কৰিবলৈ তেওঁলোকক আদেশ দিছিল – সেই ব্যক্তিজন কোন? পৰ্বৰ যি সময়ত বজাৰ একেবাৰে গৰম সেই সময়ত ধৰ্মীয় নেতা আৰু ব্যৱসায়ীবোৰৰ স্বাৰ্থত কেনেকৈ তেওঁ আঘাত কৰিব পাৰিছিল? ৰোমীয় চৰকাৰৰ পৰাক্ৰমৰ দ্বাৰা সমৰ্থন লাভ কৰা সমগ্ৰ ইহুদী জাতিৰ নেতৃত্বৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শনৰ সাহস তেওঁ ক'ৰ পৰা পাইছিল? যি স্থানত বহুসংখ্যক ইমাম আৰু নেতাই তেওঁলোকৰ ধৰ্মীয় কৰ্ত্তব্যাদি সম্পন্ন কৰিবলৈ প্ৰতিদিনে অহা-যোৱা কৰিছিল, সেই স্থানত ঈছা মছীহৰ পক্ষে এনে ধৰণৰ কাৰ্য কৰা কেনেকৈ সম্ভৱ হৈছিল?

কেনেকৈ ঈছা মছীহে এনে ধৰণৰ কাম কৰিব



নতুন নিয়মত পৰিণত কৰিছে। অনুৰূপভাৱে, পানীৰ ত্বৰীকাক তেওঁ পাক‘ ৰূহৰ ত্বৰীকাত সম্প্ৰসাৰিত কৰিছে আৰু ধৰ্মীয় নিৰ্দেশনাৰ বাণীবোৰৰ লগত তেওঁ তেওঁৰ উম্মতসকলৰ বাবে নাজাতৰ অনন্তকলীয়া পেয়ালা যুক্ত কৰিছে।

এখন বিয়াঘৰত ঈছা মছীহৰ প্ৰথম অলৌকিক কাৰ্যটি সম্পাদিত হৈছিল। এইদৰে মানৱজাতিৰ প্ৰাচীন বিধান বিয়াৰ অনুশাসনক তেওঁ পবিত্ৰীকৃত আৰু বিভূষিত কৰিছিল। এদনবাৰীত খোদাই তাক আৰম্ভ কৰিছিল যেতিয়া আমাৰ আদি পিতৃ-মাতৃ সম্পূৰ্ণ নিৰ্দোষ অৱস্থাত আছিল। অন্যান্য সকলো অনুশাসন তেওঁলোকৰ পতনৰ পিছতহে আহিছে। যদিও ঈছা মছীহে নিজে বিয়া কৰোৱা নাছিল, কিন্তু বিয়াত তেওঁৰ উপস্থিতিয়ে এই সামাজিক বিধানটোৰ প্ৰতি তেওঁৰ সমৰ্থন ব্যক্ত কৰে। কান্নাৰ বিয়াঘৰত তেওঁৰ উপস্থিতিয়ে এই কথাখিনিৰ যথাৰ্থতা অনুমোদন কৰিছে, “*সকলোৰে মাজত বিবাহ আদৰণীয় হওক*” (ইব্ৰী ১৩:৪)। বহুতে ইয়াৰ বিপৰীত মতো পোষণ কৰে, তেওঁলোকৰ এই ক্ষতিকৰ অভিমতটোৱেও তাক খণ্ডন কৰে যে, মানৱ প্ৰকৃতিৰ দুৰ্বলতাৰ কাৰণে এটা সাৰিবৰ উপায়স্বৰূপ আৰু মানৱ জাতিক মন্দতাৰ পৰা দূৰত ৰখাৰ উদ্দেশ্যে তাক বিধিবদ্ধ কৰা হৈছে। এই অভিমতৰ লগত এই ধৰণৰ ধাৰণা আহিছে–বিয়াৰ পৰা বিৰত থকা ধাৰ্মিকতা স্বৰূপ। এনে ধৰণৰ ভ্ৰান্ত ধাৰণাৰ ফলত কোনো কোনোৱে বিয়াক অৱজ্ঞা কৰিছিল আৰু কৌমাৰ্যব্ৰতক উচ্চ সন্মানেৰে তুলি ধৰিছিল। বিয়াঘৰত ঈছা মছীহৰ উপস্থিতিয়ে এনে ধৰণৰ ভ্ৰান্ত ধাৰণাৰ প্ৰতি বিপৰীত ভাৱ ব্যক্ত কৰে; একেদৰে, আদম আৰু হাৱাক খোদাই দিয়া এই আদেশেও সেইবোৰৰ প্ৰতি বিৰুদ্ধ ভাৱ প্ৰকাশ কৰে, “*তোমালোক বহুবংশ হোৱা আৰু বাঢ়ি বাঢ়ি*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*দুনিয়াখন পৰিপূৰ্ণ কৰা আৰু তাক বশীভূত কৰা'* (পয়দায়েশ ১:২৮)।

যিবিলাকৰ বিয়া 'প্ৰভুত' হয়, বিশ্বাসীবিলাকৰ সেই প্ৰতিখন বিয়াত ঈছা মছীহৰ উপস্থিতিৰ এটি উত্তম উদাহৰণ কান্না নগৰৰ বিয়াঘৰত ঈছা মছীহৰ উপস্থিতিত পোৱা যায়। শেষৰ দিনত আমি মছীহৰ বিবাহৰ মহা উৎসৱ উদ্‌যাপন কৰিম যিজনে কান্না নগৰৰ বিয়াঘৰত পানীক আঙুৰ ৰসত ৰূপান্তৰিত কৰিছিল। এই আচ্‌মানী 'দৰা'ই (ঈছা মছীহে) যেতিয়া তেওঁৰ ৰাজকীয় সিংহাসনত বহিব, তেতিয়া সমস্ত ঈমানদাৰক লৈ গঠিত তেওঁৰ প্ৰীতিজনক জামাত হব তেওঁৰ কন্যা। সেই বিয়াৰ ভোজ মাত্ৰ সাত দিন স্থায়ী নহব, কিন্তু অনন্তকাল থাকিব। *'মেৰ পোৱালীৰ বিয়াৰ ভোজত যোগ দিবৰ বাবে আমন্ত্ৰিতবিলাক ধন্য।'* (প্ৰকাশিত কালাম ১৯:১-১০)

বিয়াক সন্মান কৰিলে আমি পাৰিবাৰিক সম্পৰ্ককো সন্মান কৰোঁ। ঈছা মছীহ আৰু তেওঁৰ চাহাবীসকলৰ পৰিচৰ্যাত লাগি থাকিবলৈ তেওঁলোক পাৰিবাৰিক দায়িত্বৰ প্ৰতি কিছু পৰিমাণে অৱহেলা কৰিব লগা হৈছিল। কিন্তু, কিছু পৰিমাণে যেন এই ভাৰসাম্যহীনতাক সংশোধন কৰাৰ উদ্দেশ্যে পাৰিবাৰিক সম্পৰ্কৰ প্ৰতি তেওঁৰ উচ্চ শ্ৰদ্ধাবোধ প্ৰকাশ কৰিবলৈ তেওঁৰ পৰিচৰ্যাৰ আৰম্ভনিতেই তেওঁ এখন বিয়াৰ অনুষ্ঠানত যোগ দিছিল। একেলগে, আত্মিক সহভাগিতাক তেওঁ আৰু উচ্চ, আৰু মহৎ স্থানত স্থাপন কৰিছিল, কাৰণ সেয়ে সৃষ্টিকৰ্ত্তা খোদাৰ লগত মানুহৰ যোগাযোগ ঘটায়; তেওঁলোকৰ নাজাতদাতা মছীহৰ লগত যোগাযোগ ঘটায় আৰু অৱশিষ্ট মানৱ জাতিৰ ভিতৰত যিবিলাক অভিন্ন ঈমানৰ অংশী, সেইবিলাক ৰূহানী ভাই-ভনীৰ সৈতে সেয়ে তেওঁলোকক সম্পৰ্কযুক্ত কৰে।



চাৰি

# ঈছা মছীহে এবাদতখানা পৰিষ্কাৰ কৰিলে

তাৰ পাছত ঈছা, তেওঁৰ মাক, ভায়েকহঁত আৰু চাহাবীসকলে সৈতে কফৰনাহূমলৈ গল, কিন্তু তাত বেচি দিন নাথাকিল। তেতিয়া ইহুদীসকলৰ ঈদুল ফেচাখৰ সময় ওচৰ হলত, ঈছা জেৰুজালেমলৈ গল। তাতে এবাদতখানাত গৰু, ভেড়া, কবুতৰ বেচা আৰু ধন সলোৱাবোৰক দেখি, তেওঁ জৰীৰে এডাল চাবুক সাজি, গৰু ভেড়াৰে সৈতে সেই আটাইবোৰকে এবাদতখানাৰ পৰা খেদাই দিলে। ধন সলোৱাবোৰৰ ধন বাকি পেলাই, মেজো লুটিয়ালে আৰু কবুতৰ বেচাবিলাকক কলে, "ইয়াৰ পৰা এইবোৰ লৈ যোৱা; মোৰ পিতৃৰ ঘৰ বেপাৰৰ ঘৰ নকৰিবা।" তেতিয়া, 'তোমাৰ গৃহলৈ মোৰ যি উৎসাহ সেয়ে মোক গ্ৰাস কৰিব,' এই কথা যে লিখা আছে, তাক চাহাবীসকলৰ মনত পৰিল। তাতে ইহুদীবিলাকে উত্তৰ দি তেওঁক কলে, "তুমি যে এইবোৰ কাম কৰিছা, তাৰ বাবে আমাক কি চিন দেখুৱাইছা ?" ঈছাই উত্তৰ দি তেওঁলোকক কলে, "তোমালোকে এই এবাদতখানা ভাঙি পেলোৱা, মই তিনি দিনত তাক তুলিম।" তাতে ইহুদীবিলাকে কলে, "এই এবাদতখানা ছয়চল্লিশ বছৰত সজা হল; তুমি নো তাক তিনি দিনতে তুলিবা নে ?" কিন্তু তেওঁ নিজৰ দেহ-এবাদতখানাৰ বিষয়েহে এই কথা কৈছিল। এতেকে যেতিয়া তেওঁক মৃতবিলাকৰ মাজৰ পৰা তোলা হল, তেতিয়া, তেওঁ যে এই কথা কৈছিল, চাহাবীবিলাকে তাক সুঁৱৰি, পাক কিতাবত আৰু ঈছাই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ব্যক্তিৰ প্ৰতি সন্মানত প্ৰত্যেকে উঠি থিয় হৈছিল। এই বিশিষ্ট পৰিদৰ্শকজনে আলোচনা আৰম্ভ কৰা আৰু তেওঁৰ আগমণৰ উদ্দেশ্য ব্যক্ত কৰা পৰ্যন্ত ঈছা মছীহ আৰু তেওঁৰ চাহাবীসকলে অপেক্ষা কৰিব লগা হৈছিল। নীকদীমে কথা কোৱাৰ সময়ত ঈছা মছীহৰ প্ৰতি ব্যক্তিগত শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। তেওঁৰ প্ৰতি তেওঁ ‘**ৰব্বি**’ শব্দটো ব্যৱহাৰ কৰিছিল যাৰ অৰ্থ গুৰু (ওস্তাদ)। ইহুদীবিলাকৰ মাজত এইটোৱেই সৰ্বোচ্চ ধৰ্মীয় খিতাব আছিল। ধৰ্মতত্ত্বৰ প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হোৱাবিলাকক এই খিতাব দিয়া হৈছিল। কিন্তু কোনো ধৰ্মতত্ত্বৰ প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ নোহোৱা, এনে কি কোনো প্ৰতিষ্ঠানত ভৰ্ত্তিও নোহোৱা এজন যুৱকক নীকদীমে এই খিতাবটো দিব বুলি কোনেও আশা কৰা নাছিল। তাৰ পিছত নীকদীমে তেওঁৰ স্বীকাৰোক্তি কৰিছিল, “ৰব্বি, আপুনি যে খোদাৰ পৰা অহা এজন আলেম, তাক আমি জানোঁ…।” এই কথা স্বীকাৰ কৰাৰ দ্বাৰাই তেওঁৰ জাতিৰ অন্যান্য ‘ৰব্বিবিলাক’তকৈ ঈছা মছীহক নীকদীমে আৰু অনেক উচ্চ স্থানত উন্নীত কৰিছিল। এই আলেম, ওস্তাদসকলে খোদা প্ৰেৰিত নহয়, তেওঁলোকৰ ধৰ্মীয় শাসকবিলাক আৰু শিক্ষাপীঠৰ পৰাহে তেওঁলোকে খিতাব লৈছিল। তাৰ পিছত, তেওঁ তেওঁৰ মতটোক প্ৰমাণৰ দ্বাৰাই সমৰ্থন কৰিছিল, এজন জ্ঞানী লোক স্বৰূপে দৃঢ় যুক্তি নাথাকিলে তেওঁ কোনো কথাকে স্বীকাৰ কৰি নলৈছিল। তেওঁ কৈছিল, মছীহই যিবোৰ আচৰিত কাৰ্য কৰিছিল, খোদা লগত নাথাকিলে কাৰো পক্ষে সেইবোৰ কৰা সম্ভৱ নহয়। নীকদীমে বিচাৰি উলিয়াবলৈ আহিছিল যে এই নতুন শিক্ষাগুৰুৱেই ঈছা মছীহ হয় নে নহয়।

ঈছা মছীহৰ উত্তৰৰ পৰা আমি দেখিবলৈ পাওঁ– নিজৰ সম্বন্ধে নীকদীম গৰ্বিত আছিল আৰু তেওঁৰ



যেতিয়া তেওঁ কৈছিল, “…তথাপি খোদাতালা হাতেৰে নিৰ্মাণ কৰা গৃহত বাস নকৰে” (প্ৰেৰিত ৭:৪৮)। যিবিলাকে ঈছা মছীহৰ উত্তৰ বুজিব পৰা নাছিল, সেয়ে তেওঁলোকক ক্ৰুদ্ধ কৰি তুলিছিল, কাৰণ “তোমালোকে এই এবাদতখানা ভাঙি পেলোৱা” উক্তিক তেওঁলোকে সম্পূৰ্ণৰূপে খোদাৰ নিন্দা বুলি ধৰি লৈছিল।

এবাদতখানা ভাঙি পেলোৱাৰ সম্বন্ধে ঈছা মছীহে যি কৈছিল সেয়া অৱশ্যে তেওঁৰ চাহাবীসকলৰ বাবেও অতি স্পষ্ট নাছিল। ইহুদীবিলাকে তেওঁক সলীবত হত্যা কৰা আৰু তৃতীয় দিনা মৃতবিলাকৰ মাজৰ পৰা পুনৰুত্থিত হোৱাৰ আগলৈকে তেওঁলোকে তেওঁৰ এই কথা বুজিব পৰা নাছিল। পুনৰুত্থিত হোৱাৰ পিছতহে বুজিব পাৰিছিল যে এবাদতখানা তেওঁৰ দেহৰ প্ৰতীক স্বৰূপ আছিল। তাৰ পিছৰ পৰাই তেওঁলোকৰ ওস্তাদৰ ওপৰত তেওঁলোকৰ ঈমান বদ্ধমূল হৈছিল, যদিও তেওঁৰ নিজৰ জাতিয়ে তেওঁক প্ৰত্যাখ্যান কৰিছিল। তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল যে, মানুহবিলাকৰ মুৰব্বীসকলৰ প্ৰতি বিৰোধীতাত তেওঁ যি সাহস দেখুৱাইছিল, সেয়া আছিল নবী দাউদৰ এই উক্তিৰে পূৰ্ণতাস্বৰূপ, “কিয়নো তোমাৰ গৃহৰ নিমিত্তে হোৱা মোৰ উৎসাহ-অগ্নিয়ে মোক গ্ৰাস কৰিলে…” (জবুৰ ৬৯:৯)।

তিনি বছৰৰ পিছত ঈছা মছীহৰ উত্তৰটো শাসকসকলৰ মনত পৰিছিল, যিটো তেওঁলোকে তেওঁক হত্যা কৰাৰ এটি ওজৰ হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ ওপৰত প্ৰতিশোধ লোৱাৰ পিছত একে কথাৰেই তেওঁলোকে তেওঁক বিদ্ৰূপ কৰিছিল। তেওঁৰ পুনৰুত্থান নিৱাৰণ কৰিবলৈ পিলাতৰ ওচৰত ঈছা মছীহৰ কবৰত এজন প্ৰহৰী খুজিবৰ সময়তো তেওঁলোকে একে উদ্ধৃতি দিছিল। এই কথাবোৰে তেওঁলোকৰ হৃদয়ত ঘৃণাৰ অগ্নি প্ৰজ্বলিত কৰি সেই ভৱিষ্যদ্বাণীৰ পৰিপূৰ্ণতা সাধন কৰিছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যিহেতু এইটোৱেই প্ৰথম ঘটনা য'ত আমি ঈছা মছীহক ক্ৰুদ্ধ দেখিবলৈ পাওঁ, এই কাৰণে আমি প্ৰশ্ন কৰিব পাৰোঁ, “তেওঁৰ সম্পূৰ্ণ সিদ্ধতাৰ সৈতে এই ক্ৰোধ কি ধৰণে সংগতিপূৰ্ণ?” উত্তৰটো হল এই– ক্ৰোধ এটা গুণাহ হব পাৰে, ঠিক যেনেকৈ দয়া এটা অপৰাধ হব পাৰে! পবিত্ৰ ক্ৰোধৰ এটা চৰ্ত্ত হৈছে ই সকলো ধৰণৰ স্বাৰ্থপৰ চিন্তা অথবা অশোভনীয়তাৰ পৰা মুক্ত হব লাগিব। ৰছুল পৌলে কৈছে, “*তোমালোকে ক্ৰুদ্ধ হৈ পাপ নকৰিবা; বেলি মাৰ নৌ যাওঁতেই তোমালোকৰ কোপ শান্ত হওক; আৰু চয়তানক ঠাই নিদিবা*” (ইফিচীয় ৪:২৬)। এই পবিত্ৰ স্থানখন যেতিয়া অপবিত্ৰ কৰা হৈছিল, তেতিয়া আমি ঈছা মছীহক ক্ৰোধান্বিত হোৱা দেখিছোঁ, কাৰণ সেয়া আছিল এই মৰ্ত্তজগতত পবিত্ৰ খোদাৰ প্ৰতীকছবি। খোদাৰ নাম, তেওঁৰ গৃহ, তেওঁৰ দিন, তেওঁৰ বাণী আৰু তেওঁৰ খেদমতকাৰীবিলাক পবিত্ৰ। পবিত্ৰ খোদাৰ কাৰণে তেওঁবিলাকক সন্মান কৰা উচিত। এইবোৰ বিষয় যিবিলাকে পাতলভাৱে গ্ৰহণ কৰিব তেওঁলোক খোদাৰ ক্ৰোধাগ্নিত পতিত হব, যেনেকৈ এবাদতখানা না-পাক কৰা বিলাকৰ ক্ষেত্ৰত ঘটিছিল।

মছীহৰ ক্ৰোধান্বিত হোৱাৰ আৰু এটি কাৰণ আছিল যে, মানুহবিলাকে অৰ্থ ভাল পাইছিল, যি ইঞ্জিল শৰীফ অনুসৰি সকলো ধৰণৰ মন্দতাৰ উৎস। “*ধন-লোভেই সকলো মন্দৰ মূল*” (১ তীমথিয় ৬:৯খ)। “**মোৰ পিতৃৰ ঘৰ বেপাৰৰ ঘৰ নকৰিবা**” ঈছা মছীহৰ এই উক্তিয়ে স্পষ্ট কৰি তুলিছিল যে, ব্যৱসায়িক লাভে তেওঁলোকৰ অন্তৰৰ পৰা খোদাৰ প্ৰতি মহব্বতক স্থানচ্যুত কৰি পেলাইছিল। “*কোনেও দুজনা গৰাকীত খাটিব নোৱাৰে; কিয়নো তেওঁ এজনক ঘিণ কৰি, আনজনক ভাল পাব; নাইবা এজনত আসক্ত হৈ, আনজনক হেয়জ্ঞান কৰিব; তোমালোকে খোদা আৰু*



ইহুদীয়ে ঈছা মছীহৰ লগত দেখা কৰিবলৈ আহিছিল। তেওঁৰ খিতাব আছিল ‘ইহুদীবিলাকৰ ওস্তাদ’ আৰু ‘ইহুদীবিলাকৰ শাসনকৰ্ত্তা’। সত্তৰজন আলেমেৰে গঠিত ইহুদী শাসন পৰিষদ (ছেনহেড্ৰিন’)ৰ তেওঁ এজন অন্যতম সভ্য আছিল। মছীহৰ জীৱনত নীকদীম এজন গুৰুত্বপূৰ্ণ ব্যক্তি আছিল, কাৰণ ঈছাৰ শিক্ষাৰ দ্বাৰা প্ৰভাৱিত হোৱা সভ্যবিলাকৰ ভিতৰত তেৱেঁই প্ৰথম ব্যক্তি আছিল, আৰু মছীহৰ মুখৰ পৰা তেওঁৰ প্ৰথম ধৰ্মীয় ভাষণ উলিওৱাত তেৱেঁই দায়ী আছিল। ধৰ্মৰ মৌলিক নীতিৰ ওপৰত কেন্দ্ৰীভূত এনে এটি ভাষণ যি কোনো ব্যক্তিৰেই কাম্য।

কফৰনাহূমৰ পৰা উভটি অহাৰ পিছত, সেই সন্ধিয়া তেওঁলোকে আতিথ্য গ্ৰহণ কৰা ঘৰত ঈছা মছীহ আৰু তেওঁৰ শিষ্যবিলাকৰ কথা আমি কল্পনা কৰি লব পাৰোঁ। তাত নীকদীম হঠাতে আহি উপস্থিত হোৱাত এক চাঞ্চল্যৰ সৃষ্টি হৈছিল। ফৰীচী হিচাপে তেওঁ তেওঁলোকৰেই এজন আছিল যি সকলে সগৰ্বে তেওঁলোকৰ মূৰৰ আৱৰণ আৰু সাজপাৰৰ অন্যান্য দৃশ্যমান চিহ্নবোৰ প্ৰদৰ্শন কৰিছিল। তেওঁ যেতিয়া ইফালে সিফালে চলা-ফুৰা কৰিছিল, তেতিয়া তেওঁক মহা সন্মানৰ সৈতে সম্বৰ্ধনা জনোৱা হৈছিল, কাৰণ তেওঁৰ ব্যক্তিত্বত তেওঁ ঐশ্বৰ্য, জ্ঞান পদমৰ্যদা, নেতৃত্ব আৰু বাস্তৱ উত্তমতা একত্ৰিত কৰিছিল। ৰাতিৰ অপ্ৰত্যাশিত সময়ত আহি তেওঁ সেই সাধাৰণ পৰিৱেশক সন্মানিত কৰিছিল। তেওঁৰ আগমণে অঞ্চলবাসীক ভীত কৰি তুলিছিল, কাৰণ তেওঁ এজন ফৰীচী আৰু সৰ্বোচ্চ পৰিষদৰ সদস্য আছিল। কেৱল এই কাৰণেই নহয়, বিশেষকৈ তেওঁ আহিছিল ইছা মছীহে এবাদতখানা পৰিস্কাৰ কৰি প্ৰধান ইমামৰ ক্ৰোধ প্ৰজ্বলিত কৰাৰ পিছত।

আমি মনঃ চক্ষুৰে দেখা পাওঁ, এই ধৰ্মীয় কৰ্ত্তৃত্বধাৰী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*নে? মই আপোনাক সঁচাই কৈছোঁ, আমি যিহকে জানোঁ, তাকে কওঁ আৰু যিহকে দেখিলোঁ, তাৰে সাক্ষ্য দিওঁ, কিন্তু আপোনালোকে আমাৰ সাক্ষ্য গ্ৰহণ নকৰে। মই আপোনালোকক পাৰ্থিব বিষয়ৰ কথা কলে যদি আপোনালোকে বিশ্বাস নকৰে, তেন্তে বেহেস্তী বিষয়ে কথা কলে, কেনেকৈ বিশ্বাস কৰিব? যিজন বেহেস্তৰ পৰা নামি আহিছে, সেই মনুষ্যপুত্ৰৰ বাহিৰে আৰু কোনেও বেহেস্তলৈ উঠা নাই। মৰুভূমিত মুছাই যেনেকৈ সাপটো তুলিছিল, তেনেকৈ ইবনে আদমেও উত্তোলিত হব লাগিব, যাতে তেওঁত ঈমান অনা সকলোৱে আখেৰী জীৱন পাব পাৰে। কাৰণ খোদাই মানুহক ইমান মহব্বত কৰিলে যে তেওঁৰ একমাত্ৰ পুত্ৰকে তেওঁ দান কৰিলে, যেন যি কোনোৱে তেওঁত ঈমান আনে তেওঁ নষ্ট নহয়, কিন্তু আখেৰী জীৱন পায়। খোদাই মানুহক দোষী প্ৰমাণ কৰিবলৈ তেওঁৰ পুত্ৰক দুনিয়ালৈ পঠোৱা নাই, বৰং মানুহে যেন পুত্ৰৰ দ্বাৰাই গুণাহৰ পৰা নাজাত পায়, সেইবাবেহে তেওঁ তেওঁক পঠাইছে।*

*যিজনে সেই পুত্ৰৰ ওপৰত ঈমান আনে, তেওঁৰ কোনো শোধ-বিচাৰ নহয়, কিন্তু যিজনে ঈমান অনা নাই তেওঁক দোষী বুলি আগতেই স্থিৰ কৰা হৈ গৈছে, কাৰণ তেওঁ খোদাৰ একমাত্ৰ পুত্ৰৰ ওপৰত ঈমান অনা নাই। আৰু সেই বিচাৰ এই যে, দুনিয়ালৈ নুৰ আহিল, কিন্তু মানুহৰ কৰ্ম্ম মন্দ হোৱাৰ বাবে মানুহে নুৰতকৈ অন্ধকাৰক অধিক মহব্বত কৰিলে। কিয়নো যি কোনোৱে কু-আচৰণ কৰে, তেওঁ নুৰক ঘৃণা কৰে। তেওঁৰ কুকৰ্ম্মবোৰ প্ৰকাশ হৈ পৰিব বুলি তেওঁ নুৰৰ ওচৰলৈ নাহে। কিন্তু যিজনে সত্য কৰ্ম্ম কৰে তেওঁ নুৰৰ ওচৰলৈ আহে, যেন তেওঁৰ কৰ্ম্মবোৰ যে খোদাৰ ইচ্ছামতে কৰা হৈছে সেয়ে প্ৰকাশ পায়।"* (ইউহোন্না ৩:১-২১)

এক নিস্তব্ধ ৰাতি নীকদীম নামেৰে এজন বিশিষ্ট



*ধন, এই উভয়তে খাটিব নোৱাৰা"* (মথি ৬:২৪)। আপোনাৰ কাৰ্যই প্ৰকাশ কৰিব, আপুনি খোদাৰ নে ধনৰ সেৱা কৰে।

এই যুদ্ধত ঈছা মছীহে ইহুদী নেতাবিলাকক পৰাভূত কৰিছিল। সমস্ত মন্দতাৰ উৎস চয়তানক তেওঁ জয় কৰিছিল। তেওঁলোকে যেনে চিহ্ন কাৰ্য বিচাৰিছিল ঈছা মছীহে যদিও তাক কৰিবলৈ অস্বীকাৰ কৰিছিল, তথাপি তেওঁ জেৰুজালেমত কেইটিমান সহায়ক আচৰিত কাৰ্য সম্পাদন কৰিছিল আৰু অনেকে তেওঁৰ নামত ঈমান আনিছিল। ইয়াতে তেওঁ সুখী হৈছিল বুলি যি কোনোৱে ধাৰণা কৰি লব পাৰিলেহেঁতেন, যদি ইউহোন্নাই এই কথা যুক্ত নকৰিলেহেঁতেনে, "*কিন্তু ঈছাই তেওঁবিলাকত নিজৰ বিশ্বাস স্থাপন নকৰিলে। কাৰণ তেওঁ সকলোকে জানিলে"* (ইউহোন্না ২:২৪-২৫)।

স্বভাৱতেই ধাৰণা হব, এই মানুহবিলাকৰ বিশ্বাস বুদ্ধিগত (মনৰ) বিশ্বাস আছিল, সেয়া আত্মাৰ বা অন্তৰৰ বিশ্বাস নাছিল। তেওঁলোক আছিল ছাঁৰ তলৰ শিপা নোহোৱা গছৰ দৰে। তেওঁলোক দীৰ্ঘকাল টিকি থকা নাছিল, কিন্তু নিৰ্যাতনৰ তাপত শুকাই মৰি গৈছিল। নিজ জাতিৰ মানুহবিলাকৰ পৰা নিৰ্যাতনৰ কাৰণত অথবা মছীহিবিলাক সকলো সময়ত পাৰ্থিব আশীৰ্বাদ ভোগ নকৰে, এই উপলব্ধি লৈ যিবিলাকে মছীহক গ্ৰহণ কৰিছিল, তেওঁলোকৰ কোনো কোনোৱে উভটি গৈছিল। অন্যবিলাকে আকৌ ঘূৰি গৈছিল এই কথা আবিষ্কাৰ কৰাৰ পিছত যে, ৰাজনৈতিকভাৱে এখন ইহুদী ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ ঈছা মছীহ অহা নাছিল। ইঞ্জিল শৰীফে ঈছা মছীহৰ সম্বন্ধে এনে এটি সাক্ষ্য দিয়ে যি সাক্ষ্য অন্য কাৰো সম্বন্ধে দিয়া হোৱা নাই আৰু অন্য কোনো মানুহৰ সম্বন্ধে সেই কথা কোৱা নাযায় – "*মানুহৰ বিষয়ে কোনোৱে সাক্ষ্য দিবলৈকো তেওঁৰ প্ৰয়োজন নাছিল;*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*কিয়নো মানুহৰ অন্তৰত কি আছে, তাক তেওঁ নিজে জানিলে*' (ইউহোন্না ২:২৫)। কোনো নবী বা ৰছুলৰ সম্বন্ধে এনে ধৰণৰ মন্তব্য কোনো কালেই কৰা হোৱা নাই। ইয়াৰ পৰা আমি স্পষ্টকৈ বুজিব পাৰোঁ যে, মছীহৰ ভিতৰত আচ্‌মানী ও মানবিক প্ৰকৃতিৰ একত্ৰীকৰণে মানৱ-হৃদয় সম্বন্ধে তেওঁৰ বাস্তৱ উপলব্ধি বহু গুণে বৃদ্ধি কৰিছিল। আমি দেখিবলৈ পাম, তেওঁৰ এই অৰ্ন্তজ্ঞানৰ পৰা কিমান মঙ্গল নিৰ্গত হৈছে।

হে আল্লাহ,
মোত পাক' দিল সৃষ্টি কৰা;
মোৰ অন্তৰত সুস্থিৰ ৰূহ
পুনৰায় জন্মোৱা।
তোমাৰ সন্মুখৰ পৰা মোক
খাৰিজ নকৰিবা;
তোমাৰ পাক ৰূহ
মোৰ পৰা নিনিবা।

আল জবুৰ ৫১: ১০,১১



পাঁচ

## ঈছা মছীহৰ লগত নীকদীমৰ সাক্ষাৎ

ফৰীচীসকলৰ মাজত নীকদীম নামেৰে ইহুদীবিলাকৰ এজন নেতা আছিল। এদিন ৰাতি তেওঁ ঈছাৰ ওচৰলৈ আহি কলে, *"ৰব্বি, আপুনি যে খোদাৰ পৰা অহা এজন আলেম, তাক আমি জানোঁ; কিয়নো আপুনি যি সকলো আচৰিত কাৰ্য কৰিছে, খোদা লগত নাথাকিলে কোনেও সেইবোৰ কৰিব নোৱাৰে।" ঈছাই নীকদীমক কলে, "মই আপোনাক সঁচাই কৈছোঁ, নতুনকৈ জন্ম নহলে কোনেও খোদাৰ ৰাজ্য দেখা পাব নোৱাৰে।" তেতিয়া নীকদীমে তেওঁক কলে, "মানুহ বুঢ়া হলে, কেনেকৈ তেওঁৰ আকৌ জন্ম হব পাৰে? তেওঁ দ্বিতীয়বাৰ মাকৰ গৰ্ভত সোমাই জন্মিব পাৰে নে?" উত্তৰত ঈছাই কলে, "মই আপোনাক সঁচাই কৈছোঁ, জল আৰু পাক্‌ ৰূহৰ পৰা জন্ম নাপালে কোনেও খোদাৰ ৰাজ্যত সোমাব নোৱাৰে। মাংসৰ পৰা যি জন্মে, সি মাংস; আৰু পাক্‌ ৰূহৰ পৰা যি জন্মে, সি ৰূহ। মই যে আপোনাক কলোঁ, আপোনালোকৰ নতুনকৈ জন্ম হোৱাৰ প্ৰয়োজন, তাত আচৰিত নহব। বতাহে যি দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বয়, আপুনি তাৰ শব্দ শুনিবলৈ পায়, কিন্তু সি ক'ৰ পৰা আহে, ক'লৈ যায়, তাক আপুনি নাজানে। পাক্‌ ৰূহৰ পৰা জন্মা প্ৰত্যেক মানুহৰ এনে হয়।"*

*নীকদীমে ঈছাক প্ৰশ্ন কৰিলে, "এইবোৰ কেনেকৈ হব পাৰে?" তেতিয়া ঈছাই তেওঁক কলে, "আপুনি ইস্ৰায়েলীবিলাকৰ আলেম হৈয়ো এইবোৰ কথা নাজানে*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ছয়

## ঈছা মছীহ ও এগৰাকী চমৰীয়া মহিলা

*ঈছাই এহুদিয়া প্ৰদেশ এৰি আকৌ গালীললৈ গল। গালীললৈ যোৱাৰ সময়ত তেওঁ চমৰিয়া দেশৰ মাজেদি যাব লগা হল। তেওঁ চুখৰ নামেৰে চমৰিয়াৰ এখন নগৰলৈ আহিল। ইয়াকুবে তেওঁৰ পুত্ৰ ইউচুফক যি মাটি দান কৰিছিল, এই নগৰখন তাৰেই ওচৰত আছিল। সেই ঠাইতে ইয়াকুবৰ নাদ আছিল। যাত্ৰা কৰি কৰি ক্লান্ত হৈ ঈছা সেই নাদৰ ওচৰত বহিল। তেতিয়া প্ৰায় দুপৰীয়া সময়। ঈছাৰ চাহাবীসকলে খোৰাবস্তু কিনিবলৈ নগৰলৈ গৈছে; এনে সময়তে চমৰিয়াৰ এজনী মহিলা পানী তুলিবলৈ আহিল। ঈছাই তেওঁক কলে, "মোক অলপ পানী খাবলৈ দিয়া।"*

*সেই চমৰীয়া মহিলাই তেওঁক কলে, "মই চমৰীয়া মহিলা। আপুনি ইহুদী হৈ কেনেকৈ মোৰ হাতে পানী খাবলৈ খুজিছে ?" মহিলাজনীয়ে এই কথা কলে, কাৰণ ইহুদী আৰু চমৰীয়াবিলাকৰ মাজত চুৱা-মেলাৰ বাছ-বিচাৰ আছিল। ঈছাই সেই মহিলাজনীক উত্তৰ দিলে, "তুমি যদি জানিলাহেঁতেন, খোদাৰ দান কি আৰু কোনে তোমাৰ ওচৰত পানী বিচাৰিছে, তেতিয়া তুমিয়েই তেওঁৰ পৰা পানী খুজিলাহেঁতেন আৰু তেৰোঁ তোমাক জীৱনময় পানী দিলেহেঁতেন।" মহিলাজনীয়ে কলে, "জনাব, পানী তুলিবলৈ আপোনাৰ পাত্ৰ নাই আৰু নাদটোও গভীৰ। তেন্তে সেই জীৱনময় পানী ক'ৰ পৰা পায় ? আপুনি আমাৰ পূৰ্বপুৰুষ ইয়াকুবতকৈতো ডাঙৰ নহয়। এই নাদ তেৰেঁই আমাক দিছে। তেওঁ নিজে আৰু তেওঁৰ পুত্ৰবোৰেও এই*



নাজাতৰ বাবে তেওঁ তেওঁৰ নিজৰ ধাৰ্মিকতা আৰু বংশ পৰিচয়ৰ ওপৰত নিৰ্ভৰশীল আছিল। তেওঁ অধ্যৱসায়ৰ সৈতে মুছাৰ শৰীয়তো পূৰ্ণ কৰিছিল আৰু কেৱল অৰ্থতেই নহয়, কিন্তু সৎকৰ্ম্মতো তেওঁ ঐশ্বৰ্যৱান হৈ উঠিছিল। খোদাৰ শৰীয়তত আৰু ধৰ্মীয় আলোচনাত তেওঁ এজন অভিজ্ঞ ব্যক্তি আছিল বাবে মানুহবিলাকে ভাবিছিল, তেৰেঁই বেহেস্তী ৰাজ্যৰ প্ৰথম হব। লোকচক্ষুত তেওঁৰ নৈতিক গুণ আৰু মৰ্যদাৰ পৰা এনে অনুমান হৈছিল, যেন জান্নাতত তেওঁৰ বাবে এখন উচ্চ স্থানে অপেক্ষা কৰি আছে।

আমাৰ বিশ্বাস, নীকদীমে ভাবিছিল, তেওঁ তেওঁৰ কথাত মছীহৰ প্ৰতি গভীৰ সন্মান দেখুৱাইছে। তাৰ পিছত, তেওঁ মছীহৰ পৰা কৃতজ্ঞতা আৰু স্বীকৃতি পাবলৈ অপেক্ষা কৰিছিল। ঈছা মছীহৰ চাহাবীবিলাকে নিঃসন্দেহে নীকদীমৰ সাক্ষ্যত গৰ্ববোধ কৰিছিল আৰু আশাবাদীও হৈ উঠিছিল। কিন্তু এজন বিশ্বস্ত ৰূহানী চিকিৎসক ৰূপে ঈছা মছীহে তেওঁৰ সাক্ষাৎকাৰীৰ হৃদয়ত ৰূহানী পীড়া ধৰিব পাৰিছিল। তেওঁৰ ভ্ৰম দূৰ কৰাৰ উদ্দেশ্যে ঈছা মছীহে তেওঁৰ মনত আঘাত দিবলৈ আৰু প্ৰয়োজনৰ উপযুক্ত ঔষধ প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। নীকদীমৰ সশ্ৰদ্ধ আৰু অনুকূল কথাবোৰৰ প্ৰতি তেওঁ সঁহাৰি দিয়া নাছিল। তাৰ পৰিবৰ্ত্তে তেওঁ কৈছিল, "মই আপোনাক সঁচাই কৈছোঁ, নতুনকৈ জন্ম নহলে কোনেও খোদাৰ ৰাজ্য দেখা পাব নোৱাৰে।" ঈছা মছীহে যেন তেওঁক এই কথাই কৈছিল, "যিহেতু আপুনি ৰূহুৰ পৰা জন্ম লাভ কৰা নাই, সেইবাবে আপুনি খোদাৰ ৰাজ্য দেখিবলৈ নাপাব।" নীকদীম দ্বিতীয় জন্মৰ বিষয়ে অজ্ঞ নাছিল, কাৰণ তৌৰাতত সেয়া দেখিবলৈ পোৱা যায়। কিন্তু ইহুদীবিলাকে এইটো কেৱল পৰজাতিবিলাকৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি ব্যাখ্যা কৰিছিল, যিবিলাকে ইহুদী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ধৰ্ম গ্ৰহণ নকৰিলে, চুন্নত নকৰিলে আৰু মুছাৰ শৰীয়ত পালন নকৰিলে নাজাত পাব নোৱাৰে। প্ৰত্যেক ইহুদীয়ে ভাবিছিল তেওঁলোক এইবিলাকৰ অধিকাৰী, সেই কাৰণে নীকদীমে ভাবিছিল তেওঁৰ দ্বিতীয় জন্মৰ প্ৰয়োজন নাই। সেইবাবেই ঈছা মছীহৰ উক্তিত নীকদীম হতবুদ্ধি হৈ গৈছিল। তেওঁ ঈছা মছীহক এনে ভাষাত উত্তৰ দিছিল যিহে ইয়াৰ সত্যতা সম্পৰ্কে তেওঁৰ গভীৰ সন্দেহ ব্যক্ত কৰিছিল। তেওঁ ইয়াকো প্ৰকাশ কৰিছিল যে ঈছা মছীহৰ কথাবোৰক তেওঁ দৈহিকভাৱে লৈছিল।

ঈছা মছীহৰ বিষয়ে ইছায়াই এইদৰে ভবিষ্যদ্বাণী কৰিছিল, “তেওঁ থেঁতেলা নল নাভাঙিব আৰু ধোঁৱাই থকা শলিতাও নুনুমাব…” (ইশাইয়া ৪২:৩)। এই ভবিষ্যদ্বাণীটিয়ে ঈছা মছীহত পূৰ্ণতা লাভ কৰিছিল যেতিয়া তেওঁ নীকদীমক দ্বিতীয় (নতুন) জন্মৰ ফালে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ নীকদীমৰ ওচৰত প্ৰকাশ কৰিছিল যে বেহেস্তী বা আচমানী জন্ম পানী আৰু ৰূহৰ পৰা হয়। পানীৰ দ্বাৰাই তেওঁ ইঙ্গিত কৰিছিল মন পৰিবৰ্ত্তনৰ প্ৰতি যাৰ প্ৰতীক হল পানীত তৱীকা গ্ৰহণ। ৰূহৰ দ্বাৰাই তেওঁ পাক্ ৰূহক বুজাইছিল, যিজনাই আভ্যন্তৰীণ বিশুদ্ধকৰণৰ দ্বাৰাই আৰু তৱীকাৰ বাহ্যিক চিহ্নৰ দ্বাৰাই দ্বিতীয় জন্ম সংঘটিত কৰে। আমি যাক ‘পাপ সম্বন্ধে মৃত’ আৰু ধাৰ্মিকতাৰ উদ্দেশ্যে নতুন জীৱন’ বুলি আখ্যা দি থাকোঁ, সেয়া হল ইয়াৰে ফল (ৰোমীয়া ৬ অধ্যায়)। খোদাৰ সন্তানৰ বাহিৰে অন্য কোনো খোদাৰ ৰাজ্যৰ যোগ্য নহয় আৰু তেওঁৰ পৰা নতুন জন্মৰ মাধ্যমৰ বাহিৰে খোদাৰ সন্তান হোৱাৰো অন্য কোনো উপায় নাই। সেয়া কেৱল আত্মিকভাৱেহে হব পাৰে, কাৰণ পাক ৰূহৰ দ্বাৰাহে মানুহে আত্মিকভাৱে জন্ম লব পাৰে।

দ্বিতীয় জন্মৰ সত্যটিক বুজি পোৱাত ব্যৰ্থ হোৱাৰ



বাবে ঈছা মছীহে সম্পূৰ্ণ, তাৎক্ষণিক আৰু বিনামূলীয়া ক্ষমাৰ ঘোষণা কৰিছে। বেহেস্তী পিতাৰ সাক্ষাতত তেওঁ বিনতিকাৰীসকলৰ অনুৰোধবোৰ মধ্যস্থকাৰীৰূপে তেওঁলোকৰ পক্ষে অনুৰোধ কৰে।

ৰজা হিচাপে তেওঁ স্বেচ্ছাই মানুহবিলাকৰ হৃদয়ত ৰাজত্ব কৰে, তেওঁলোকৰ দুছমনবোৰক পৰাস্ত কৰে আৰু তেওঁলোকক তেওঁৰ অনন্তকলীয়া ৰূহানী ৰাজ্যৰ অংশী কৰে। তেওঁ ৰজা নোহোৱা হলে নাজাতৰ বাবে তেওঁৰ ওপৰত ঈমান আনিবলৈ তেওঁ মানুহবিলাকক নকলেহেঁতেন। তাৰ পৰিবৰ্ত্তে তেওঁ বৰং কেৱল খোদাৰ ওপৰতেই ঈমান আনিবলৈ কলেহেঁতেন, যিদৰে অন্যান্য নবীবিলাকে কৰিছিল। মানুহৰ মাজত এই দুনিয়াত থকা কালত তেওঁ বস্তুগত যিবোৰ আচৰিত কৰ্ম্ম কৰিছিল, নবী, ইমাম ও ৰজা হিচাপে তেওঁৰ ভূমিকাত তেওঁ এতিয়া তাতোকৈও মহত্ত্বৰ আচৰিত কৰ্ম্মবোৰ সম্পাদন কৰি কৈছে:

> **“মই আপোনাক সঁচাই কৈছোঁ, নতুনকৈ জন্ম নহলে কোনেও খোদাৰ ৰাজ্য দেখা পাব নোৱাৰে।”**
>
> ইউহোন্না ৩:৩



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যি প্ৰাপ্য বুলি নিৰ্ধাৰিত আছিল ঈছা মছীহ অহাৰ পিছত সেয়া চিৰকালৰ বাবে সম্পাদন কৰিছিল।

নবীৰূপে ঈছা মছীহে বেহেস্তী বিষয়ৰ সম্বন্ধে কথা কৈছে। তেওঁ খোদাৰ ইচ্ছা ও গুনাৱলী আৰু মানব অন্তৰৰ গুপ্ত চিন্তাসমূহ প্ৰকাশ কৰিছিল। এতিয়াও তেওঁ শিক্ষক যি জনাই নিজ আত্মাৰ দ্বাৰাই মানুহবিলাকৰ মঙ্গলৰ কাৰণে প্ৰয়োজনীয় বিষয়ত তেওঁলোকক শিক্ষা দি থাকে। একমাত্ৰ মছীহই সেইজনা, যি জনাই ইমামৰূপে সকলো মানুহৰ পক্ষে দায়িত্ব পালন কৰে, কাৰণ তেৱেঁই সকলোৰে পাপৰ বাবে নিজকে কোৰবানীৰূপে উৎসৰ্গ কৰিছিল। খোদাৰ মেৰৰখীয়া ৰূপে তেৱেঁই প্ৰত্যেক জনৰ মুক্তিৰ মূল্য, যেন তেওঁৰ ওপৰত বিশ্বাসকাৰী কোনেও অনন্ত মৃত্যুৰ অধীন নহয়। মৰুভূমিত মুছাৰ ওপৰলৈ তোলা সাপৰ দৰে নিজকে সলীবৰ ওপৰত আঁৰি তেওঁ তাক অৰ্জন কৰিছিল।

"তেতিয়া মুছাই পিতলৰ এটা সাপ বনাই
নিচানস্বৰূপে এডাল খুটিত তুলি ৰাখিলে;
পাছে যেতিয়া সাপে
কোনো মানুহক দংশিলে,
তেতিয়া তেওঁ সেই পিতলৰ সাপলৈ
দৃষ্টি কৰিলত, তেওঁ জীলে।"
(গণনাপুস্তক ২১:৯)

"মৰুভূমিত মুছাই যেনেকৈ
সাপটো তুলিছিল,
তেনেকৈ মনুষ্যপুত্ৰও উত্তোলিত হব লাগে,
যাতে তেওঁত ঈমান অনা সকলোৰে
আখেৰী জীৱন পাব পাৰে।"
(ইউহোন্না ৩:১৪-১৫)

অনুতাপ আৰু মন পৰিবৰ্ত্তন কৰা প্ৰত্যেক আত্মাৰ



বাবে ঈছা মছীহে নীকদীমক দোষী কৰা নাছিল, কাৰণ বিষয়টো আত্মিক আৰু নিগূঢ়। তেওঁ যদিও সেইবোৰ বুজিব পৰা নাছিল, তথাপি ঈছা মছীহে আত্মিক বাস্তৱতাবোৰক তেওঁক গ্ৰহণ কৰি লবলৈ নিৰ্বিবাদে মানি লবলৈ কোৱা নাছিল। উপমাৰ যোগেদি বুজাবলৈ তেওঁ কৈছিল, "বতাহে যি দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বয়, আৰু আপুনি তাৰ শব্দ শুনিবলৈ পায়, কিন্তু সি ক'ৰ পৰা আহে, ক'লৈ যায়, তাক আপুনি নাজানে। পাক্ ৰূহৰ পৰা জন্মা প্ৰত্যেক মানুহৰ এনে হয়" (ইউহোন্না ৩:৮)। এইবোৰ কথায়ো নীকদীমৰ মনৰ সকলো সন্দেহ দূৰ নকৰাৰ বাবে তেওঁ কৈছিল, "এইবোৰ কেনেকৈ হব পাৰে?" এজন শিক্ষিত মানুহ হিচাপে তেওঁ আৰু ব্যাখ্যাৰ অনুৰোধ জনাইছিল। নীকদীমৰ প্ৰশ্নটোক ঈছা মছীহে সমগ্ৰ দুনিয়াৰ বাবে অনন্ত আশীৰ্বাদৰ এক মহান বাণীত পৰিণত কৰিছিল। এটি মৃদু তিৰস্কাৰেৰে ঈছা মছীহে তেওঁক তেওঁৰ অযোগ্যতাৰ সম্বন্ধে সচেতন কৰিছিল, "আপুনি ইহুদীবিলাকৰ আলেম হৈয়ো এইবোৰ কথা নাজানে নে?" তাৰপিছত তেওঁ উচ্চাৰণ কৰিছিল প্ৰায় গোটেই দুনিয়াতে ইঞ্জিল শৰীফৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ ও সুন্দৰ আয়াত ৰূপে সমাদৃত সেই সোঁণালী বাণী:

**খোদাই মানুহক ইমান মহব্বত কৰিলে যে**
**তেওঁৰ একমাত্ৰ পুত্ৰকে তেওঁ দান কৰিলে,**
**যেন যি কোনোৱে তেওঁত ঈমান আনে, তেওঁ নষ্ট**
**নহয়, কিন্তু আখেৰী জীৱন পায়।**
(ইউহোন্না ৩:৬)

নীকদীমৰ লগত তেওঁৰ আলোচনাৰ আৰম্ভনিতেই ঈছা মছীহে বেহেস্তী বিষয়াদিৰ সম্বন্ধে ক্ষমতাৰ সৈতে কথা কোৱাৰ অধিকাৰ দৃঢ়ভাৱে ঘোষণা কৰিছিল। তেওঁ যি জানে সেই বিষয়ে তেওঁ কথা কৈছিল আৰু যি দেখিছে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তাকে তেওঁ জনাইছিল। “যিজন বেহেস্তৰ পৰা নামি আহিছে, সেই মনুষ্যপুত্ৰৰ বাহিৰে আৰু কোনেও বেহেস্তলৈ উঠা নাই।” গতিকে, যিমানেই নিগূঢ় যেন নালাগক, বেহেস্তৰ পৰা পুৰ্নজাত হোৱা সম্পৰ্কত তেওঁৰ কথা গ্ৰহণ কৰা আৱশ্যক। তেওঁৰ কথাবোৰ এই সত্যৰ ওপৰত প্ৰতিষ্ঠিত যে, পাপীৰ সহজাত হৃদয় পাপ আৰু দুষ্টতাত মৃত। এয়ে প্ৰকৃত আত্মিক মৃত্যু। যি হওক, যিসকল বেহেস্তত আছে তেওঁলোক আত্মিকভাৱে জীৱিত। এই কাৰণে, জীৱিতবিলাকৰ মাজত মৃতবিলাকৰ কোনো স্থান নাই আৰু পতিত মানৱ-প্ৰকৃতিৰ আৰু বেহেস্তৰ বিশুদ্ধতাৰ মাজত অলপো ঐক্য নাই। আমি যদি ধাৰণা কৰি লওঁ যে মানুহে তেওঁৰ পতিত স্বভাৱ লৈ বেহেস্তলৈ যাব, তেওঁ কিন্তু তাৰ সকলো বিষয় তেওঁৰ পছন্দমতে দেখিবলৈ নাপাব, কাৰণ তেওঁৰ সকলো সুখানন্দ দৈহিক মাত্ৰ। তেওঁ নিজেই তাত থাকিবলৈ নিবিচাৰিব। অনুৰূপভাৱে, বেহেস্তৰ নাগৰিকবিলাকেও তেওঁক গ্ৰহণ নকৰিব, কাৰণ যি জীৱিত মানুহবিলাকে পচা মৃতদেহক ঘৃণা কৰে, তেওঁলোকে তাতকৈও ঘৃণা কৰিব তাৰ কলুষিত স্বভাৱক।

ঈছা মছীহৰ শিক্ষা অনুসৰি প্ৰকৃত ধৰ্ম হল আভ্যন্তৰীণ, বাহ্যিক নহয়। এয়ে হল সেই দুৱাৰ খোলাৰ চাবিকাঁঠি যাৰ মাজেদি আমি অনুগ্ৰহৰ অৱস্থাৰ পৰা অনন্ত গৌৰৱলৈ পাৰ হৈ যাব পাৰোঁ। খোদাৰ দান অৰ্জনৰ উদ্দেশ্যত আচ্‌মানী জ্ঞান-আলোকৰ দ্বাৰা আমাৰ মনক, পবিত্ৰীকৰণৰ দ্বাৰা আমাৰ আবেগসমূহক, নবীকৰণৰ দ্বাৰা আমাৰ ইচ্ছাক আৰু ধাৰ্মিকতাৰ দ্বাৰা আমাৰ জীৱন পদ্ধতিক পৰিৱৰ্ত্তন কৰিব লাগিব। এনে ক্ষেত্ৰত যদি আমি সংস্কৃত নহওঁ তেন্তে আমি বেহেস্তী নগৰী দেখিবলৈ নাপাম।

এয়ে সেই ৰূপান্তৰ যি পৌলক বিশ্বাসকাৰীবিলাকক



এই কথা কবলৈ প্ৰবৃত্ত কৰে, “*মোক শক্তি দিয়া জনাত থাকি, মই সকলো বিষয়ত বলৱান হৈছোঁ*” (ফিলিপীয়া ৪:১৩)। এই নবীকৰণৰ মাজেদিয়েই মানুহে পূৰ্বে কৰিব নোৱাৰা কাৰ্য কৰিবলৈ সক্ষম হয়; যেনে শত্ৰুক মহব্বত কৰা, পৰসেৱাত আত্মনিয়োগ কৰা আৰু মোনাজাত ও আত্মিক বিষয় পাঠত আনন্দ পোৱা।

তথাপি ঈছা মছীহে ঘোষণা কৰিছিল, মানুহবিলাকৰ ওচৰলৈ তেওঁ যি নুৰ লৈ আহে সেয়া সাধাৰণতে গৃহীত নহয়। এই অদ্ভূত সত্যৰ কাৰণটো এই যে, তেওঁৰ কাৰ্যবোৰ অন্ধকাৰত কৰা হয় আৰু সেইবোৰ নুৰৰ উজ্জ্বলতাৰ আগত থিয় হব নোৱাৰে। বিপৰীতক্ৰমে, ধাৰ্মিক মানুহবিলাকে নুৰক মহব্বত কৰে আৰু তেওঁলোকৰ কাৰ্যবোৰ উন্মোচিত হোৱা বিষয়ত তেওঁলোক ভীত নহয়, যেন তেওঁলোকৰ কাৰ্যৰ মাজেদি মানুহবিলাকে খোদাৰ হাত দেখিবলৈ পায়।

নীকদীমৰ সৈতে এই প্ৰথম বিশিষ্ট আলোচনাটিত আমি ঈছা মছীহক মনুষ্যপুত্ৰ ৰূপে দেখিবলৈ পাওঁ আৰু একে সময়তে দেখিবলৈ পাওঁ খোদাৰ একমাত্ৰ পুত্ৰ ৰূপে। তদুপৰি, একমাত্ৰ খোদা ৰূপে পবিত্ৰ ত্ৰিত্বৰ তিনি ব্যক্তিত্বৰ উল্লেখো দেখিবলৈ পাওঁ যিয়ে পবিত্ৰ ত্ৰিত্বৰ আৰু খোদাৰ একত্বৰ সত্যটিক সমৰ্থন কৰে। পৰিশেষত, এজন নবী, ইমাম আৰু এজন ৰজা হিচাপে মছীহৰ কাৰ্যৰ এটি ঘোষণা দেখিবলৈ পাওঁ। ইস্ৰায়েলবিলাকৰ ইতিহাসত অন্য কোনেও কেতিয়াও এই তিনিটা পদমৰ্যদা দখল কৰা নাছিল। নবী, ইমাম আৰু ৰজাবিলাক সকলোৱে ঈছা মছীহৰ প্ৰতি নিৰ্দেশক প্ৰতীকস্বৰূপ আছিল। পবিত্ৰ অভিষেকৰ দ্বাৰা তেওঁলোক পবিত্ৰীকৃত হৈছিল আৰু মাজে সময়ে তেওঁলোকক ‘মছীহ’ (অভিষিক্ত) আখ্যা দিয়া হৈছে। তেওঁৰ আগমনৰ পূৰ্বে এই তিনিটা ভূমিকাৰ পৰা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এওঁলোক সকলোৱে ইহুদী আছিল। এতিয়া তেওঁ এজনৰ নাজাতৰ বাবে তেওঁৰ আন্তৰিক ভাৱনা প্ৰকাশ কৰিব বিচাৰিছে যিজন হব নাৰীবিলাকৰ, সমাজচ্যুতবিলাকৰ আৰু অ-ইহুদীবিলাকৰ প্ৰতিনিধি স্বৰূপ। এনে কি, পাপৰ গভীৰত নিমজ্জিত হোৱাৰ পিছতো অনন্তজীৱী আত্মাৰ প্ৰতি যে তেওঁ অধিক মূল্য দিছিল, চমৰীয়া নাৰীৰ প্ৰতি আচৰণ কৰাৰ সময়ত ঈছা মছীহে তাক প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। তেওঁ যে হীনতম গুণাহগাৰবিলাককো সম্পূৰ্ণৰূপে নাজাত কৰিবলৈ সক্ষম, তাকেই কাৰ্যতঃ প্ৰকাশ কৰিছিল।

ঈছা মছীহে সামাজিক বাধাবোৰ উপেক্ষা কৰিছিল আৰু পানী খুজি চমৰীয়া তিৰোতাজনীৰ লগত কথা-বতৰা আৰম্ভ কৰিছিল। এই মহান ইহুদী ৰব্বিৰ চৰম নম্ৰতাৰ কাৰণেই তেওঁ তিৰোতাজনীৰ যি আছিল তাৰেই তেওঁৰ প্ৰয়োজন পূৰ কৰাৰ সুযোগ দিছিল। ইয়াৰ মাজত আত্মাজয়কাৰীবিলাকৰ বাবে তেওঁ এটা আদৰ্শ নমুনা দিছে। তেওঁৰ দৰে এজনী তিৰোতাৰ পৰা যেনে ধৰণৰ আশা কৰা যাব পাৰে, তেনেদৰে তেওঁৰ উত্তৰটো নষ্টতাসুলভ নাছিল। তেওঁ কৈছিল, "মই চমৰীয়া মহিলা। আপুনি ইহুদী হৈ কেনেকৈ মোৰ হাতে পানী খাবলৈ খুজিছে?" তেওঁ আচলতে কোন তাক তেওঁক বুজোৱাত সহায় কৰিবৰ বাবে তেতিয়া ঈছা মছীহে তেওঁৰ কথা কোৱাৰ স্বৰ সলাই পেলাইছিল। তেওঁক ঈছা মছীহৰ প্ৰয়োজন নাছিল, কিন্তু তিৰোতাজনীৰ তেওঁৰ প্ৰয়োজন আছিল, কাৰণ তেওঁ তেওঁক খোদাৰ দান দিয়াত সমৰ্থ আছিল, মাত্ৰ তেওঁ যদি তাক বিচাৰে। এই দানটি আছিল জীৱনময় পানীৰ দৰে। তেওঁ বিস্ময় আৰু বুজাৰ অক্ষমতা প্ৰকাশ কৰাত তেওঁ তেওঁক আৰু কৈছিল, ইয়াকুবৰ নাদৰ পৰা তেওঁ যি পানী লবলৈ আহিছে এই পানী তাৰ



নাদৰ পানীয়েই খাইছিল আৰু তেওঁলোকৰ গৰু-ছাগবোৰেও খাইছিল।" তেতিয়া ঈছাই কলে, "এই পানী খোৱা প্ৰতিজনৰ আকৌ পিয়াহ লাগিব। কিন্তু মই যি পানী দিম, তাক যি কোনোৱে খায়, তেওঁৰ কেতিয়াও পিয়াহ নালাগিব। বৰং মই যি পানী তেওঁক দিম, সেই পানী তেওঁৰ অন্তৰৰ ভিতৰত অনন্ত জীৱনলৈকে বুৰবুৰাই ওলাই থকা পানীৰ ভুমুক হব।" তাতে সেই মহিলাই তেওঁক কলে, "জনাব, মোৰ পিয়াহ যেন নালাগে আৰু পানী তুলিবলৈ যেন মই ইয়ালৈ নাহোঁ, এই নিমিত্তে সেই পানী মোক দিয়ক।"

ঈছাই তেওঁক কলে, "তেন্তে যোৱা, তোমাৰ স্বামীক ইয়ালৈ মাতি আনাগৈ।" সেই মহিলাই কলে, "কিন্তু মোৰ স্বামী নাই।" ঈছাই তেওঁক কলে, "তুমি ঠিকেই কৈছা, তোমাৰ স্বামী নাই, কাৰণ ইতিমধ্যেই তোমাৰ স্বামী পাঁচজন হৈ গল, আৰু এতিয়া যিজন তোমাৰ লগত আছে, তেওঁ তোমাৰ স্বামী নহয়। তুমি সত্য কথাই কৈছা।" তেতিয়া মহিলাজনীয়ে ঈছাক কলে, "হুজুৰ, মই এতিয়া বুজিব পাৰিলোঁ আপুনি এজন নবী। আমাৰ পূৰ্বপুৰুষবিলাকে এই পৰ্বতত এবাদত কৰিছিল, কিন্তু আপোনালোকে কয়, য'ত মানুহে এবাদত কৰা উচিত, সেই ঠাই জেৰুজালেম নগৰতহে আছে।"

ঈছাই তেওঁক কলে, "হে নাৰী, মোৰ কথাত বিশ্বাস কৰা, এনে সময় আহিছে যি সময়ত তোমালোকে পিতা-খোদাৰ এবাদত এই পৰ্বততো নকৰিবা নাইবা জেৰুজালেমতো নকৰিবা। তোমালোকে যিহক নাজানা তাৰ এবাদত কৰা, কিন্তু আমি যিহক জানোঁ, তেওঁৰেই এবাদত কৰোঁ, কাৰণ গুণাহৰ পৰা উদ্ধাৰ পোৱাৰ উপায় ইহুদীবিলাকৰ মাজৰ পৰাই আহিছে। কিন্তু এনে সময় আহিছে, এনে কি, এতিয়াই সেই সময় আহিছে, যেতিয়া আচল এবাদতকাৰীবিলাকে ৰূহেৰে আৰু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*সত্যৰে পিতাৰ এবাদত কৰিব। কিয়নো পিতায়ো এনেকুৱা এবাদতকাৰী বিলাককে বিচাৰে। খোদা ৰূহ; আৰু যিবিলাকে তেওঁৰ এবাদত কৰে, তেওঁলোকে ৰূহেৰে আৰু সত্যেৰে সেই এবাদত কৰিব লাগে।" তেতিয়া সেই মহিলাজনীয়ে কলে, "মই জানোঁ, মছীহ, যিজনক খ্ৰীষ্ট বোলা হয়, তেওঁ আহিব। সেই জন যেতিয়া আহিব, তেতিয়া আমাক সকলো কথা জনাব।" ঈছাই তেওঁক কলে, "তোমাৰে সৈতে কথা-বাৰ্ত্তা হোৱা, ময়েই সেই জন।"* (ইউহোন্না ৪:৩-২৬)

ঈছা মছীহ এহুদিয়াৰ পৰা গালীললৈ গৈছিল। তেওঁৰ বাবে সহজতম আৰু চমু পথ আছিল চমৰীয়াৰ মাজেদি, যি এহুদিয়া (য'ত জেৰুজালেম অৱস্থিত আছিল) আৰু গালীলৰ (য'ত তেওঁৰ ঘৰ আছিল) মাজত অৱস্থিত আছিল। চমৰীয়াৰ মাজেদি যাব লাগিব বুলিয়েই তেওঁ এই পথটো বাছি লৈছিল। ইহুদী আৰু চমৰীয়াবিলাকৰ মাজত বিৰাজমান সম্পৰ্কৰ প্ৰকৃতিগত কাৰণতে তেওঁলোকৰ মাজৰ ঘৃণা সকলো সময়তে বাঢ়িয়েই আছিল। ইহুদীবিলাকে চমৰীয়াবিলাকক না-পাক বুলি বিবেচনা কৰিছিল। বাধ্য কৰা নহলে তেওঁলোকে চমৰীয়াবিলাকৰ লগত উঠা-বহা নকৰিছিল, কথা নাপাতিছিল আৰু তেওঁলোকৰ এলেকাৰ মাজেদিও নগৈছিল। ইহুদীবিলাকৰ ওচৰত "চমৰীয়া" শব্দটো এটি অপমান বুলি পৰ্যবসিত হোৱাৰ আগলৈকে এই দুই দলৰ মাজত অনেক সংঘৰ্ষ আৰু নাশকতামূলক কৰ্ম সংঘটিত হৈছিল। ঈছা মছীহ সংকীৰ্ণমন্যতাৰ বিৰুদ্ধে আছিল আৰু তেওঁৰ চাহাবীসকলৰ মাজৰ পৰা গোঁড়ামি আৰু ধৰ্মান্ধতা নিৰ্মূল কৰিব বিচাৰিছিল বাবেই তেওঁ চমৰীয়াৰ মাজেদি যোৱাৰ সিদ্ধান্ত লৈছিল। ইস্রায়েলীবিলাকৰ ওচৰত যিবিলাক ভিন্ন দেশী, ঈছা মছীহে যাত্ৰাৰ পথত তেওঁলোকৰ মাজত



সেই লজ্জা দূৰ কৰিছিল যি এদন উদ্যানত হাৱাৰ পতনৰ পিছৰ পৰা যুক্ত হৈছিল। তেওঁৰ পৰিচৰ্যাৰ বছৰবোৰত, সলীবৰ ওপৰত আৰু তেওঁৰ পুনৰুত্থানত ঈছা মছীহে নাৰীবিলাকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল – যিবিলাকে আকৌ তেওঁলোকৰ ফালৰ পৰা ধৰ্মীয় উহসাহত আৰু নাজাতদাতাৰ প্ৰতি বিশ্বস্তাত অধিকাংশ পুৰুষক পিছ পেলাই গৈছে বুলি প্ৰমাণ কৰিছিল।

চমৰীয়া মহিলাজনী গুণাহগাৰ আছিল। তেওঁৰ প্ৰতি মনোযোগ দিয়াত, বহি তেওঁৰ লগত কথা পতাত ঈছা মছীহ কিয় সন্মত হৈছিল? হজৰত পৌলে প্ৰশ্ন কৰিছিল, *"...ধাৰ্মিকতা আৰু অধৰ্ম পৰস্পৰৰ কি সম্পৰ্ক? আন্ধাৰে সৈতে নূৰৰ বা কি সম্বন্ধ"* (২ কৰিন্থীয় ৬:১৪-১৫)? কিন্তু আমি ঈছা মছীহৰ নীতি বুজিব পাৰোঁ যি জনাই কৈছিল, "যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ আহিল" (লূক ১৯:১০)। কৰতোলা মথিৰ ঘৰত অৱস্থান কালত তেওঁ আৰু কৈছিল, *"মই ধাৰ্মিকক নহয়, কিন্তু মন পালটাবলৈ, পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ"* (লূক ৫:৩২)। কোনোৱে চিকিৎসকৰ ওচৰলৈ যোৱাৰ কাৰণটো হৈছে তেওঁৰ অসুস্থতা, তেওঁৰ সুস্থতাৰ কাৰণে নহয়। চিকিৎসকে ৰোগত কষ্ট পোৱাবিলাকৰ প্ৰতি মনোযোগ দিয়ে, স্বাস্থ্যৱানবিলাকৰ প্ৰতি নহয়। অসুস্থতাত সঙ্কটাপন্নবিলাকৰ প্ৰতি তেওঁ আৰু বেছি মনোযোগ দিয়ে।

প্ৰাথমিকভাৱে ঈছা মছীহে মনোযোগ নিবদ্ধ কৰিছিল যুবকবিলাক, দৰিদ্ৰবিলাক আৰু সহজ সৰল মানুহবিলাকৰ প্ৰতি যিবিলাকৰ অধিকাংশই আছিল তেওঁৰ আহ্বায়িত চাহাবীসকলৰ প্ৰতিনিধিস্বৰূপ। তাৰ পিছত তেওঁ মনোযোগ দিছিল নীকদীমৰ নাজাতৰ প্ৰতি যিজন আছিল এজন বৃদ্ধ বিত্তশালী আৰু ধৰ্মীয় আলেম।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

লগত কথা পাতিবলৈ বিচাৰিব নোৱাৰে। কিন্তু ঈছা মছীহ এই চমৰীয়াৰ আত্মাক মহব্বত কৰিছিল, ঠিক যিদৰে তেওঁ এজন ইহুদীৰ আত্মাক মহব্বত কৰিছিল, কাৰণ তেৱেঁই সকলোৰে স্ৰষ্টা, নাজাতদাতা আৰু বিচাৰক। যিজনে মহব্বত কৰে আৰু যিজনে ঘৃণা কৰে, এই দুটিক ঈছা মছীহে বেলেগ কৈ নাচায়, কাৰণ তেওঁ প্ৰত্যেকজনৰে নাজাত কৰিবলৈ চায়। ঈছা মছীহ নাৰীবিলাকৰ প্ৰতি ইহুদীবিলাকৰ অৱজ্ঞাৰ অংশীদাৰ নাছিল, তেওঁ নাৰীবিলাকক গভীৰভাৱে শ্ৰদ্ধা কৰিছিল। ধৰ্মত যি প্ৰয়োজন সেয়া হল এই- হৃদয়ত বিশ্বাস, মনত শৰীয়তৰ শাসন আৰু আচৰণত মৰ্যদাবোধ।

নাৰী-পুৰুষ নিৰ্বিশেষে, ঈছা মছীহে সমগ্ৰ মানৱজাতিৰ নাজাত আকাঙ্খা কৰে আৰু সেই কাৰণেই তেওঁ চমৰীয়া মহিলাজনীক উপেক্ষা কৰিব পৰা নাছিল। তেওঁ কৃচ্ছসাধক তৃৰীকাদাতাৰ দৰে নাছিল যিজন মানুহবিলাকৰ ৰীতিনীতিত আবদ্ধ আছিল, যিয়ে তেওঁক নাৰীবিলাকক এৰাই চলিবলৈ বাধ্য কৰিছিল। তেওঁ বৰং তেওঁলোকক তেওঁৰ অনুগামী হবলৈ, তেওঁক সন্মান কৰিবলৈ আৰু তেওঁলোকৰ সম্পদেৰে তেওঁৰ সহায়তা কৰিবলৈ অনুমতি দিছিল। এই চমৰীয়া নাৰীৰ লগত সাক্ষাতৰ যোগেদি ঈছা মছীহে নাৰীবিলাকৰ মন পৰিবৰ্ত্তনত তেওঁৰ গভীৰ আগ্ৰহ প্ৰমাণ কৰিছে। মানৱ ইতিহাসৰ আৰম্ভনিত চয়তানে যেনেকৈ হাৱাক পতিত কৰাত কৃতকাৰ্য হৈছিল, তেওঁৰ পৰিচৰ্যাৰ সূচনাত ঈছা মছীহো হাৱাৰ কন্যাবিলাকক উন্নীত কৰিছিল। মছীহীয়াতৰ অন্যতম বৈশিষ্ট্যবাহী উপাদান হল এই যে, ই নাৰীক সামাজিকভাৱে, নৈতিকভাৱে আৰু আত্মিকভাৱে উচ্চ সন্মানত স্থাপিত কৰে। কুমাৰী মৰিয়মৰ গৰ্ভত জন্মগ্ৰহণ কৰি ঈছা মছীহে নাৰী জাতিৰ



আত্মিক বীজ ৰূপন কৰিবলৈ সচেষ্ট আছিল আৰু তেওঁৰ চাহাবীসকলক নিশ্চিত কৰিব বিচাৰিছিল যে, খোদাৰ ৰাজ্য কেৱল ইব্ৰাহীমৰ বংশধৰবিলাকৰ বাবেই সংৰক্ষিত নহয়।

শিখিমৰ ভিতৰেদি আৰু এবাল ও গেৰিছিম পৰ্বত দুটিৰ মাজেদি যি প্ৰধান পথ গৈছিল, সেই বাটৰ কাষত ইয়াকুবৰ নাদ নামেৰে এটা নাদ আছিল। সেই ঘটনাৰ পিছৰ পৰা এইটোৱে প্ৰসিদ্ধি লাভ কৰিছে। ঈছা মছীহ ক্লান্ত হৈ পৰাৰ বাবে সেই নাদৰ পাৰত বহিছিল আৰু তেওঁলোকৰ নিজৰ বাবে খাদ্য কিনাৰ উদ্দেশ্যে তেওঁৰ চাহাবীসকলক চুখৰ নগৰলৈ পঠিয়াইছিল। ইয়াৰ পৰা আমি এই সিদ্ধান্তলৈ আহোঁ যে, তেওঁৰ আৰু তেওঁৰ চাহাবীসকলৰ অৱস্থা দৰিদ্ৰ হোৱা সত্ত্বেও ঈছা মছীহে তেওঁৰ জীৱন নিৰ্বাহৰ কাৰণে সকলো সময়তে অন্যৰ আতিথেয়তাৰ ওপৰত বা অন্যৰ ওচৰত হাত পাতাৰ ওপৰত নিৰ্ভৰ নকৰিছিল। তেওঁক মহব্বত আৰু সন্মান কৰাবিলাকে তেওঁক যি অৰ্থ দিছিল, তেওঁ তাক খৰচ কৰিছিল আৰু এইবোৰ টকা-পইচা তেওঁ তেওঁৰ এজন চাহাবীৰ হাতত দিছিল।

সেই সময়ত তেওঁ ক্লান্তি, ক্ষুধা আৰু তৃষ্ণাৰ অভিজ্ঞতা লাভ কৰিছিল যাতে তেওঁ আমাৰ দুৰ্বলতাবোৰ বুজিব পাৰে। কোনোৱে হয়তো প্ৰশ্ন কৰিব পাৰে, "তেওঁৰ আৰু তেওঁৰ চাহাবীসকলৰ ক্ষুধা নিবৃত্তিৰ কাৰণে ঈছা মছীহে কিয় এটা আচৰিত কাৰ্য সম্পাদন কৰা নাছিল ?" উত্তৰটো হল এই, য'ত স্বাভাৱিক উপায় লভ্য, তাত আচৰিত কাৰ্যৰ কোনো প্ৰয়োজন নাই। নিজৰ উপকাৰৰ বাবে ঈছা মছীহে এটাও আচৰিত কাৰ্য সম্পাদন কৰা নাছিল। মৰুভূমিত ঈছা মছীহ যেতিয়া ভুকাতুৰ হৈছিল, তেতিয়া তাত ক্ষুধা নিবৃত্তিৰ কোনো স্বাভাৱিক উপায় লভ্য নাছিল। তথাপি ঈছা মছীহে তেওঁৰ নিজৰ সাহায্যৰ অৰ্থে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আচৰিত কাৰ্য সম্পাদন কৰা নাছিল। আমাক জনোৱা হৈছে, ফিৰিস্তাবিলাকে আহি তেওঁৰ খেদমত কৰিছিল।

ঈছা মছীহ যি সময়ত তেওঁৰ চাহাবীসকলৰ বাবে অপেক্ষা কৰি আছিল, তেতিয়া ওচৰৰ এলেকাৰ পৰা এজনী মহিলাই ইয়াকুবৰ নাদৰ পৰা তেওঁৰ কলহ ভৰাই পানী নিবলৈ আহিছিল। হব পাৰে তেওঁ ইয়াৰ পানী পবিত্ৰ বুলি বিবেচনা কৰিছিল বুলি এই নাদলৈ অহাই শ্ৰেয় বুলি ভাবিছিল। সম্ভৱতঃ তেওঁ তেওঁৰ নগৰত ঘৃণিত আৰু উপেক্ষিত আছিল আৰু সেইবাবে তেওঁৰ নিজৰ মানুহবোৰক এৰাই চলিবলৈ বিচাৰিছিল। নাদৰ পাৰত এজন ইহুদীক বহি থকা দেখি তেওঁ নিশ্চয় বিৰক্ত হৈছিল, বিশেষকৈ যেতিয়া তেওঁৰ চেহেৰা আৰু পোচাকে তেওঁক এজন ধৰ্মীয় আলেম বুলি নিৰ্দেশ কৰিছিল। সাধাৰণতে এই মৰ্যদাৰ লোকবিলাকে চমৰীয়াবিলাকক অতিশয় ঘৃণা কৰিছিল।

মছীহ আৰু এই মহিলাজনীৰ মাজত যি বিৰাট অন্তৰায় বিৰাজ কৰিছিল, সেইবোৰ আমাৰ মনোযোগ আকৰ্ষণৰ উপযুক্ত:

১। প্ৰথমতে এই মহিলাজনী এজনী চমৰীয়া আছিল আৰু তেওঁ আছিল এজন ইহুদী ধৰ্মীয় আলেম। মহিলাজনী জাতিত ইহুদী আৰু দেওপূজকবিলাকৰ সংমিশ্ৰন আছিল আৰু জাতিগত বিশুদ্ধতা দাবী কৰা ইহুদীবিলাকৰ ধৰ্মীয় প্ৰতিদ্বন্দী আছিল। তিক্ততম বিবাদবোৰ নিঃসন্দেহে প্ৰকৃতিগতভাৱে ধৰ্মীয়।

বাবিলৰ নিৰ্বাসনৰ পৰা উলটি অহাৰ পাছত ইহুদীবিলাকে এবাদতখানা পুনৰ্নিৰ্মাণত চমৰীয়াবিলাকক অংশগ্ৰহণ কৰিবলৈ দিবলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে তেওঁলোকৰ প্ৰতি দুৰ্ব্যৱহাৰো কৰিছিল। প্ৰতিশোধ স্বৰূপে চমৰীয়াবিলাকে মৰা মানুহৰ হাড় দলিয়াই এবাদতখানা না-পাক কৰিছিল যাৰ ফলত দুই



দলৰ ব্যৱধান আৰু প্ৰশস্ত হৈছিল। ইহুদীবিলাকে জেৰুজালেমৰ এবাদতখানাত চমৰীয়াবিলাকৰ প্ৰবেশ নিষিদ্ধ কৰিছিল যি কাৰ্যই চমৰীয়াবিলাকক কোৰিছিম পৰ্বতত আৰু এটি এবাদতৰ স্থান বাছি লবলৈ বাধ্য কৰিছিল; দীৰ্ঘতৰ ইতিহাসৰ কাৰণে সেই স্থানক তেওঁলোকে জেৰুজালেমতকৈও পবিত্ৰ বুলি দাবী কৰিছিল। তেওঁলোকে আৰু দাবী কৰিছিল যে খোদাৰ উদ্দেশ্যে কোৰবানী দিয়াৰ উদ্দেশ্যে ইব্ৰাহীমে তাঁলৈকে ইচাহাকক লৈ আহিছিল।

২। দ্বিতীয় অসুবিধাটো আছিল এই যে, এজনী মহিলা হিচাবে তেওঁ খুব ভালকৈ জানিছিল যে, ইহুদী পুৰুষবিলাকে বিশেষকৈ ধৰ্মীয় আলেমবিলাকে জনসমক্ষে মহিলাবিলাকৰ লগত কথা পতা বা দৃষ্টি হোৱা যিমান বেছি এৰাই চলিছিল, এনে কি তেওঁলোক তেওঁলোকৰ স্ত্ৰী বা ভনী হলেও। প্ৰকৃততে তেওঁলোকৰ এটি মোনাজাতত তেওঁলোকে খোদাক ধন্যবাদ দিছিল এই কাৰণে যে, তেওঁলোকে নাৰীৰূপে নহয়, কিন্তু পুৰুষৰূপে জন্মিছে। তেনেহলে এজনী চমৰীয়া নাৰীৰ প্ৰতি তেওঁলোকৰ তাচ্ছিল্য আৰু কিমান বেছি হোৱাৰ কথা!

৩। তৃতীয় প্ৰতিবন্ধকটো আছিল এই–তাই এজনী ভ্ৰষ্টা নাৰী আছিল। যিজনীয়ে তেওঁৰ গোটেই জীৱন পাপত কটাইছে আৰু এতিয়াও পাপৰ পাশত আৱদ্ধ আছে। তেওঁক আৰু এজন সন্মানিত ইহুদী আলেমক কাৰো বা কোনোৰ পক্ষে কেনেকৈ একত্ৰিত কৰা সম্ভৱ হয়?

এই তিনিটা বাধাৰ কাৰণে আমাৰ পক্ষে এই কথা কোৱা যথাৰ্থ যে, দীৰ্ঘ পথ খোজকাঢ়ি আহি নাদৰ পাৰত ঈছা মছীহক বহি থকা দেখি মহিলাজনী অতিশয় বিচলিত হৈছিল। তেওঁ তেওঁৰ লগত কথা পাতিব বুলি তেওঁ নিশ্চিতভাৱে আশা কৰা নাছিল; একেদৰে তেৰোঁ তেওঁৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ঈছা মছীহৰ আদেশৰ প্ৰতি চাহাবীসকলৰ বাধ্যতাৰ কাৰণে; আৰু এই কাৰণেই মানুহবিলাকে তেওঁলোকৰ কথালৈ মনোযোগ দিছিল। এজন জ্ঞানী শ্ৰোতাই প্ৰদত্ত সাক্ষ্যৰ পৰা প্ৰয়োজনীয় উপদেশ আহৰণ কৰিব পাৰে। ব্যক্তিগত সাক্ষ্যৰ সমৰ্থন বৰ্জিত উপদেশ কেৱল দুৰ্বলহে হয়।

ঈছা মছীহ সম্বন্ধে চমৰীয়া তিৰোতাৰ কথাবোৰে ঈছা মছীহৰ ওচৰলৈ আহিবলৈ চুখৰ বাসীবিলাকৰ অন্তৰ প্ৰণোদিত কৰিছিল। বহু দূৰত তেওঁলোকক অহা দেখি ঈছা মছীহে প্ৰতীকী ভাষাত তেওঁৰ চাহাবীসকলক কৈছিল,“ ‘আৰু চাৰি মাহ হলে ধান দাবৰ সময় হব,’ এই কথা তোমালোকে নোকোৱা নে? চোৱা, মই তোমালোকক কওঁ, তোমালোকৰ চকু তুলি পথাৰলৈ চোৱা, এতিয়াও দাবলৈ বগা হৈছে।” নাজাতৰ সুখবৰ গ্ৰহণ কৰিবলৈ প্ৰস্তুত যিসকল চমৰীয়া লোক আগুৱাই আহিছিল, তেওঁলোকেই আছিল কাটিব পৰা শস্যৰ খেতি। তেওঁলোকক দেখি ঈছা মছীহ অতি আনন্দিত হৈছিল, কাৰণ তেওঁ দেখিবলৈ পাইছিল, অ-ইহুদীবিলাকৰ মাজৰ পৰা মহা-সংগ্ৰহৰ প্ৰথম শস্য এওঁলোকেই আছিল। তেওঁৰ আৰোগ্য সাধনৰ কোনো এটি আচৰিত কাৰ্য দেখিছিল বুলি তেওঁলোক ঈছা মছীহৰ ওচৰলৈ অহা নাছিল, অথবা তেওঁলোকে কোনো পাৰ্থিব লাভো বিচৰা নাছিল। সম্পূৰ্ণৰূপে, তেওঁক দেখা পাবলৈ আৰু তেওঁৰ শিক্ষা শুনিবলৈকে তেওঁলোক আহিছিল। তেওঁলোক আছিল তেওঁৰ পৰিশ্ৰমৰ শস্য যিহেৰে তেওঁ মন পৰিবৰ্ত্তন আৰু ঈমানৰ মাধ্যমেৰে এজনী পাপিষ্ঠা নাৰীক নাজাতৰ পথত চালিত কৰিছিল।

সেই নগৰৰ বহু চমৰীয়া লোকে এই তিৰোতাজনীৰ সাক্ষ্যৰ কাৰণে ঈমান আনিছিল। বহু সংখ্যকে তেওঁৰ সাক্ষাৎ পোৱাৰ আৰু কথা শুনাৰ পিছত ঈমান



পৰা ভিন্ন প্ৰকাৰৰ। জীৱনময় পানীয়ে অনন্ত কালৰ বাবে তৃষ্ণাৰ নিবৃত্তি কৰে আৰু যিজনে পান কৰে তেওঁৰ ভিতৰত সেয়ে পানীৰ ভুমুকত পৰিণত হয় যি অনন্ত জীৱন পৰ্যন্ত বুৰবুৰাই থাকে। ইয়াৰ ফলত, যি জনাই তেওঁৰ ওচৰত প্ৰথম পানী বিচাৰিছিল, তেওঁৰ ওচৰত অনুৰোধ ৰাখিলে, “জনাব, মোৰ পিয়াহ যেন নালাগে আৰু পানী তুলিবলৈ যেন মই ইয়ালৈ নাহোঁ, এই নিমিত্তে সেই পানী মোক দিয়ক।”

নাজাত গ্ৰহণৰ প্ৰথম চৰ্তটো হল বিবেকৰ জাগৰণ, যাতে গুণাহগাৰে এজন নাজাতদাতাৰ প্ৰয়োজন উপলব্ধি কৰে আৰু প্ৰকৃত অনুতাপ প্ৰকাশ কৰে। এই কাৰণত, তেওঁক আৰোগ্য কৰাৰ আগতে এই চিকিৎসকক আমি তেওঁক আঘাত দিয়া দেখিবলৈ পাওঁ। কি ধৰণৰ আঘাত তেওঁ তেওঁক দিছিল তাৰ পৰাই চিকিৎসকজনৰ দক্ষতা পৰিস্ফুট হৈছিল। যি ব্যাধিয়ে আক্ৰমণ কৰিছিল, তাৰ পৰা তেওঁ তেওঁৰ দেহক নিৰাময় কৰিছিল। ঈছা মছীহে তেওঁক তেওঁৰ স্বামীক তালৈ মাতি আনিবলৈ কলে। যেতিয়া তেওঁ স্বীকাৰ কৰিলে যে তেওঁৰ স্বামী নাই, তেতিয়া তেওঁ প্ৰকাশ কৰি দিছিল যে তেওঁৰ লজ্জাজনক অতীত আৰু তেওঁৰ বৰ্ত্তমানৰ হীন অৱস্থাৰ জীৱন যাপন সকলোৰেই তেওঁ জানে। তেওঁৰ দয়া তিৰোতাজনীৰ ভ্ৰষ্ট অৱস্থা সম্বন্ধে অজ্ঞতাৰ ফল নাছিল। মছীহৰ ওচৰলৈ আত্মাবোৰক আকৰ্ষণ কৰাৰ এটা উৎকৃষ্ট উদাহৰণ আমি ইয়াৰ মাজত প্ৰতক্ষ্য কৰোঁ। মানুহবিলাকৰ ত্ৰুটিবোৰৰ ওপৰত তিক্ত আক্ৰমণ চলাই সকলো সময়ত আমি তেওঁলোকক মছীহৰ বাবে জয় কৰিব নোৱাৰোঁ। কিন্তু আত্মাৰ শত্ৰু চয়তান সদা-সতৰ্ক। সি যেতিয়া দেখিলে যে তিৰোতাজনীয়ে নাজাতদাতাৰ কথাত মনোযোগ দিছে, তেতিয়া সি তাৰ অন্যতম প্ৰসিদ্ধ কৌশল অৱলম্বন



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিলে; এবাদতৰ সঠিক স্থান সম্পৰ্কিত ইহুদী আৰু চমৰীয়াবিলাকৰ মাজৰ সাম্প্ৰদায়িক বিতৰ্কৰ প্ৰতি সি তিৰোতাজনীৰ মনোযোগ নিবদ্ধ কৰিবলৈ চেষ্টা কৰিছিল। চয়তানে তেওঁক এনে এটি বিতৰ্কৰ ফালে চালিত কৰিছিল যিটোৱে অগণন ধৰ্মানুসাৰীক প্ৰতাৰিত কৰিছে; সেয়া হল এই বিশ্বাস যে ধৰ্ম এনে এটা বস্তু যিটো কোনোৱে তেওঁৰ পিতৃ-মাতৃৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰে। এইদৰে অনেকেই তেওঁলোকৰ পিতৃপুৰুষবিলাকৰ পদাঙ্ক অনুসৰণ কৰিয়েই সন্তুষ্ট থাকে। যি হওক, তেওঁৰ বিবেক জাগ্ৰত হোৱাৰ পিছত চমৰীয়া তিৰোতাজনীৰ হৃদয়ত বিশ্বাসৰ জন্ম হৈছিল। এই ইহুদী অচিনাক্ত লোকজনৰ মাজত তেওঁ এজন নবীক দেখিবলৈ পাইছিল, কাৰণ তেওঁ কৈছিল, "হুজুৰ, মই এতিয়া বুজিব পাৰিলোঁ, আপুনি এজন নবী।" এই ভাৱে, ধৰ্ম বিষয়ক সত্যটি তেওঁৰ ওচৰত প্ৰকাশ কৰিবলৈ মছীহৰ উদ্দেশ্যে তেওঁ এখন নতুন দুৱাৰ খুলি দিছিল।

সেই মঞ্চৰ পৰা ঈছা মছীহে মৌলিকভাৱে এটি গুৰুত্বপূৰ্ণ ধৰ্মোপদেশ দিছিল। ই সংক্ষিপ্ত আৰু ক্ষমতাপূৰ্ণ আছিল। ইয়াৰ মাজেদি ঈছা মছীহে ঘোষণা কৰিছিল যে, এবাদতৰ ঘৰত বা পবিত্ৰ পাত্ৰ আদিত পবিত্ৰতাই অৱস্থান নকৰে, কিন্তু অৱস্থান কৰে হৃদয়ত। যি যুগত খোদাৰ এবাদত কেৱল মাত্ৰ বিশেষ বিশেষ স্থানত হৈছিল, মানুহবিলাকে তালৈ তেওঁলোকৰ কোৰবানী উৎসৰ্গ কৰিবলৈ গৈছিল, ঈছা মছীহৰ আগমণত সেই যুগৰ পৰিসমাপ্তি ঘটিছিল। দেওপূজকবোৰৰ অলীক দেৱতাবোৰৰ আৰাধনাৰ নিৰ্দ্দিষ্ট ঘৰ স্থাপন কৰা হয়, কিন্তু তেওঁ একমাত্ৰ সত্য খোদা, তেওঁ ৰূহ আৰু মানুহবিলাকে যিমান দিন পৰ্যন্ত সত্যত ও ৰূহত এবাদত কৰে, সিমান দিনলৈকে তেওঁলোকে যি স্থানতেই এবাদত নকৰক কিয়, তেওঁ তেওঁলোকক গ্ৰহণ কৰি থাকে। নবী



কাৰ্য সিদ্ধ কৰাই তেওঁৰ খাদ্য।

ঈছা মছীহক দেখা পাই, তেওঁৰ বাণী শুনি আৰু তেওঁৰ ওপৰত ঈমান আনি চমৰীয়া তিৰোতাজনী ইমান আনন্দিত হৈছিল যে, নাদৰ পাৰত তেওঁৰ কলহ পেলাই থৈ তেওঁৰ নগৰবাসীবিলাকৰ ওচৰত সু-সংবাদটো ঘোষণা কৰিবলৈ নিজৰ নগৰলৈ দৌৰি গৈছিল। কিন্তু এজনী পতিতাৰ প্ৰচাৰ কোনে শুনিবলৈ খুজিব ? হয়তো তেওঁৰ অন্তৰত যি পৰিবৰ্ত্তন ঘটিছিল, সেয়া তেওঁৰ মুখৰ চেহেৰাত, অঙ্গীভঙ্গীত আৰু তেওঁৰ কণ্ঠস্বৰত প্ৰকাশ পাইছিল। তেওঁৰ নগৰবাসীবিলাকে তেওঁৰ সাক্ষ্যৰ প্ৰতি সন্মান দেখুৱাইছিল যেতিয়া তেওঁ কৈছিল, "মই যি যি কৰিলোঁ, সেই সকলোকে মোক কলে, এনে এজন মানুহক আহি চোৱাহঁক; তেওঁ নো মছীহ নে ?" তেওঁ বিচাৰিছিল তেওঁলোকে নিজেই গৈ তেওঁক দেখে আৰু তেওঁৰ কথা শুনে, যাতে তেওঁলোকে এই বিষয়ত তেওঁলোকৰ মন স্থিৰ কৰিব পাৰে। তেওঁ তেওঁৰ সাক্ষ্য দিছিল আৰু ফলাফল তেওঁৰ শ্ৰোতাবিলাকৰ বিবেক ও মনৰ ওপৰত এৰি দিছিল। ইয়াৰ মাজেদি অন্যৰ ওচৰত সুখবৰ ভগাই লোৱাৰ এটি উত্তম দৃষ্টান্ত তেওঁ আমাৰ বাবে ৰাখি থৈ গৈছে। উপদেশ দিয়াতকৈ বৰং উত্তম ব্যক্তিগত সাক্ষ্য দিব পৰাৰ মাজতেই ফলপ্ৰসূ সাক্ষ্যৰ শক্তি নিহিত হৈ থাকে। জ্ঞানী আত্মাজয়কাৰীয়ে এই কথাই কয়, যি জবুৰ লেখকে কৈছিল, *"মাবুদ যে মেহেৰবান, তাক তোমালোকে আস্বাদন কৰি চোৱা"* (জবুৰ ৩৪:৮)।

বেহেস্তলৈ আৰোহণ কৰাৰ পূৰ্বে ঈছা মছীহে যেতিয়া তেওঁৰ চাহাবীসকলৰ পৰা বিদায় লৈছিল তেতিয়া তেওঁ তেওঁলোকক কৈছিল, তেওঁলোকৰ প্ৰধান কাৰ্য হব পৃথিৱীৰ সীমালৈকে তেওঁৰ সাক্ষী হোৱা (প্ৰেৰিত ১:৮)। ইয়াৰ পিছত যি আচৰিত ফলাফল হৈছিল, সেয়া হৈছিল



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কিনি চুখৰ নগৰৰ পৰা উভটি অহাৰ পিছত তেওঁ আৰু তেওঁৰ সহ-চাহাবীসকল কিমান আচৰিত হৈছিল, কাৰণ এজনী অপৰিচিতা চমৰীয়া তিৰোতাৰ লগত তেওঁলোকৰ মনিবক নিষ্ঠাৰে কথা পাতি থকা দেখিবলৈ পাইছিল। চাহাবীসকলৰ বিস্ময়ত আমি অলপো অবাক নহওঁ। তাৰ পৰিবৰ্তে পৰিস্থিতি বিবেচনা কৰি, তেওঁলোকৰ আচৰণ আৰু শোভনীয়তা ৰক্ষাৰ বাবে আমি তেওঁলোকৰ প্ৰশংসা কৰোঁ। তেওঁলোকৰ মাজত কাৰো এনে দুঃসাহস হোৱা নাছিল যে তেওঁক প্ৰশ্ন কৰে, তিৰোতাজনীয়ে তেওঁৰ ওচৰত কি বিচাৰিছিল বা তেওঁ কিয় তেওঁৰ লগত কথা পাতিছিল। তেওঁলোকে যেনে আশা কৰিছিল, সেই মতে যেতিয়া তেওঁৰ আগত ৰখা আহাৰ তেওঁ খোৱা নাছিল, তেতিয়া তেওঁলোকে কৈছিল, "ৰব্বি, আপুনি ভোজন কৰক।" তেওঁলোকৰ বিস্ময় আৰু বাঢ়ি গৈছিল যেতিয়া তেওঁ কৈছিল, "মোৰ ওচৰত এনে আহাৰ আছে যাৰ কথা তোমালোকে নাজানা।"

ওপৰৰ পৰা জন্মগ্ৰহণ কৰাৰ দ্বাৰা অনন্ত জীৱন লাভ কৰা সম্বন্ধে ঈছা মছীহে নীকদীমৰ সৈতে আলোচনা কৰিছিল। তেওঁ যি বুজাব খুজিছিল নীকদীমে তাক বুজিব পৰা নাছিল। চমৰীয়া তিৰোতাজনীক তেওঁ জীৱনদায়ক জীৱনময় পানীৰ কথা কৈছিল। কিন্তু তেৰোঁ সেই কথা বুজিবলৈ সক্ষম হোৱা নাছিল। যি খাদ্যৰ কথা তেওঁলোকে নাজানিছিল, সেই খাদ্যৰ বিষয়ে ঈছা মছীহে চাহাবীসকলক কৈছিল। তেওঁলোকেও তাক বুজিব পৰা নাছিল আৰু পৰস্পৰে কোৱাকুই কৰিবলৈ আৰম্ভ কৰিছিল, "খাবলৈ এওঁক কোনোবাই কিবা আনি দিলে নে কি ? " তেওঁলোকৰ সন্দেহ দূৰ কৰিবলৈ ঈছা মছীহে পলম কৰা নাছিল। তেওঁ তেওঁলোকক বুজাই দিছিল যে, তেওঁৰ প্ৰেৰণকাৰী পিতাৰ ইচ্ছা পালন কৰা আৰু তেওঁৰ



মলাখীয়ে যি কালৰ বিষয়ে ভবিষ্যদ্বাণী কৰিছিল সেই কাল উপস্থিত হৈছিল:

> কিয়নো সূৰ্য উদয় হোৱা ঠাইৰ পৰা
> অস্ত যোৱা ঠাইলৈকে
> পৰজাতিবিলাকৰ মাজত মোৰ নাম মহান,
> আৰু প্ৰত্যেক ঠাইত মোৰ নামেৰে
> খুচবু আৰু পাকচাফ নজৰানা উৎসৰ্গ কৰা হৈছে;
> কাৰণ আচ্মানী ফৌজৰ মাবুদে কৈছে,
> মোৰ নাম পৰজাতিবিলাকৰ মাজত মহান।
> (মলাখী ১:১১)

যি নহওক, এই সত্যই এবাদতৰ বিশেষ স্থানৰ উৎসৰ্গীকৰণক আৰু সেইবোৰৰ প্ৰতি যথাৰ্থ সন্মানক বাতিল কৰি নেপেলায়। সেয়া গ্ৰহণযোগ্য ধৰ্মীয় প্ৰথা হব পাৰে, কিন্তু আমি অৱশ্যেই সেইবোৰৰ প্ৰতি পবিত্ৰতা আৰোপ কৰাৰ চূড়ান্ত সীমালৈ যোৱাৰ পৰা নিৰস্ত থাকিম। সাধু বা ধৰ্মবীৰবিলাকৰ স্মৃতিবাহী নিদৰ্শনৰ পৰা, অথবা মছীহী প্ৰতীক অনুষ্ঠানৰ সামান্য উপাদানৰ পৰা, অথবা বিশেষ বিশেষ ব্যক্তি বা ইমাৰত বা স্তম্ভ স্পৰ্শ কৰি আমি আশীৰ্বাদ লাভ কৰোঁ, আমি এনেদৰে ভবা উচিত নহয়।

জেৰুজালেমক ঈছা মছীহে পবিত্ৰ স্থান বুলি বিবেচনাৰ পৰা বাদ দিয়াৰ সময়ত তেওঁ এই কথাই কবলৈ বিচাৰিছিল যে, খোদা ৰূহ হোৱাৰ হেতুকে মানুহে যি কোনো স্থানত এবাদত কৰিব পাৰে আৰু তেওঁৰ প্ৰতি আৰাধনা হব লাগিব ৰূহত, যি কোনো বাহ্য অনুশাসনৰ ওপৰত নিৰ্ভৰশীল নহয়। আমি তেওঁক এবাদত কৰিব লাগিব আমাৰ হৃদয়ৰ অন্তঃস্থলৰ পৰা। ঈছা মছীহে চমৰীয়া তিৰোতাজনীক বুজাই দিছিল যে, যিবিলাকে তেওঁক সত্যত ও ৰূহত এবাদত কৰে তেওঁলোক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সকলোৰে বাবে খোদাক লাভ কৰাৰ দুৱাৰ মুকলি আছে; ইয়াৰ ভিতৰত অ-ইহুদীবিলাকো অৰ্ন্তভুক্ত। তেওঁলোকৰ লজ্জাজনক অতীত সহ তেওঁ তেওঁলোকক গ্ৰহণ কৰে। চমৰীয়া তিৰোতাজনীয়ে নূৰৰ বাবে যেতিয়া তেওঁৰ হৃদয়-দুৱাৰ খুলি দিছিল, তেতিয়া খোদাই অবিলম্বে তেওঁক আৰু নূৰ দিছিল; ইহুদী নেতাবিলাক, ধৰ্মানুগত নীকদীম অথবা তেওঁৰ বন্ধু প্ৰতীম চাহাবীসকলৰ ওচৰত তেওঁ যি প্ৰকাশ কৰা নাছিল, তাক তেওঁৰ ওচৰত প্ৰকাশ কৰি তেওঁ তেওঁক সন্মানিত কৰিছিল। তেওঁ তেওঁক কৈছিল, "তোমাৰে সৈতে কথা-বাৰ্ত্তা হোৱা, ময়েই সেই জন।" তেৱেঁই যে মছীহ এই কথা সেই সময়লৈকে তেওঁ অন্য কাৰো ওচৰত কোৱা নাছিল। কিন্তু তেওঁ এই সত্যটো চমৰীয়া তিৰোতাজনীৰ আগত ঘোষণা কৰিছিল, কাৰণ তেওঁ স্বীকাৰ কৰিছিল যে তেওঁ এজন নবী।

*এনে সময়তে ঈছাৰ চাহাবীসকলে আহি এজনী তিৰোতাৰ লগত ঈছাক কথা পতা দেখি আচৰিত হল। কিন্তু তথাপি তেওঁলোক কোনেও নকলে, "আপুনি কি বিচাৰিছে?" বা "আপুনি কিয় তেওঁৰ লগত কথা পাতিছে?" সেই তিৰোতাজনীয়ে তেতিয়া তেওঁৰ কলহ পেলাই থৈ নগৰলৈ গল আৰু মানুহবিলাকক কলে, "মই যি যি কৰিলোঁ, সেই সকলোকে মোক কলে, এনে এজন মানুহক আহি চোৱাহঁক; তেওঁ নো মছীহ নে?" ইয়াকে শুনি মানুহবিলাকে নগৰৰ পৰা ওলাই ঈছাৰ ওচৰলৈ আহিব ধৰিলে।*

*ইতিমধ্যে তেওঁৰ চাহাবীসকলে তেওঁক অনুৰোধ কৰি কলে, "ৰব্বি, আপুনি ভোজন কৰক।" ঈছাই তেওঁলোকক কলে, "মোৰ ওচৰত এনে আহাৰ আছে যাৰ কথা তোমালোকে নাজানা।" তাতে চাহাবীসকলে কোৱাকুই কৰিবলৈ ধৰিলে, "খাবলৈ এওঁক কোনোবাই*



*কিবা আনি দিলে নে কি?" তেতিয়া ঈছাই তেওঁলোকক কলে, "মোক পঠোৱা জনাৰ ইচ্ছা পালন কৰা আৰু তেওঁৰ কাৰ্য সিদ্ধি কৰাই মোৰ আহাৰ। 'আৰু চাৰি মাহ হলে ধান দাবৰ সময় হব,' এই কথা তোমালোকে নোকোৱা নে? চোৱা, মই তোমালোকক কওঁ, তোমালোকৰ চকু তুলি পথাৰলৈ চোৱা, এতিয়াও দাবলৈ বগা হৈছে। আৰু যি জনে দায়, সেই জনে বেচ পায় আৰু অনন্ত জীৱনলৈ শস্য চপায়; তাতে ধান বওঁতা আৰু ধান দাওঁতা, এই দুয়ো একেলগে আনন্দ কৰে। কিয়নো এজনে বয়, আন জনে দায়, এই কথা ইয়াত স্বৰূপকৈ খাটিছে। যিহত তোমালোকে শ্ৰম কৰা নাই, তাক দাবলৈ তোমালোকক পঠালোঁ; আনবিলাকে শ্ৰম কৰিলে আৰু তোমালোক তেওঁবিলাকৰ শ্ৰমতে সোমাইছা।"*

*যি তিৰোতাজনীয়ে এই কথা কৈ সাক্ষ্য দিছিল যে, তেওঁ জীৱনত যি যি কৰিছে সেই সকলোৱে তেওঁ তেওঁক কৈ দিছে, তেওঁৰ কথা শুনি সেই নগৰৰ অনেক চমৰীয়া মানুহে ঈছাৰ ওপৰত ঈমান আনিলে। তেওঁলোকে ঈছাৰ ওচৰলৈ গৈ তেওঁলোকৰ লগত কিছু দিন থাকিবলৈ অনুৰোধ কৰিলে। সেইবাবে ঈছাই তাত দুদিন থাকিল। তেতিয়া তেওঁৰ কথা শুনি আৰু অনেক লোকে ঈমান আনিলে। তেওঁলোকে সেই তিৰোতাক কলে, "এতিয়া যে আমি ঈমান আনিছোঁ সেয়া তোমাৰ কথাত নহয়, কিন্তু আমি নিজেই তেওঁৰ কথা শুনি বুজিব পাৰিছোঁ যে তেওঁ সঁচাই জগতৰ উদ্ধাৰকৰ্ত্তা।"* (ইউহোন্না ৪:২৭-৪২)।

চমৰীয়া তিৰোতাৰ লগত মছীহৰ কথাবতৰাৰ সময়ত তেওঁৰ চাহাবীসকলৰ কোনো উপস্থিত নাছিল। নিঃসন্দেহে ঈছা মছীহৰ মৰমৰ চাহাবী ইউহোন্নাই এই বিষয়ে মছীহৰ অথবা তিৰোতাজনীৰ পৰা শুনিবলৈ পাইছিল। তেওঁ আমাক জনাইছে, তেওঁলোকে খোৱাবস্তু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মছীহে মানুহবিলাকৰ আগত তেওঁৰ প্ৰথম উপদেশ দিলে। লূকে কৈছে, ঈছা মছীহে তেওঁৰ নিয়ম অনুসৰি মজলিচ-খানালৈ গৈছিল। তেওঁৰ জীৱনৰ পূৰ্বৰ ত্ৰিশ বছৰত মজলিচ-খানালৈ তেওঁৰ গমন গণিলে হয়তো সহস্ৰৰ ঘৰত গণা সম্ভৱ হলহেঁতেন।

ঈছা মছীহে মজলিচ-খানাত প্ৰৱেশ কৰাৰ পিছত তাৰ সকলোবোৰেই তেওঁ আগতে তাত থকাৰ সময়ত যেনে আছিল তেনেকৈয়ে দেখিবলৈ পালে। চিৰাচৰিত মোনাজাতবোৰ তেওঁ শুনিলে আৰু নবীবিলাকৰ কিতাব পাঠ কৰাৰ সময় আহিলত তেওঁ উঠি থিয় হল, অৰ্থাৎ তেওঁ এই ইঙ্গিত কৰিলে, মজলিচৰ নেতাই সুযোগ দিলে তেওঁ তাক পাঠ কৰিব। ঈছা মছীহৰ হাতত ইশাইয়া নবীৰ কিতাবখন দিয়া হল। তেওঁ যি অংশটো পাঠ কৰিলে সেয়া সেইদিনৰ কাৰণে নিৰ্ধাৰিত কৰা আছিল। পাক-কিতাবৰ এই অংশটি আছিল – এই পৃথিৱীত তেওঁৰ আগমনৰ উদ্দেশ্য সম্পৰ্কিত আৰু তেওঁৰ ৰাজ্যৰ বৈশিষ্ট্য সম্পৰ্কিত এটি ভবিষ্যদ্বাণী যি তেতিয়া আসন্ন আছিল। ইয়াত প্ৰথমে তেওঁৰ অভিষেক সম্বন্ধে এই কথা কোৱা হৈছে যে, নবী, ইমাম ও ৰজা হিচাপে পৃথক কৰি খোদাৰ প্ৰেৰণৰ মাধ্যমত তেওঁক 'মছীহ' খিতাবটো দিয়া হৈছে। মছীহ ৰূপে তেওঁৰ কাৰ্য হল: দৰিদ্ৰবিলাকৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰা, বন্দীবিলাকৰ আগত মুক্তি ঘোষণা কৰা, অন্ধবিলাকৰ দৃষ্টিশক্তি ঘূৰাই দিয়া, নিপীড়িতবিলাকক স্বাধীন কৰা আৰু মাবুদৰ প্ৰসন্নতাৰ বছৰ ঘোষণা কৰা (ইশাইয়া ৬১:১-২)।

ইহুদীবিলাকৰ বাবে মাবুদৰ প্ৰসন্নতাৰ বছৰ এটি জয়ন্তী উৎসৱ আছিল যি পঞ্চাশ বছৰত এবাৰ আহিছিল। খুব সম্ভৱ সেই বছৰটো জয়ন্তীৰ বছৰ আছিল। ঈছা মছীহৰ শ্ৰোতাবিলাকে ভাবিছিল, বন্দীবিলাকক মুক্ত কৰা আৰু নিপীড়িতবিলাকক স্বাধীন কৰাৰ অৰ্থ আছিল ৰোমীয়



আনিছিল। তেওঁলোকে তেওঁক তেওঁলোকৰ নগৰত থাকিবলৈ অনুৰোধ জনালে। এয়া আছিল ইশায়া নবীৰ ভবিষ্যদ্বাণীৰ পূৰ্ণতা: *"যিবিলাকে মোক নিবিচাৰিলে, সিবিলাকক মোৰ পৰামৰ্শ লোৱাব খুজিলোঁ; আৰু যিবিলাকে মোক অন্বেষণ নকৰিলে, সেইবিলাকক মোক পোৱাব খুজিলোঁ; যি জাতি মোৰ নামেৰে প্ৰখ্যাত নহল, এনে জাতিৰ আগত 'এইয়া চোৱা, মই আছোঁ, মই আছোঁ,' এই বুলি মই কলোঁ"* (ইশায়া ৬৫:১)। তেওঁৰ জাতিৰ প্ৰচলিত প্ৰথাৰ পৰা ভিন্ন ধৰণে ঈছা মছীহে আচৰণ কৰিছিল। তেওঁ বিচাৰিছিল যেন তেওঁৰ চাহাবীসকলে তেওঁৰ দৃষ্টান্তৰ অনুসৰণ কৰে। চুখৰ নগৰত তেওঁ দুদিন আছিল। এয়া আছিল এইবোৰ গাওঁ আৰু চহৰত আৰু ব্যাপক শস্য দাবৰ সূচনা মাত্ৰ যি তেওঁৰ বেহেস্তলৈ আৰোহণৰ পিছত ৰছুলসকলৰ সময়ত সংগৃহীত হব।

ঈছা মছীহ সম্বন্ধে চমৰীয়াবিলাকৰ সাক্ষ্য কিমান মহৎ আছিল! তেওঁলোকে কৈছিল যে, সত্যই তেওঁ মছীহ, দুনিয়াৰ নাজাতদাতা আছিল। তেওঁৰ মাজত তেওঁলোকে মানৱ জাতিৰ নাজাতৰ আশা দেখিবলৈ পাইছিল। সেই নগৰখন কিমানেই মহানুভৱ যি সেই দেহক বিশ্ৰামৰ ঠাই দিছিল, যাৰ মাজত বাস কৰিছিল পবিত্ৰ ত্ৰিত্বৰ দ্বিতীয় ব্যক্তিত্ব, অনন্তকলীয়া পুত্ৰ, পিতাৰ "কোলাত থকা একমাত্ৰ পুত্ৰ" (ইউহোন্না ১:১৮)। বিনষ্ট হবলৈ ওলোৱা সেই চমৰীয়া নাৰীৰ ওচৰত এই কাৰ্য কিমান মধুৰ আছিল! ইয়াৰ পিছতে তেওঁ বিচাৰি পাইছিল জীৱনময় পানী। তেওঁ তেওঁৰ দেহৰ তৃষ্ণা পূৰ কৰিবলৈ বিচাৰিছিল, কিন্তু যি মছীহক তেওঁ দেখা পাইছিল, তেওঁ তেওঁক পানীৰ এক ভুমুক দিছিল যি অনন্ত জীৱনলৈকে বুৰবুৰাই আছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সাত

# শিক্ষাদানকাৰী চিকিৎসক ঈছা মছীহ

ঈছা মছীহে গালীলত অলৌকিক কাৰ্য সম্পাদন কৰি তেওঁৰ পৰিচৰ্যা আৰম্ভ কৰা নাছিল। মজলিচ-খানাত খোদাৰ ৰাজ্যৰ শুভবাৰ্ত্তা প্ৰচাৰ কৰিহে তেওঁ আৰম্ভ কৰিছিল। তিৰস্কাৰ বা ভীত-সন্ত্ৰস্ত কৰা তেওঁৰ প্ৰচাৰৰ উদ্দেশ্য নাছিল। তেওঁৰ ভাব-ভাষা মহব্বতেৰে পূৰ্ণ আছিল, যি জনাই গুণাহগাৰসকলৰ প্ৰতি খোদাৰ মহব্বত ঘোষণা কৰিবলৈ আহিছিল। তেওঁ আহিছিল ধাৰ্মিকতা, শান্তি ও আনন্দৰ ৰাজ্য কায়েম কৰিবলৈ। যি কোনোৱে তেওঁৰ কথা শুনিছিল, তেওঁলোক সকলোৱে তেওঁৰ গৌৰৱ কৰিছিল, যদিও তেওঁলোকে তেওঁৰ মানবিক উৎসৰ বিষয়েহে জ্ঞাত আছিল। ঈছা মছীহে ঘোষণা কৰিছিল যে, কাল সম্পূৰ্ণ হৈছে আৰু খোদাৰ ৰাজ্য ওচৰ হৈছে (মাৰ্ক ১:১৫)। ইয়াৰ দ্বাৰাই তেওঁ তৌৰাতত উল্লেখিত তেওঁৰ নিজৰ আগমণ সম্পৰ্কে ভবিষ্যদ্বাণীবোৰৰ প্ৰতি ইংগিত কৰিছিল। কালৰ এই পূৰ্ণতা সম্বন্ধে হজৰত পৌলে কৈছে, "*কিন্তু পাছে কাল সম্পূৰ্ণ হলত,…তিৰোতাত জন্ম পোৱা আৰু শৰীয়তৰ অধীনে জন্ম পোৱা নিজ পুত্ৰক খোদাই পঠাই দিলে*' (গালাতীয়া ৪:৪-৫)। ঈছা মছীহৰ প্ৰচাৰ তৃৰীকাদাতা ইয়াহিয়াৰ প্ৰচাৰৰ লগত সংগতিপূৰ্ণ আছিল, যিজনে কৈছিল, "*মন পালটোৱা; কিয়নো বেহেস্তী ৰাজ্য ওচৰ হল*' (মথি ৩:২)।

**ৰাজ-কৰ্মচাৰীৰ ল'ৰাক সুস্থ কৰা**

"*গালীলৰ কান্না নগৰত, য'ত তেওঁ পানীক আঙুৰ ৰস কৰিছিল, তালৈ ঈছা আকৌ আহিল। তেতিয়া, যাৰ*



কফৰনাহূমত তুমি যি যি কৰা শুনিলোঁ, সেই সকলোকে এই নিজৰ দেশতো কৰা।' "

তেওঁ আৰু কলে, "মই তোমালোকক স্বৰূপকৈ কওঁ যে কোনো নবী নিজৰ দেশত গ্ৰাহ্য নহয়। মই তোমালোকক সত্যৰূপে কওঁ, ইলিয়াচৰ দিনত যেতিয়া তিনি বছৰ ছমাহ বৃষ্টি হোৱা নাছিল আৰু গোটেই দেশত বৰ আকাল হৈছিল, তেতিয়া ইস্ৰায়েলৰ মাজত অনেক বিধবা আছিল। কিন্তু ইলিয়াচক তেওঁলোকৰ কাৰো ওচৰলৈ পঠোৱা নহৈ, কেৱল চীদোন প্ৰদেশৰ চাৰিফৎ নগৰলৈ এজনী বিধবা তিৰোতাৰ ওচৰলৈ পঠোৱা হল। আৰু নবী ইলিছাৰ দিনত, ইস্ৰায়েলৰ মাজত অনেক কুষ্ঠৰোগী আছিল, কিন্তু তেওঁবিলাকৰ কাকো ভাল কৰা নহৈ, কেৱল চিৰিয়া দেশৰ নামানক ভাল কৰা হল।" এই কথা শুনি মজলিচ-খানাত থকা সকলোৱে ক্ৰোধেৰে পৰিপূৰ্ণ হৈ উঠি, ঈছাক নগৰৰ বাহিৰ কৰি, যি পৰ্বতৰ ওপৰত তেওঁলোকৰ নগৰ পতা হৈছিল, সেই পৰ্বতৰ পৰা তেওঁক তললৈ পেলাবলৈ তাৰ টিঙলৈ নিলে। কিন্তু তেওঁ তেওঁবিলাকৰ মাজেদি গৈ, ওলাই গুচি গল। (লূক ৪:১৬-৩০)

পোন্ধৰ মাহ অনুপস্থিত থকাৰ পিছত ঈছা মছীহ কান্না নগৰৰ পৰা নাচৰতলৈ উভটি আহিল। এই মাহবোৰত তেওঁ কিছু আত্মিক অভিজ্ঞতা লাভ কৰিছিল যি তেওঁৰ চাৱনি আৰু কৰ্ম্মৰ ধৰনত প্ৰতীয়মান হৈছিল। তেওঁৰ নগৰবাসীবিলাকে লক্ষ্য কৰিলে, তেওঁ সলনি হৈছে; তেওঁ এতিয়া এক ভিন্ন ব্যক্তিত্ব। অন্যান্য চহৰ-নগৰত তেওঁ কৰা আচৰিত কাৰ্য সম্বন্ধে তেওঁলোকে প্ৰচুৰ শুনিছে। তেওঁলোকে আশা কৰিছিল, নাচৰততো তেওঁ একে ৰকমেই কৰিব, বিশেষকৈ এই কাৰণে যে তেওঁ তেতিয়া তেওঁৰ আত্মীয় আৰু বন্ধুবিলাকৰ লগত আছিল। যি হওক, আচৰিত কাৰ্যতকৈ ঈছা মছীহ কিন্তু বেছি আগ্ৰহী আছিল শিক্ষাদানত। এটি শনিবাৰে মজলিচ-খানাত ঈছা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বাবে আৰু তেওঁৰ পৰিয়ালৰ বাবেও। নিজ প্ৰজ্ঞাত ও মহববতত বেহেস্তী পিতাই আশীৰ্বাদ লাভৰ উদ্দেশ্যে আমাক দুঃখ-কষ্টৰ মাজেদি অতিক্ৰম কৰিবলৈ দিয়ে।

**নাচৰতত শিক্ষাদান**

ইয়াৰ পিছত ঈছা নাচৰতলৈ গল। ইয়াতেই তেওঁ প্ৰতিপালিত হৈছিল। তেওঁ নিজৰ নিয়ম অনুসৰি বিশ্ৰামবাৰে মজলিচ-খানাত সোমাই, পাঠ কৰিবলৈ থিয় হল। তাতে নবী ইশায়াৰ কিতাব তেওঁৰ হাতত দিয়া হল, তেওঁ সেই কিতাব মেলি, এই বচন লিখা ঠাই পালে–

> “প্ৰভুৰ ৰূহ মোৰ ওপৰত আছে,
> কিয়নো দৰিদ্ৰবিলাকৰ আগত শুভবাৰ্ত্তা
> প্ৰচাৰ কৰিবলৈ,
> তেওঁ মোক অভিষিক্ত কৰিলে;
> বন্দীয়াৰৰ আগত মুক্তিৰ,
> আৰু অন্ধবিলাকৰ আগত পুনৰ্বায় চকু পোৱাৰ
> কথা ঘোষণা কৰিবলৈ,
> চেপা-খোৱাবিলাকক মুকলি কৰিবলৈ,
> আৰু প্ৰভুৰ গ্ৰাহ্য বছৰ
> ঘোষণা কৰিবলৈ মোক পঠালে।”

পাছে তেওঁ কিতাবখন জপাই পৰিচাৰকৰ হাতত দি বহিল। তাতে মজলিচ-খানাত থকা আটাইবিলাকৰ চকু তেওঁত লাগি আছিল। তেতিয়া ঈছাই তেওঁবিলাকক কবলৈ ধৰিলে, “পাক-কিতাবৰ এই কথা তোমালোকৰ কাণত আজি সিদ্ধ হল।” তাতে সকলোৱে তেওঁৰ পক্ষে সাক্ষ্য দি, তেওঁৰ মুখৰ পৰা ওলোৱা অনুগ্ৰহৰ কথাত বিস্ময় মানি কলে, “এওঁ ইউচুফৰ পুত্ৰ নহয় নে?” তেতিয়া তেওঁ তেওঁবিলাকক কলে, “অৱশ্যে তোমালোকে এই প্ৰবাদ-বাক্য মোক কবা, ‘হে বেজ, নিজকে সুস্থ কৰা;



*পুত্ৰ কফৰনাহূম নগৰত অসুখত পৰি আছিল, এনে কোনো এজন ৰাজ-কৰ্মচাৰীয়ে এহুদিয়াৰ পৰা গালীললৈ ঈছা অহাৰ বাৰ্ত্তা শুনিলত, তেওঁৰ ওচৰলৈ আহি, তেওঁ যেন গৈ তেওঁৰ পুত্ৰক সুস্থ কৰে, এনে মিনতি কৰিবলৈ ধৰিলে, কিয়নো সি মৰোঁ মৰোঁ হৈছিল। তাতে ঈছাই তেওঁক কলে, “চিন আৰু অদ্ভূত লক্ষণ নেদেখিলে, তোমালোকে যে ঈমান আনিবা, এনে কোনোমতেও নহয়।” সেই ৰাজ-কৰ্মচাৰীয়ে তেওঁক কলে, “হে প্ৰভু, মোৰ ল’ৰাটি নৌ মৰোঁতেই আহক।” ঈছাই কলে, ‘যোৱা, তোমাৰ ল’ৰা বাচিল।” ঈছাই যি কথা তেওঁক কলে, সেই মানুহে তাকে বিশ্বাস কৰি গুচি গল। পাছে যাওঁতে যাওঁতেই তেওঁৰ গোলামবোৰে তেওঁক লগ পাই, তেওঁৰ ল’ৰা যে বাচিল, এই বাতৰি দিলে। তেতিয়া তেওঁ সিহঁতক সুধিলে, “সি কেতিয়াৰ পৰা ভাল হল?” তাতে সিহঁতে তেওঁক কলে, “কালি সাত বজাৰ সময়ত তেওঁৰ জ্বৰ এৰিলে।” সেই মুহূৰ্ত্ততে ঈছাই যে কৈছিল, ‘তোমাৰ ল’ৰা বাচিল’, বাপেকে তাকে জানি, নিজে আৰু ঘৰৰ সকলোৱে বিশ্বাস কৰিলে। ঈছাই এহুদিয়াৰ পৰা গালীললৈ গৈ, আকৌ এই দ্বিতীয় আচৰিত চিন দেখুৱালে”* (ইউহোন্না ৪:৪৬-৫৪)।

এবছৰৰ পিছত ঈছা মছীহ আকৌ গালীলৰ কান্না ভ্ৰমণত গৈছিল য’ত তেওঁ তেওঁৰ প্ৰথম আচৰিত কাৰ্য সম্পাদন কৰিছিল। তেওঁৰ দ্বিতীয় আচৰিত চিনো তেওঁ তাতেই কৰিছিল। যদিও আমি কৈছোঁ তেওঁ কান্নাত তেওঁৰ দ্বিতীয় আচৰিত কাৰ্য কৰিছিল, আৰোগ্য লাভ কৰা ব্যক্তিজন আচলতে সেই নগৰৰ নাছিল। কান্না অঞ্চলত অৱস্থান কালত ঈছা মছীহে কফৰনাহূমৰ এজন অসুস্থ লোকক সুস্থ কৰিছিল, কান্নাৰ পৰা যি ঠাইলৈ যাবলৈ এদিন সময় লাগে। আচৰিত কাৰ্যটো এইদৰে ঘটিছিলঃ কান্নাত থকাৰ সময়ত এদিন ৰজা হেৰোদ এন্টিপাচৰ এজন কৰ্মচাৰী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁৰ ওচৰলৈ আহিল। ৰাজধানীৰ পৰা কেইঘন্টামানৰ দূৰত্বত কফৰনাহূমত তেওঁ বাস কৰিছিল। ঈছা মছীহে তেতিয়াও গালীলত আৰোগ্যৰ কোনো আচৰিত কাৰ্য কৰা নাছিল। যি হওক, সেই ৰাজ-কৰ্মচাৰীজনৰ ল'ৰাটো অতিশয় অসুস্থ হৈ পৰিছিল, প্ৰায় মৃত্যুৰ দুৱাৰদলি পাইছিলগৈ। ঔষধ-পাতিত যেতিয়া আৰু একোৱেই নহৈছিল, তেতিয়া তাৰ বাপেকে ঈছা মছীহৰ ওচৰলৈ যোৱাৰ কথা চিন্তা কৰিলে। খা-খবৰ লোৱাৰ পিছত তেওঁ জানিব পাৰিলে ঈছা মছীহ কান্নাত আছে। তেওঁ তালৈ তেওঁৰ ওচৰলৈ গল আৰু তেওঁৰ ল'ৰাটোক সুস্থ কৰিবৰ কাৰণে কফৰনাহূমলৈ আহিবলৈ ঈছা মছীহক অনুৰোধ কৰিলে।

সেই কালত এজন ৰাজ-কৰ্মচাৰীক খুব সন্মান কৰা হৈছিল। তেওঁ যি বিচাৰে তাকেই খুব সহজে পাবলৈ সক্ষম হৈছিল। সেই কাৰণে এই মানুহজনে ভাবিছিল, তেওঁৰ ইচ্ছামতে কাম কৰিবলৈ ঈছা মছীহে অলপো দেৰী নকৰিব। তেওঁ কল্পনা কৰিছিল তেওঁৰ দৰে এজন ব্যক্তিৰ ল'ৰাক সুস্থ কৰাৰ আমন্ত্ৰণক ঈছা মছীহে এক সন্মানৰ বিষয় বুলি বিবেচনা কৰিব। তেওঁ ভাবিছিল, তেওঁৰ আচৰিত শক্তি প্ৰদৰ্শনৰ এনে সুযোগক ঈছা মছীহে কঠোৰ হাতেৰে ধৰি লব। ঈছা মছীহৰ চিন্তা কিন্তু ভিন্ন ধৰণৰ আছিল। তেওঁক নম্ৰতা আৰু হৃদয়ৰ পূৰ্ণতাৰ ফালে তেওঁ পৰিচালিত কৰিব বিচাৰিলে যাতে তেওঁ বেহেস্তী আশীৰ্বাদ গ্ৰহণ কৰিব পাৰে। তাৰোপৰি, তেওঁ তেওঁক ইয়াকো দেখুৱাই দিব বিচাৰিছিল যে, যদিও তেওঁৰ বাহ্যিক ৰূপত জাকজমকৰ চিহ্ন অনুপস্থিত আছিল, তথাপি তেৱেঁই মাবুদ আল্লাহৰ প্ৰতিনিধি। তেওঁ তেওঁক কলে, "চিন আৰু অদ্ভূত লক্ষণ নেদেখিলে, তোমালোকে যে ঈমান আনিবা, এনে কোনোমতেও নহয়।" আচৰিত কাৰ্য দেখাৰ ফলত বিশ্বাস আহিব, ঈছা মছীহৰ ইচ্ছা এনে



নহয়। তেওঁৰ ইচ্ছা আমি যেন তেওঁৰ গুনাৱলী, ধাৰ্মিকতা আৰু তেওঁৰ শিক্ষা শুনি তেওঁত ঈমান আনোঁ।

ৰাজ-কৰ্মচাৰীজনে ঈছা মছীহৰ কথাত মনোযোগ দিয়াৰ দৰে যথেষ্ট ধৈৰ্য্য ধৰিব পৰা নাছিল, কাৰণ তেওঁৰ ল'ৰা মৰণ-মুখী হৈ আছিল। ঈছা মছীহক তেওঁ আকুল অনুৰোধ জনাই কলে, "হে প্ৰভু, মোৰ ল'ৰাটি নৌমৰোঁতেই আহক।" যি ভাৱে তেওঁক অনুৰোধ কৰা হৈছিল, সেইভাৱে ঈছা তেওঁৰ লগত যোৱা নাছিল, কিন্তু তাৰ পৰিবৰ্তে কৈছিল, "যোৱা, তোমাৰ ল'ৰা বাচিল।" আচৰিতভাৱে, তেওঁ ঈছা মছীহৰ উক্ত কথাত বিশ্বাস কৰিলে আৰু তেওঁৰ পথত গুচি গল। তেওঁৰ এই বিশ্বাস আছিল যে, ঈছা মছীহে দূৰৰ পৰাও সুস্থ কৰিব পাৰে। ল'ৰাটোক চুবলৈ, তাৰ লগত কথা পাতিবলৈ বা তাক দেখা পাবলৈ ঈছা মছীহৰ আৱশ্যক নাছিল। গতিকে বাপেকে বিশ্বাসপূৰ্বক তেওঁৰ ঘৰৰ পথত উভটিল। তেওঁ যেতিয়া পথত আছিল তেতিয়া তেওঁৰ গোলামবোৰৰ সৈতে তেওঁৰ দেখা হল, সিহঁতে তেওঁক জনালে যে তেওঁৰ ল'ৰাটো হঠাৎ সুস্থ হৈ উঠিছে। বাপেকক কান্নাত সুখবৰটো দিবলৈ সিহঁত কফৰনাহূমৰ পৰা আহিছিল। তেওঁৰ ল'ৰাটোৱে কেতিয়াৰ পৰা আৰোগ্য লাভ কৰিবলৈ আৰম্ভ কৰিছিল সেই সম্বন্ধে তেওঁ যেতিয়া প্ৰশ্ন কৰিলে, তেতিয়া তেওঁ আবিস্কাৰ কৰিলে, ঠিক সেই সময়তে ঈছা মছীহে এই কথা কৈ আজ্ঞা কৰিছিল, "তোমাৰ ল'ৰা বাচিল।" সেয়ে বাপেকৰ ঈমানক দৃঢ়ীভূত কৰিছিল। তেওঁৰ আত্মীয়-স্বজনে তেওঁৰে সৈতে এই নতুন বিশ্বাসৰ অংশী হৈছিল, কাৰণ পৰিয়ালৰ এজন যদি ঈমানত দৃঢ় হয়, তেন্তে সেয়ে পৰিয়ালৰ আনবোৰকো প্ৰভাৱিত কৰে।

এই ব্যক্তিজনৰ ল'ৰাটোৰ অসুস্থতাৰ দুঃখজনক ঘটনাটো এক মহৎ আত্মিক আশীৰ্বাদত পৰিণত হৈছিল। দুৰ্ভাগ্যৰ পৰা আহিছিল অনন্ত নাজাত – তেওঁৰ নিজৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ন'

## ঈছা মছীহে ভূত খেদালে

*"পাছে ঈছাই গালীল প্ৰদেশৰ কফৰনাহূম নগৰলৈ আহি, বিশ্ৰামবাৰে লোকবিলাকৰ আগত উপদেশ দি আছিল। তাতে তেওঁবিলাকে তেওঁৰ উপদেশত বিস্ময় মানিলে, কিয়নো তেওঁৰ বাক্য ক্ষমতাযুক্ত আছিল। সেই মজলিচ-খানাত না-পাক ভূতে পোৱা এজন মানুহ আছিল। তেওঁ বৰ মাতেৰে চিঞৰি কলে, "হে নাচৰতীয়া ঈছা, আপোনাৰ লগত আমাৰ কি কাম? আপুনি আমাক ধ্বংস কৰিবলৈ আহিছে নে? আপুনি কোন, তাক আমি জানোঁ, আপুনিয়েই খোদাৰ সেই পবিত্ৰ জনা।" কিন্তু ঈছাই তাক ধমক দি কলে, "মনে মনে থাক; ইয়াৰ পৰা বাহিৰ ওলা।" তেতিয়া সেই ভূতে মানুহজনক সকলোৰে মাজতে আচাৰি পেলাই, তেওঁৰ একো ক্ষতি নকৰি, তেওঁৰ পৰা বাহিৰ ওলাল। ইয়াতে সকলোৰে বৰ আচৰিত মানি, ইজনে সিজনে কোৱাকুই কৰিবলৈ ধৰিলে, "এওঁ ক্ষমতা আৰু পৰাক্ৰমেৰে না-পাক আত্মাবোৰকো হুকুম দিয়ে আৰু সিহঁতো যে বাহিৰ ওলায়, ই নো কি কথা?" পাছে অঞ্চলটোৰ চাৰিওফালে সকলো ঠাইত ঈছাৰ কথা বিয়পি পৰিল"।* (লূক ৪:৩১-৩৭)

কফৰনাহূমত থকাৰ সময়ত ঈছা মছীহে মজলিচ-খানালৈ গৈছিল। সেই বিশ্ৰামবাৰে উপস্থিত এবাদতকাৰী সকলৰ মাজত এজন ভূতে পোৱা মানুহ আছিল। ঈছা মছীহক দেখা মাত্ৰে সি চিঞৰি কলে, "হে নাচৰতীয়া ঈছা,



উপনিবেশবাদ আৰু দেওপূজক ৰজাৰ বন্দীত্বৰ পৰা স্বাধীনতা। ঈছা মছীহৰ ওচৰত মাবুদৰ প্ৰসন্নতাৰ বছৰ পঞ্চাশ বছৰত এবাৰ নাছিল, কিন্তু বছৰৰ প্ৰতিটো দিনেই আছিল।

পাৰ্থিৱ ৰাজনৈতিক নাগপাশৰ পৰা মানুহবিলাকক ৰক্ষা কৰিবলৈ ঈছা মছীহ অহা নাছিল। তেওঁ আহিছিল চয়তানৰ দাসত্বৰ পৰা তেওঁলোকক উদ্ধাৰ কৰিবলৈ, যি চয়তানেই ৰোমীয় নিপীড়নৰ পিছত আছিল। চয়তানৰ দাসত্বত আবদ্ধবিলাকে দৈহিক, সামাজিক আৰু অৰ্থনৈতিক বন্দীদশা এৰাব নোৱাৰে। তেওঁলোকে পাৰ্থিৱ যি যুৱলিৰ বিষয়ে জ্ঞাত আছিল, তাৰ পৰা যদি ঈছা মছীহে তেওঁলোকক উদ্ধাৰ কৰিলেহেঁতেন, তথাপি আৰু নিৰ্দ্দয় আত্মিক যুৱলিৰ অধীনত তেওঁলোক পতিত হব পাৰিলেহেঁতেন, যি বিষয়ে তেওঁলোক জ্ঞাত নাছিল। ঈছা মছীহে তেওঁৰ জাতিক প্ৰথমে চয়তানৰ যুৱলিৰ পৰা মুক্ত কৰিবলৈ আহিছিল। তেওঁলোকে যদি তেওঁক গ্ৰহণ কৰিলেহেঁতেন, তেওঁ তেওঁলোকক ৰোমীয়বিলাকৰ যুৱলিৰ পৰাও উদ্ধাৰ কৰিব পাৰিলেহেঁতেন। একমাত্ৰ তেওঁৰ নিজৰ যুৱলিটিৰ বাদে, তেওঁ তেওঁলোকক যি কোনো যুৱলিৰ পৰা মুক্ত কৰিব পাৰিলেহেঁতেন, কাৰণ তেওঁৰ যুৱলি সহজ আৰু লঘু (মথি ১১:৩০)।

ইহুদীবিলাকৰ এই ধৰণৰ প্ৰথা আছিল, যি জনে পাক-কিতাবৰ পৰা পাঠ কৰিছিল তেওঁ ইচ্ছা কৰিলে সেই বিষয়ৰ ওপৰত ব্যাখ্যা দিব পাৰিছিল। সেই অনুসাৰে, ঈছা মছীহে কিতাবখন বন্ধ কৰিলে, কৰ্মচাৰীৰ হাতত কিতাবখন দিলে আৰু বহি পৰিল। মজলিচ-খানাৰ সকলো লোকৰ দৃষ্টি তেওঁৰ ওপৰত নিবদ্ধ হল, কাৰণ তেওঁলোক সকলোৰে তেওঁক চিনি পাইছিল। আগৰ পোন্ধৰ মাহ ধৰি তেওঁলোকে তেওঁৰ সম্বন্ধে যিবোৰ কথা শুনিছিল, তাৰ বাবেই তেওঁৰ প্ৰতি তেওঁলোকৰ এনে শ্ৰদ্ধাবোধ হৈছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ঈছা মছীহে এই কথা কৈ তেওঁৰ উপদেশ আৰম্ভ কৰিলে, “পাক-কিতাবৰ এই কথা তোমালোকৰ কাণত আজি সিদ্ধ হল।” এইদৰে, নিজকে তেওঁ মছীহ ৰূপে উপস্থাপন কৰি তেওঁলোকৰ পাৰ্থিৱ আশা চূৰ্ণ কৰি দিলে আৰু তাৰ পিছত তেওঁ পাক-কিতাবৰ কথা ব্যাখ্যা কৰাত লাগিল। সকলোৱে তেওঁৰ প্ৰশংসা কৰিলে আৰু তেওঁৰ অনুগ্ৰহযুক্ত কথাত আচৰিত হৈ কলে, “এওঁ ইউচুফৰ পুত্ৰ নহয় নে?”

ঈছা মছীহে ৰহমতৰে পূৰ্ণ কথা কৈছিল। তেওঁৰ প্ৰচাৰৰ প্ৰকৃতি আছিল তৃষ্ণাতুৰ মানুহৰ কাষত শীতল পানীৰ দৰে। তেওঁ এখন নতুন ৰূহানী ৰাজ্যৰ কথা ঘোষণা কৰিবলৈ আহিছিল। তেওঁ জানিছিল, তেওঁৰ শ্ৰোতাবিলাকৰ চিন্তাবোৰ তেওঁৰ চিন্তাতকৈ বহুত দূৰত। ৰহমত সম্বন্ধে তেওঁলোকৰ বোধশক্তি অস্পষ্ট হলেও তেওঁলোকে স্বীকাৰ কৰিছিল যে তেওঁ ৰহমতৰে পূৰ্ণ কথা কৈছিল। তেওঁলোকে বিচাৰিছিল জাগতিক লাভ ও গৌৰৱময় এখন পাৰ্থিৱ ৰাজ্য। যি হওক, ঈছা মছীহে তেওঁলোকৰ আগত দুটি প্ৰবাদবাক্য উপস্থিত কৰি কৈছিল, “অৱশ্যে তোমালোকে এই প্ৰবাদ-বাক্য মোক কবা, ‘হে বেজ, নিজকে সুস্থ কৰা; কফৰনাহূমত তুমি যি যি কৰা শুনিলোঁ, সেই সকলোকে এই নিজৰ দেশতো কৰা।’এই কথাৰ দ্বাৰাই তেওঁ বুজাব খুজিছিল, কফৰনাহূমে যি দেখিছে নাচৰত তাতকৈও বেছি আচৰিত কাৰ্য দেখাৰ যোগ্য দাবীদাৰ। খুব সম্ভৱ তেওঁলোকে অবাক হৈ ভাবিছে, “তেওঁৰ নিজৰ নগৰত তেওঁৰ মহৎ আচৰিত কাৰ্যবোৰ দেখাৰ পৰিতৃপ্তি তেওঁ আমাক কিয় নিদিলে?” এতিয়ালৈকে তেওঁলোকে তেওঁৰ এটিও আচৰিত কাৰ্য দেখা নাছিল। তাৰ পিছত ঈছা মছীহে আৰু এটি প্ৰবাদ-বাক্যৰ উদ্ধৃতি দিলে, “কোনো নবী নিজৰ দেশত গ্ৰাহ্য নহয়।” ইয়াৰ দ্বাৰা তেওঁ



হব ইঞ্জিলৰ আলোড়ন সৃষ্টিকাৰী জীৱন্ত দৃষ্টান্ত। এনে কি, প্ৰচাৰত আৰু শিক্ষাদানত নিয়োজিত থাকিলেও অগ্ৰাধিকাৰ ভিত্তিত তেওঁৰ প্ৰথম কাম আছিল এই চাৰিজনক প্ৰশিক্ষণ দিয়া আৰু তেওঁলোকে চহৰে-নগৰে, গাঁৱে-ভুয়েঁ তেওঁৰ অনুসৰণ কৰিছিল।

কফৰনাহূমৰ মজলিচ-খানাত যিবিলাকে ঈছা মছীহৰ কথা শুনিছিল তেওঁলোক সকলোৱে আচৰিত হৈছিল, কাৰণ ইয়াৰ আগতে তেওঁলোকে যিবিলাক ডাঙৰ ডাঙৰ প্ৰচাৰকৰ কথা শুনিছে, তেওঁলোকৰ সকলোকে তেওঁলোকে পূৰ্বৰ নবীবিলাকৰ কথাৰ উদ্ধৃতি দিয়া শুনিছিল। এইবোৰ প্ৰচাৰকবিলাকৰ মুখস্থ কৰাৰ যোগ্যতা আছিল আৰু তেওঁলোকে প্ৰাচীন পণ্ডিতবিলাকৰ উক্তিবোৰ আত্মস্থ কৰিবলৈ আৰু তেওঁলোকৰ কথাবোৰকে জামাতৰ আগত আবৃত্তি কৰিবলৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। এই অনুশীলনৰ ওপৰতে তেওঁলোকৰ জনপ্ৰিয়তা ও খ্যাতি নিৰ্ভৰ কৰিছিল। যি হওক, এইবাৰ লোকসমূহ এজন নতুন ধৰণৰ প্ৰচাৰকৰ সন্মুখীন হৈছে, যিজনে প্ৰচলিত জ্ঞান ও দৰ্শনৰ বা প্ৰাচীন কালৰ যশস্বী বক্তাবিলাকৰ উক্তিসমূহৰ অলপো ভয় কৰা নাছিল। কোনো খ্যাতিমান ৰব্বিৰ উদ্ধৃতি দিয়াৰ পৰিবৰ্তে ঈছা মছীহে কৈছিল, “মই তোমালোকক স্বৰূপকৈ কওঁ...”। তেওঁ যেতিয়াই পুৰণি শিক্ষাৰ উদ্ধৃতি দিছিল, তেওঁ সেইবোৰত নতুন অৰ্থ ও আভা দিছিল। তৌৰাতৰ ব্যাখ্যা দিওঁতে ঈছা মছীহে শিক্ষাৰ অন্তৰ্নিহিত ভাৱৰ ওপৰত আলোকপাত কৰিছিল, কেৱল শৰীয়তৰ অক্ষৰমালাৰ ওপৰত নহয়।

**মোৰ পাছত আহাঁ।**

মাৰ্ক ১:১৭



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেৱেঁই শৰীয়ত দিছিল, সেইবাবে উপযুক্ত বোধ কৰিলে তাক সালসলনি কৰাৰ অধিকাৰো তেওঁৰ আছিল।

বেহেস্তী আহ্বানৰ উত্তৰত খোদাৰ বন্ধু ইব্ৰাহীমে কলদীয়বিলাকৰ উড় দেশস্থ তেওঁৰ আদি বাসস্থান এৰি গুচি আহিছিল। খোদাৰ ওপৰত ঈমান থকাৰ হেতুকে তেওঁ ইস্ৰায়েল জাতিৰ পিতৃ-পুৰুষ হৈছিল। এই কাৰণত, আমি তেওঁক সকলো বিশ্বাসীবিলাকৰ আদি-পিতৃ বুলি কওঁ (ৰোমীয় ৪:১১)। খোদাই তেওঁক কৈছিল, "…তোমাতেই দুনিয়াৰ সমুদায় গোষ্ঠীয়ে আশীৰ্বাদ পাব" (পয়দায়েশ ১২:৩)। মুছাও আচ্‌মানী আহ্বানৰ প্ৰতি বাধ্য হৈছিল। তেওঁ ফিৰাউনৰ প্ৰাসাদ আৰু তেওঁৰ তোলনীয়া পুত্ৰত্বৰ সৈতে সকলো আৰাম, বিদ্যা, ঐশ্বৰ্য আৰু মিচৰৰ গৌৰৱ এৰি আহিছিল। তেওঁৰ মনোনীত জাতিক পৰিচালিত আৰু সংগঠিত কৰাৰ, তৌৰাতৰ আৰু আমাৰ ঈমানৰ ভিত্তিস্বৰূপ শৰীয়তৰ গ্ৰহণকাৰী হবৰ বাবে খোদাই তেওঁক আহ্বান কৰিছিল। অনুৰূপভাৱে, এই চাৰিজন চাহাবীয়েও দৰিদ্ৰ ও নম্ৰ শিক্ষকক অনুসৰণ কৰাৰ উদ্দেশ্যে তেওঁলোকৰ কাম, ঘৰ-দুৱাৰ ও আত্মীয়-স্বজনক এৰি আহিছিল। মাত্ৰ এই কেইজনমান আৰু তেওঁলোকৰ দুৰ্বল সহকৰ্মীবিলাকৰ পৰাই গঢ়ি উঠিছিল মছীহী ঈমানদাৰ সকলৰ সমন্বিত পৰাক্ৰান্ত জামাত, সেই আত্মিক ৰাজকীয় শ্ৰেণী যিহে সমগ্ৰ দুনিয়াৰ ৰূপ সলনি কৰি পেলাইছিল।

তৌৰাতত আমি পঢ়োঁ, খোদাই তেওঁৰ দাস দাউদক ভেড়াৰ জাক চৰোৱাৰ পৰা তেওঁক তেওঁৰ জাতিৰ পাল ৰক্ষক ৰূপে মনোনীত কৰিছিল। এতিয়া আমি দেখিবলৈ পাইছোঁ, জালোৱাইবিলাকৰ মাজৰ পৰা আন্দ্ৰিয়, পিতৰ, ইয়াকুব আৰু ইউহোন্নাক লৈ মছীহই তেওঁলোকক ৰছুলৰ মহান মৰ্যদাত উন্নীত কৰিছে। তেওঁলোকৰ জীৱনৰ বিবিধ অলৌকিক ঘটনাৰ মাধ্যমেদি তেওঁ তেওঁলোকক সেৱক ৰূপে প্ৰস্তুত কৰিব। তেওঁলোক



পৰোক্ষভাৱে কলে, তেওঁৰ সম্বন্ধে তেওঁলোকৰ মনত এনে ধৰণৰ চিন্তা আছে : "সামান্য ঘৰত তোমাৰ জন্মৰ কথা যিবিলাকে নাজানে, তোমাৰ প্ৰচাৰ লৈ তেওঁলোকৰ ওচৰলৈ যোৱা। এনে আশা নকৰিবা যে তোমাৰ নতুন শিক্ষাৰ ওচৰত আমি ধৰাশায়ী হম।"

ইয়াতে নাচৰতৰ মানুহবিলাক ক্ৰুদ্ধ হল। সেই নগৰখন যি পৰ্বতৰ ওপৰত আছিল, তেওঁক ঠেলি তললৈ পেলাই দিয়াৰ উদ্দেশ্যে তেওঁলোকে তেওঁক সেই পৰ্বতৰ শিখৰলৈ লৈ গল। কিন্তু ঈছা মছীহ তেওঁলোকৰ মাজেদিয়েই অতিক্ৰম কৰি সম্পূৰ্ণ অক্ষত অৱস্থাত বাহিৰ ওলাই গল আৰু তেওঁ কফৰনাহূমৰ ফালে গুচি গল। তেওঁৰ নিজৰ নগৰৰ বিষয়ে তেওঁ নিশ্চয় দুঃখিত হৈ উঠিছিল। মানুহবিলাকে তেওঁৰ কথা গ্ৰহণ কৰা নাছিল আৰু তেওঁলোকৰ নাজাতদাতাকো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। আমাৰ মনত চিন্তা জাগে, যি দৰে তেওঁ জেৰুজালেমৰ কাৰণে কান্দিছিল, সেই দৰে তেওঁ নাচৰতৰ বাবেও কান্দিছিল নে নাই। এইটো বোধগম্য যে, ইমান বছৰ তাত পৰিশ্ৰম কৰাৰ পাছত এইদৰে তেওঁৰ নিজৰ নগৰ এৰি যাবলৈ তেওঁ নিশ্চয় দুঃখিত বোধ কৰিছিল। তেওঁৰ নিজৰ লোকবিলাকৰ ওচৰত কথাই-কামে সাক্ষ্য দিয়াৰ পিছত তেওঁ তাৰ পৰা এজন চাহাবীও লগত লৈ যোৱা নাছিল, এনে কি, তেওঁৰ নিজৰ ভাইবিলাকৰ মাজৰ পৰাও নিয়া নাছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আঠ

## ঈছা মছীহে চাৰিজন চাহাবীক আহ্বান কৰা

*এদিন ঈছা গালীল সাগৰৰ পাৰেদি গৈ আছিল। এনে সময়ত তেওঁ চিমোন আৰু তেওঁৰ ভায়েক আন্দ্ৰিয়ক সাগৰত জাল পেলোৱা দেখিলে; কিয়নো তেওঁলোক জালোৱাই আছিল। তাতে ঈছাই তেওঁলোকক কলে, "মোৰ পাছত আহাঁ; মই তোমালোকক মানুহ ধৰা জালোৱাই কৰিম।" তেতিয়াই তেওঁলোকে জাল পেলাই থৈ ঈছাৰ লগত গল। পাছে তেওঁ অলপ আগুৱাই গৈ চিবদিয়ৰ পুতেক ইয়াকুব আৰু তেওঁৰ ভায়েক ইউহোন্নাক দেখিলে। তেওঁলোকে নাৱত বহি জাল বাতি আছিল। ঈছাই তেওঁলোকক দেখা মাত্ৰে মাত দিলে; আৰু তেতিয়াই তেওঁলোকৰ নিজৰ বাপেক চিবদিয়ক কাম কৰা মানুহবিলাকৰ লগত নাৱতে এৰি, তেওঁৰ পাছত গল।* (মাৰ্ক ১:১৬-২০)

ঈছা মছীহে তেওঁৰ প্ৰথম চাৰিজন চাহাবীক আহ্বান কৰিছিল গালীল সাগৰৰ পাৰত যি তিবিৰীয় সাগৰ নামেৰে অধিক পৰিচিত। তেওঁলোক আছিল আন্দ্ৰিয়, চিমোন পিতৰ (আন্দ্ৰিয়ৰ ভাই), ইয়াকুব আৰু ইউহোন্না (ইয়াকুবৰ ভাই)। চাৰিজনেই জালোৱাই আছিল। মানুহ ধৰাৰ আৰু গুৰুত্বপূৰ্ণ কাৰ্যত আন্দ্ৰিয় আৰু পিতৰক ঈছা মছীহে প্ৰথমে আহ্বান কৰিছিল। বিনাশৰ সাগৰৰ পৰা আত্মাবিলাকক ৰক্ষাৰ আৰু শান্তিৰ পাৰলৈ লৈ অহাৰ বাবে তেওঁলোকে ইঞ্জিলৰ জাল পেলাব। তাৰ পিছত, তেওঁ অন্য দুজনকো সেই একেই আহবান জনালে। চাৰিজনৰ প্ৰত্যেকেই তেওঁৰ আমন্ত্ৰণ গ্ৰহণ



কৰিছিল আৰু তেওঁৰ পাছে পাছে গৈছিল। তেওঁলোকে তেওঁলোকৰ পিতৃ, তেওঁলোকৰ কৰ্মচাৰী, তেওঁলোকৰ নাওঁ, তেওঁলোকৰ জাল, তেওঁলোকৰ জীৱিকা, সকলোবোৰকে এৰি আহিছিল। ইতিপূৰ্বে তেওঁলোকে দৃঢ় বিশ্বাসৰ দ্বাৰাই কেইটিমান যাত্ৰাত তেওঁক অনুসৰণ কৰিছিল। যি হওক, এতিয়াৰ পৰা তেওঁলোক তেওঁৰ নিয়ত সঙ্গী হব। এহুদিয়া আৰু চমৰীয়াত ঈছা মছীহে দৃষ্টান্ত দিছিল, কেনেকৈ আত্মাবোৰক ধৰিব লাগে, কিন্তু এতিয়া তেওঁ বিচাৰিছে, তেওঁলোকৰ নতুন বৃত্তিত আৰু প্ৰশিক্ষণ ও শিক্ষা লাভৰ বাবে তেওঁলোকে যেন তেওঁলোকৰ দৈনন্দিন কাম এৰি দিয়ে।

চিবদিয়ৰ পুত্ৰবিলাকে তেওঁলোকৰ পিতৃক নাৱঁত থৈ মছীহৰ অনুগামী হৈছিল। তেওঁলোক হৈছিল এটি শ্ৰেণীভুক্ত মানুহবিলাকৰ মাজত প্ৰথম যিবিলাকে তেওঁলোকৰ মনিবক অনুসৰণ কৰাৰ উদ্দেশ্যে প্ৰয়োজনত আত্মীয়-স্বজন এৰিও ঈছা মছীহৰ বাধ্য হৈছিল। মানুহবিলাকে তেওঁলোকৰ আত্মীয়-স্বজনৰ আগত কোন ব্যক্তিক ৰাখিব, এনে দাবী কৰাৰ ধৰ্মীয় বা নীতিশাস্ত্ৰগত অধিকাৰ কোনো মানুহৰে নাই, কিন্তু ঈছা মছীহ সামান্য মনুষ্যতকৈ বেছি কিবা আছিল বাবে তেওঁ তেওঁৰ অনুগামীবিলাকক তেওঁলোকৰ জীৱনত আত্মীয়-স্বজনৰ আগত তেওঁক ৰাখিবলৈ কোৱাৰ অৱস্থানত আছিল। সামান্য মনুষ্য মাত্ৰ হোৱা হলে ঈছা মছীহে দহ আজ্ঞাৰ পিতৃ-মাতৃক সন্মান কৰাৰ পঞ্চম আজ্ঞাটোক অৱজ্ঞা কৰিব নোৱাৰিলেহেঁতেন। চিবদিয়ৰ পুত্ৰহঁতকো তেওঁলোকৰ বৃদ্ধ পিতৃক তেওঁৰ বাবে এৰি আহিবলৈ তেওঁ কব নোৱাৰিলেহেঁতেন। তেওঁলোক বাধ্য হৈছিল, কাৰণ তেওঁলোকে উপলব্ধি কৰিছিল যে তেওঁ বেহেস্তী হুকুম দিছে, যি সকলো মানবিক দায়িত্বৰ আগত আহিব, এনে কি, সকলোতকৈ পবিত্ৰ দায়িত্বৰো আগত। যিহেতু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁ প্ৰমাণ কৰিছে। তেওঁ তেওঁৰ আৰোগ্য সাধনৰ শক্তি দেখুৱাইছে আৰু তেওঁবিলাকৰ প্ৰয়োজন অনুসৰি তেওঁৰ আঙুলিয়ে তেওঁবিলাকৰ দেহত সু-স্বাস্থ্য সঞ্চাৰিত কৰিছে। তেনে কৰাৰ মাজেদি, যিবিলাকে বুজিবলৈ চেষ্টা কৰিছিল, ঈছা মছীহে তেওঁবিলাকৰ ওচৰত স্পষ্ট কৰি দিছিল যে দুষ্ট ৰূহানী ব্যাধিবোৰো আৰোগ্য কৰিব পৰা যায়। তেওঁলোকৰ ওচৰত তেওঁ প্ৰমাণ কৰিছিল যে দৈহিক ও আত্মিক উভয় দুৰ্বলতা আৰোগ্য কৰাৰ শক্তি তেওঁৰ আছে; কেৱল তেওঁৰ ওচৰত বিচৰাটোৱেই তেওঁলোকৰ কৰণীয় আছিল। নবী ইশায়াই যথাৰ্থই কৈছিল, *"নিশ্চয়ে তেওঁ আমাৰ তকলিফবোৰ ললে, আমাৰ ৰোগৰ ভাৰ বলে"* (ইশাইয়া ৫৩:৪)।

এয়া আছিল আৰোগ্য সাধনৰ সুদীৰ্ঘ পৰিচৰ্যাৰ আৰম্ভনি। তেওঁৰ দ্বাৰা সম্পাদিত আৰোগ্যৰ সকলো আচৰিত কাৰ্যবোৰত ঈছা মছীহে প্ৰথমে অসুস্থতাৰ লগত পাপৰ সম্পৰ্ক লক্ষ্য কৰিছিল, কাৰণ সেই দুইটাৰ মাজত প্ৰায়ে সম্পৰ্ক থাকে। অসুস্থতা হল দেহৰ বিশৃঙ্খলা আৰু খোদাৰ আদি উত্তম উদ্দেশ্যৰ বিকৃতি। পাপ হল আত্মাৰ বিশৃঙ্খলা। পাপ-ব্যাধিৰ পৰা আত্মাবোৰক উদ্ধাৰ কৰিব পৰাৰ তেওঁৰ ইচ্ছা আৰু সমৰ্থ প্ৰকাশ কৰাই মছীহৰ উদ্দেশ্য আছিল, *"কাৰণ তেওঁ নিজৰ লোকক তেওঁবিলাকৰ গুণাহৰ পৰা নাজাত"* কৰিবলৈ আহিছিল (মথি ১:২১)। দুনিয়াৰ পাপ তুলি লবলৈ আৰু যিবিলাকে তেওঁৰ ওপৰত ঈমান আনে তেওঁবিলাকৰ গুণাহ ক্ষমা কৰিবৰ বাবে তেওঁ বেহেস্তৰ পৰা নামি খোদাৰ মেৰ-পোৱালী ৰূপে আবিৰ্ভূত হৈছিল।



আপোনাৰ লগত আমাৰ কি কাম?" এই উক্তিত চয়তানৰ ঘৃণাৰ প্ৰমাণ পোৱা যায় আৰু মানুহজনে বহু বচনত কথা কোৱাই ইঙ্গিত কৰিছিল যে, একাধিক দুষ্টাত্মাই (ভূতে) কথা কৈছিল। তদুপৰি, "আপুনি আমাক ধ্বংস কৰিবলৈ আহিছে নে?" এই প্ৰশ্নটো প্ৰকৃততে আছিল এটি স্বীকাৰোক্তি যে, দুষ্টাত্মাবোৰৰ (ভুতবোৰৰ) ওপৰত ঈছা মছীহৰ পূৰ্ণ ক্ষমতা আছিল। শেষতে, "আপুনি কোন, তাক আমি জানোঁ..." এই স্বীকাৰোক্তিয়ে আমাৰ ওচৰত ব্যক্ত কৰে যে, আত্মিক বিষয় আদি সম্বন্ধে ভুতবোৰে মানুহতকৈ বেছি জানে।

ইতিপূৰ্বে মৰুভূমিত অকলে থকাৰ সময়ত চয়তানে ঈছা মছীহৰ মুখামুখি হৈছিল। গোপনে থাকি সি আকৌ ঈছা মছীহক আক্ৰমণ কৰিছিল, যেতিয়া সি নাচৰতৰ লোকসকলক ঈছা মছীহক হত্যা কৰিবলৈ প্ৰৰোচনা দিছিল। এতিয়া সি মুখামুখি এই পবিত্ৰ শিক্ষকজনাৰ বিৰুদ্ধে থিয় হৈছিল। ঈছা মছীহে যেতিয়া নাজাতৰ পথ ব্যাখ্যা কৰিছিল, খোদাৰ ৰাজ্য ওচৰ বুলি ঘোষণা কৰিছিল আৰু সেই ৰাজ্যত প্ৰৱেশৰ চৰ্তবোৰ স্পষ্ট কৰি বুজাই দিছিল, তেতিয়া চয়তানে শান্ত হৈ থাকিব পৰা নাছিল। চয়তানে জানিছিল, তাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আৰু তাৰ কাৰ্য আৰু কলুষময় ৰাজ্য ধ্বংস কৰিবলৈ ঈছা মছীহ আহিছে। চয়তানৰ মূৰক গুড়ি কৰিবলৈ ঈছা মছীহ উদ্যত আছিল (পয়দায়েশ ৩:১৫); তেনে ক্ষেত্ৰত সি কেনেকৈ শান্ত হৈ থাকিব?

ঈছা মছীহেই খোদাৰ সেই পবিত্ৰ জনা, চয়তানৰ এই পোনপতীয়া সাক্ষ্যত আমি হয়তো বিস্মিত হব পাৰোঁ। মছীহৰ ক্ষমতাৰ নিশ্চয়ে এইটো প্ৰথম ফল আছিল যেতিয়া মানুহজনৰ ভিতৰৰ পৰা ভূত ওলিয়াই দিবলৈ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁ উদ্যত হৈছিল। কোনো শত্ৰুৰ সাক্ষ্যৰ দুগুণ মূল্য থাকে আৰু ঈছা মছীহে বিচাৰিছিল যেন জনতাই প্ৰতক্ষ্য কৰে যে, এনে কি চয়তানেও তেওঁৰ সম্বন্ধে সাক্ষ্য বহন কৰিবলৈ বাধ্য। ভূতে পোৱা মানুহজনে পোনপতীয়া স্পষ্ট সাক্ষ্য দিয়া মাত্ৰেই ঈছা মছীহে এই কথা কৈ তাক ধমক দিছিল, "মনে মনে থাক; ইয়াৰ পৰা বাহিৰ ওলা।" কি ঘটিব তাক চাবলৈ সমগ্ৰ জনতাই অপেক্ষা কৰিছিল। ভুতটোৱে সকলোৱে মাজত মানুহজনক আচাৰি পেলালে আৰু তেওঁক সেই অৱস্থাত ৰাখি গুচি গল। উপস্থিত জনতাৰ সকলোৱে আচৰিত হল। প্ৰত্যেক জনেই বিস্ময়াভিভূত হৈ পৰিছিল আৰু সম্ভৱতঃ পৰস্পৰক সুধিবলৈ আৰম্ভ কৰিছিল, "আমাৰ মাজত এই ক্ষমতাসম্পন্ন ব্যক্তিজন কোন? এইবোৰ আচৰিত কাৰ্যৰ সৈতে এই নতুন শিক্ষাটো কি? কাঠমিস্ত্ৰীৰ লৰাই ক'ৰ পৰা এই অসাধাৰণ ক্ষমতা পালে যে ভুতবোৰকো তেওঁৰ আজ্ঞা মানিবলৈ বাধ্য কৰে?"

প্ৰথম আচৰিত চিনৰ কাৰ্য কান্না নগৰত পানীক আঙুৰৰ ৰসত পৰিণত কৰাৰ সময়ত ঈছা মছীহে প্ৰাকৃতিক নিয়মৰ ওপৰত তেওঁৰ ক্ষমতা দেখুৱাইছিল। দ্বিতীয় আচৰিত কাৰ্যত ৰাজ-কৰ্মচাৰীৰ ল'ৰাক সুস্থ কৰাৰ সময়ত তেওঁ অসুস্থতাৰ ওপৰত তেওঁৰ ক্ষমতা দেখুৱাইছিল। তৃতীয় অলৌকিক কাৰ্যত ভুতবিলাকৰ বাহিনীৰ ওপৰত তেওঁৰ পূৰ্ণ ক্ষমতা ঘোষণা কৰিছিল। মছীহৰ পৰিচৰ্যাৰ প্ৰথম ফালৰ এই তিনিটা আচৰিত চিনে প্ৰমাণ কৰিছিল যে, মানৱ জাতিৰ নাজাতদাতা হবলৈ তেওঁ সকলো ফালৰ পৰাই যোগ্যতা সম্পন্ন।

গোটেই নগৰতে এই মহা আচৰিত কাৰ্যৰ খবৰ বিয়পি গল। মছীহ সম্পৰ্কিত সংবাদ চাৰিওফালৰ অঞ্চলত



লগা হৈছিল। অনুমান হয়, বিভিন্ন ধৰণৰ সকলো ৰোগৰ পৰা কফৰনাহূমৰ প্ৰত্যেকজনেই সুস্থ হৈছিল; ভূতে পোৱা মানুহবিলাকৰ সম্বন্ধে লূকে বিশেষ মনোযোগ দিছে। তেওঁ কৈছে, "আপুনিয়েই খোদাৰ পুত্ৰ" এই বুলি চিঞৰি কৈ অনেকৰ ভিতৰৰ পৰা ভূত ওলাই গৈছিল। ঈছা মছীহে অসুস্থ লোকবিলাকৰ ওপৰত হাত দিছিল, কিন্তু ভূতে পোৱা মানুহবিলাকৰ ক্ষেত্ৰত তেওঁ তেনে কৰা নাছিল। তেওঁৰ আদেশৰ শক্তিত ভুতবিলাক বহিস্কৃত হৈছিল। তেৱেঁই খোদাৰ পবিত্ৰ ব্যক্তি, মজলিচ-খানাত ভুতবোৰে এইদৰে সাক্ষ্য দিয়াৰ পিছত ঈছা মছীহে চয়তানক কৈছিল, "মনে মনে থাক।" সন্ধিয়া মছীহ সম্বন্ধে ভূতবিলাকৰ সাক্ষ্য আৰু স্পষ্ট আৰু তীব্ৰ হৈ উঠিছিল। সিহঁতে চিঞৰিছিল, "আপুনিয়েই মছীহ, খোদাৰ পুত্ৰ।" আকৌ ঈছা মছীহে সিহঁতক ধমক দিছিল, সিহঁতক কথা কবলৈ দিয়া নাছিল, কাৰণ সিহঁতে জানিছিল যে তেৱেঁই মছীহ। এজন সাধাৰণ মানুহে ভূতবিলাকক বাহিৰ কৰি দিয়া নাই, কিন্তু ঈছা মছীহৰ সেই ক্ষমতা আছিল। যিসকল সুস্থ হৈছিল তেওঁলোকেই নাজাতদাতা সম্বন্ধে সৰ্বপ্ৰথম সুস্পষ্ট সাক্ষ্য দিয়া উচিত আছিল।

মহান আৰোগ্যসাধকৰ ই কি অপূৰ্ব চিত্ৰ! সন্ধিয়াৰ আৰম্ভনিৰ সময়ত ঈছা মছীহ পিতৰৰ ঘৰৰ দুৱাৰত থিয় হৈ আছে। তেওঁৰ আগত থিয় প্ৰত্যেক অসুস্থ জনক স্পৰ্শ কৰিবৰ বাবে তেওঁৰ হাতখনি প্ৰসাৰিত হৈ আছে। সেই হতভগীয়া মানুহবিলাকৰ দুঃখ-কষ্টৰ প্ৰতি সহানুভূতিশীল হোৱাৰ তেওঁৰ ক্ষমতা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কার্য কৰাৰ দৰে তেওঁৰ ঘৰতো তেওঁৰ মনিবে তেনে এটি কার্য কৰিব বুলি তেওঁ আশা কৰিছিল। পিতৰৰ শাহুৱেক অত্যন্ত জ্বৰত অসুস্থ আছিল। এনে অনুমান হয়, তেওঁক সুস্থ কৰিবলৈ ঈছা মছীহক অনুৰোধ কৰা পিতৰে উপযুক্ত বুলি বিবেচনা কৰা নাছিল। কিন্তু অন্যবিলাকে পিতৰৰ অন্তৰৰ কথা মছীহক কলে। সেইবাবে ঈছা মছীহে সেই জ্বৰক ধমক দিলে আৰু জ্বৰে তেওঁক এৰিলে। জ্বৰক ধমক দিওঁতে ঈছা মছীহে কি কথাবোৰ ব্যৱহাৰ কৰিছিল তাক আমি নাজানোঁ। আমি জানোঁ মছীহে তেওঁৰ হাতত ধৰি তেওঁক তুলিলে আৰু জ্বৰে তেওঁক এৰি গল। তাৰ পিছত তেওঁ বিছনাৰ পৰা উঠি তেওঁলোকৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰিলে। এইটো আছিল দুই ৰকমৰ আচৰিত কার্য; জ্বৰৰ আনুষাঙ্গিক সম্পূর্ণ দুর্বলতাও দূৰ হৈছিল যাৰ বাবে তেওঁ তেতিয়াই তেওঁবিলাকৰ খোৱাৰ আয়োজন আৰম্ভ কৰিব পাৰিছিল। কিতাবত উল্লেখিত মহিলাবিলাকৰ মাজত তেৱেঁই প্ৰথম মহিলা যি গৰাকীয়ে মছীহৰ পৰিচর্যা আৰম্ভ হোৱাৰ পিছত সর্বপ্ৰথম স্বেচ্ছাই তেওঁৰ সেৱা কৰিছিল।

এনে কোনো স্থান নাছিল য'ত এই আৰোগ্যৰ কথা বিয়পি যোৱা নাছিল। ভূতে পোৱা মানুহজনৰ আৰোগ্যৰ ঠিক পাছতে এই আচৰিত কার্যটো ঘটিছিল। সেই বিশ্ৰাম বাৰৰ (শনিবাৰ) সন্ধিয়া সেই অঞ্চলৰ সকলো অসুস্থ লোকবিলাক পিতৰৰ ঘৰলৈ আহিল। অৱশ্যে, বিশ্ৰামবাৰ মান্য কৰাৰ আজ্ঞাটোৰ প্ৰতি সন্মানৰ হেতু তেওঁলোকে সন্ধিয়ালৈকে অপেক্ষা কৰিব



বিয়পি পৰিল। মৰুভূমিত ঈছা মছীহে চয়তানৰ কথা খণ্ডন কৰিছিল; কফৰনাহূমত তেওঁ অন্যবিলাকৰ জীৱনত তাক পৰাজিত কৰিলে। তেওঁৰ কার্যসমূহৰ যোগেদি তেওঁ তেওঁৰ নতুন চাহাবীসকলক, স্বয়ং চয়তানক, গালীলৰ আৰু ভাবী প্ৰজন্মৰ লোকবিলাকক দেখুৱাই দিলে যে, মনুষ্যপুত্ৰ ৰূপে তেওঁ নিজৰ জীৱনত আৰু অন্যবিলাকৰ জীৱনতো চয়তানক জয় কৰিবলৈ সক্ষম।

মছীহৰ সময়ত আৰু তাৰ পিছত প্ৰায়ে উল্লেখিত ভূতে পোৱাৰ বিষয়টোক স্পষ্টকৈ বুজাই দিয়াৰ চেষ্টা নকৰাকৈ আমি এই আচৰিত কর্ম্মটিক বাদ দিব পৰা নাই। ভাৱ হয়, ঈছা মছীহৰ পৰিচর্যা কালত চয়তানে এই দুনিয়াত তাৰ প্ৰচেষ্টা চাৰিগুণ বৃদ্ধি কৰিছিল, যেন এয়ে আছিল তাৰ ওচৰত সবাতোকৈ গুৰুত্বপূর্ণ। আগৰ যি কোনো সময়তকৈ সি এতিয়া মানৱ জাতিক বেছি নিয়ন্ত্ৰণ কৰিবলৈ বিচাৰিছিল। সেয়া অৱশ্যে খোদাৰ অনুমতি ক্ৰমেই হৈছিল যাতে মছীহৰ বিজয়ৰ মহত্ব ও ফলাফল প্ৰকাশিত আৰু তীব্ৰতৰ হয়। চয়তানে মানৱ মনৰ শক্তিৰ সম্বন্ধে জানিছিল। এই কাৰণতে, উন্মত্ততা মানুহৰ ওপৰত তাৰ নিয়ন্ত্ৰণৰ এটা অংশত পৰিণত হৈছিল। অনেক ক্ষেত্ৰত, এজন অসুস্থ লোকক উন্মাদ বুলি ভবা হৈছিল। ইঞ্জিল শৰীফত যাক ভূতে পোৱা বুলি আখ্যা দিয়া হৈছে, তাকেই আজি আমি মগজুৰ বিকৃতি বুলি কওঁ নে কি? (অথবা, আজি আমি যাক মগজুৰ বিকৃতি বুলি কৈছোঁ, তাকেই ইঞ্জিল শৰীফত 'ভূতে পোৱা' বুলি কৈছে নে কি?) মছীহ যদি কুসংস্কাৰছন্ন আৰু ধর্মীয় প্ৰমাদৰ অধীন হলহেতেনে, তেন্তে এই ধৰণৰ ব্যাখ্যা গ্ৰহণযোগ্য হলহেঁতেন। যি নহওক, স্বয়ং ব্যক্তিজনৰ পৰা পৃথক আৰু কোনো ব্যক্তিক আবিষ্টকাৰী সেই চয়তানক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

যেতিয়া ঈছা মছীহে কয়, “ইয়াৰ পৰা বাহিৰ ওলা”, তেতিয়া আমি জানোঁ যে, সমস্যাটো কেৱল মগজুৰ বিকৃতিৰ নাছিল, যি বুলি আমি আজি ইয়াৰ ব্যাখ্যা কৰি থাকোঁ। তদুপৰি, ভূতে পোৱা মানুহজন যদি কেৱল বিকৃত মগজুৰে হলহেঁতেন, তেন্তে সেই সময়ত যি কোনো ব্যক্তিৰ ওচৰত অবোধ্য সকলো বিষয়ৰ সম্বন্ধে তেওঁৰ দ্বাৰা উচ্চাৰিত বিস্ময়কৰ উক্তিবোৰ তাৰ পক্ষে কৰা সম্ভৱ নহলহেঁতেন। তাৰোপৰি, ঈছা মছীহে যদি কেৱল মানসিক বিকাৰেই আৰোগ্য কৰিলেহেঁতেন, তেন্তে ভূতে পোৱা মানুহবিলাকত আচাৰ খাই পৰা আৰু যন্ত্ৰণাদায়ক সংঘাতৰ দৰে লক্ষণ নাথাকিলহেঁতেন। অসুস্থবিলাকক সুস্থ কৰাৰ উপৰিও ভূতে পোৱা মানুহবিলাকৰ মোকাবিলা কৰা এটি বিশেষ ধৰণৰ কাৰ্য আছিল যিটো মছীহ ও তেওঁৰ চাহাবীবিলাকে হাতত লৈছিল। পূৰ্বে উল্লেখিত বক্তব্যৰ ভিত্তিত আমি কব পাৰোঁ যে, ইঞ্জিল শৰীফত যি আত্মিক ক্লেশক ভূতে পোৱা বুলি আখ্যা দিয়া হৈছে, তাক সাধাৰণ মানসিক পীড়াৰ লগত একে বুলি বিবেচনা কৰা নাযায়।

**মই দুনিয়াৰ নূৰ।**
**যি জন মোৰ পাছে পাছে আহে,**
**তেওঁ আন্ধাৰত নুফুৰি,**
**জীৱনৰ নূৰ পাব।**

ইউহোন্না ৮:১২



দহ

# ঈছা মছীহে কফৰনাহূমত অনেকক সুস্থ কৰিলে

ইয়াৰ পাছত ঈছাই মজলিচ-খানাৰ পৰা উঠি গৈ চিমোনৰ ঘৰত সোমাল। তেতিয়া চিমোনৰ শাহুৱেকৰ বৰ জ্বৰ আছিল; তাতে তেওঁক ভাল কৰিবলৈ ঈছাক অনুৰোধ কৰাত, তেওঁ তেওঁৰ ওচৰত থিয় হৈ জ্বৰক ডাবি দিলে। তাতে তেওঁৰ জ্বৰ এৰিলে আৰু তেতিয়াই তেওঁ উঠি, তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰিলে।

পাছে বেলি মাৰ যোৱাৰ সময়ত, যি যি মানুহ নানা ৰোগ-ব্যাধিত ভুগিছিল, মানুহবিলাকে তেওঁবিলাকক ঈছাৰ ওচৰলৈ আনিলে। তাতে তেওঁ তেওঁবিলাকৰ প্ৰতিজনৰ গাত হাত দি সুস্থ কৰিলে। অনেকৰ পৰা ভূতবোৰ ওলাই গৈ চিঞৰি কলে, “আপুনি খোদাৰ পুত্ৰ।” কিন্তু তেওঁ যে মছীহ, সিহঁতে সেই কথা জনা হেতুকে, তেওঁ সিহঁতক ধমক দি কথা কবলৈ নিদিলে। (লূক ৪:৩৮-৪১)

ঈছা মছীহ আৰু তেওঁৰ সঙ্গীবিলাক পিতৰৰ ঘৰলৈ গৈছিল, কাৰণ হয় তেওঁলোক তাত থাকিছিল, নহলে ঈছা মছীহৰ চাহাবী আৰু মানুহ ধৰোঁতাৰ সন্মান লাভ কৰাৰ বাবে কৃতজ্ঞতাৰ নিদৰ্শনস্বৰূপে এটি ভোজত পিতৰে তেওঁক দাৱাত কৰিছিল। এনেকুৱাও হব পাৰে, ৰাজ-কৰ্মচাৰীৰ পৰিয়ালত আৰোগ্য সাধনৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মাজত পাৰ্থক্য কি?

২৩। ৰাজ-কৰ্মচাৰীক ঈছা মছীহে কি দৰে নম্ৰতাৰ মনোভাৱৰ ফালে চালিত কৰিছিল?

২৪। নাচৰতৰ লোকবিলাকে ঈছা মছীহক কিয় প্ৰত্যাখ্যান কৰিছিল?

২৫। মছীহৰ সম্বন্ধে ভুতবোৰৰ সাক্ষ্য কি আছিল?

মছীহী ঈমান সম্বন্ধে আপোনাৰ যি কোনো প্ৰশ্নৰ উত্তৰ দিয়াৰ সুযোগ পালে আমি সুখী হম। আপোনাৰ চিঠিত আৰু খামৰ ওপৰত আপোনাৰ সম্পূৰ্ণ নাম ও ঠিকনা স্পষ্ট আখৰৰে উল্লেখ কৰিব।

উত্তৰ পঠোৱাৰ ঠিকনা:

*Dar-ul-Masih*
Post Box No: 234
Guwahati-781 001, Assam.

**যি হেৰাল,**
তাক বিচাৰি ৰক্ষা কৰিবলৈ
মানুহৰ পুত্ৰ আহিল।

লূক ১৯:১০



যিহেতু সকলো ৰোগেই পাপৰ ফল, সেইবাবে যিজনে গুণাহৰ বিৰুদ্ধে যুদ্ধ কৰিব, তেওঁৰ ইয়াৰ ফলবোৰৰ বিৰুদ্ধেও যুদ্ধ কৰাৰ আৱশ্যক আছিল; যিহেতু, তেওঁ সমস্যাৰ মূললৈকে গৈছিল, সেইবাবে শাখা-প্ৰশাখাবোৰো তেৱেঁই মোকাবিলা কৰিব লাগিছিল। মছীহই জানিছিল, আত্মিক সুস্থতাৰ বাবে হাবিয়াস কৰাবলৈ তেওঁলোকক কিবা এটাৰ প্ৰয়োজন। কোনো ব্যক্তিক পাপে আত্মিক বিষয় সম্পৰ্কে অচেতন কৰি ৰাখে, আৰু সেইবাবে ঈছা মছীহে দৈহিক সুস্থতাৰ মাধ্যমেদি মানুহবিলাকক জাগ্ৰত কৰিবলৈ বিচাৰিছিল।

ঈছা মছীহৰ ৰূহ থকা সকলোৱে মানৱ জাতিক সকলো দুঃখ-বিপদৰ পৰা উপশম দিয়াৰ বিষয়ত উদ্বিগ্ন, যিবোৰৰ ভিতৰত অসুস্থতাই আটাইতকৈ ডাঙৰ। মছীহী চিকিৎসকবিলাকক তেওঁলোকৰ অৰ্থ, সময় ও জীৱন অসুস্থবিলাকৰ সেৱাত উৎসৰ্গ কৰিবলৈ পবিত্ৰ আত্মাই পৰিচালিত কৰি থাকে। তেওঁবিলাকে ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰাক পাপৰ বিৰুদ্ধে যুদ্ধ কৰাৰ দৰে গুৰুত্বপূৰ্ণ বুলি কয় আৰু মানৱ দেহৰ যত্ন লোৱাক মানুহৰ আত্মিক কল্যাণত তেওঁবিলাকৰ আগ্ৰহৰ দৰে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে। মছীহৰ ৰূহে মছীহীবিলাকৰ হস্পিতাল আৰু বিভিন্ন ধৰণৰ এতিমখানা প্ৰতিষ্ঠা কৰিবলৈ পৰিচালনা কৰিছে যিবোৰ ঈছা মছীহৰ আবিৰ্ভাৱৰ আগতে দুনিয়াত নাছিল। যি যি স্থানতে মছীহীবিলাকে বিস্তাৰ লাভ কৰিছে তাতেই এই ধৰণৰ দয়াৰ প্ৰতিষ্ঠানবোৰ দেখিবলৈ পোৱা যায়।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## আমাৰ আজিৰ চিকিৎসক

*“ঈছা মছীহ কালি, আজি আৰু সদাকাললৈকে সেই একে হৈ আছে”* (ইব্ৰী ১৩:৮)। এই কাৰণতে ঈছা মছীহে লোকবিলাকক সুস্থ কৰিবলৈ হেপাহ কৰে আৰু কোনো কোনো সময়ত যেনেকৈ তেওঁ তেওঁৰ দৈহিক উপস্থিতি নোহোৱাকৈয়ে সুস্থ কৰিছিল, তেওঁ আজিও তেনেকৈ কৰে। তেওঁ বিচাৰে যেন প্ৰত্যেক অসুস্থ ব্যক্তি তেওঁৰ ওচৰলৈ আহিব, তেওঁৰ ব্যক্তিগত চিকিৎসকক মছীহৰ অস্ত্ৰ বুলি আৰু তেওঁৰ ব্যৱহৃত চিকিৎসাক খোদাৰ কাষৰ পৰা প্ৰেৰিত বুলি বিবেচনা কৰে। সুস্থ হোৱাৰ পিছত তেওঁ খোদাৰ প্ৰশংসা কৰা উচিত, কাৰণ তেৱেঁই মহান চিকিৎসক আৰু সুস্থতা তেওঁৰ এটি দান। ৰছুল ইয়াকুবে লিখিছে, *“তোমালোকৰ মাজত কোনোবা ৰোগত পৰিছে নে? তেওঁ জামাতৰ বৃদ্ধলোকক মাতক; পাছে তেওঁবিলাকে প্ৰভুৰ নামেৰে তেওঁৰ গাত তেল ঘঁহি, তেওঁৰ কাৰণে মুনাজাত কৰক; তাতে বিশ্বাসমূলক মুনাজাতে সেই অসুস্থজনক সুস্থ কৰিব আৰু প্ৰভুৱে তেওঁক তুলিব; আৰু যদিও তেওঁ পাপ কৰিলে, তথাপি ক্ষমা কৰা যাব”* (ইয়াকুব ৫:১৪-১৫)। প্ৰত্যেক বিশ্বাসীয়ে মছীহক মহান চিকিৎসক বুলি বিবেচনা কৰা উচিত। আমি এজন চিকিৎসকক সৰ্বময় চিকিৎসক ঈছা মছীহৰ ইচ্ছা পালনকাৰী চিকিৎসা-সহকাৰী ৰূপে চাব পাৰোঁ। সাহায্যৰ বাবে আমাৰ অনুৰোধৰ উত্তৰত এজন ডাক্তৰক যি জনাই পৰিচালনা কৰে, সেই মহান চিকিৎসকৰ প্ৰতি সকলো সময়তে আমাৰ গভীৰতম



৮। ত্বৰীকাদাতা ইয়াহিয়াই কৈছে যে, ঈছা মছীহ খোদাৰ মেৰ-পোৱালী। এইটো তৌৰাতৰ এটি ভবিষ্যদ্বাণীৰ পূৰ্ণতা – ভবিষ্যদ্বাণীটোৰ উল্লেখ কৰক আৰু বুজাই দিয়ক কেনেকৈ ই পূৰ্ণ হৈছিল।

৯।আন্দ্ৰিয়ই তেওঁৰ ভাই চিমোনৰ বাবে সৰ্বোচ্চ উপকাৰৰ যি কামটো কৰিছিল, সেইটো কি?

১০। মছীহই কেনেকৈ নাচৰতৰ পৰা আহিব পাৰে? – নথনেলৰ এই প্ৰশ্নৰ উত্তৰত ফিলিপে কি কৈছিল?

১১। মছীহই খোদাৰ পুত্ৰ, এই সাক্ষ্য বহনকাৰী তিনিটা উক্তিৰ তালিকা দিয়ক।

১২। আচৰিত কাৰ্য (মোজেজা) সম্পাদনত ঈছা মছীহৰ উদ্দেশ্য কি আছিল?

১৩। কান্নাৰ বিয়াঘৰত ঈছা মছীহে কিয় পানীক আঙুৰ ৰসত পৰিণত কৰিছিল?

১৪। এবাদতখানা তেওঁৰ পিতৃৰ ঘৰ, এই কথা কৈ ঈছা মছীহে কি বুজাব খুজিছিল?

১৫। “তোমালোকে এই এবাদত-খানা ভাঙি পেলোৱা, মই তিনি দিনত তাক তুলিম” – ঈছা মছীহৰ এই উক্তিৰ অৰ্থ কি?

১৬। কোন সময়ত (ক্ষেত্ৰত) ক্ৰোধক আমি এটা গুণ বুলি বিবেচনা কৰিব পাৰোঁ?

১৭। দ্বিতীয় (নতুন) জন্মত পাক'-ৰূহৰ কাম কি?

১৮। নবী ৰূপে ঈছা মছীহৰ কাম কি?

১৯। ইমাম ৰূপে মছীহৰ কাম কি?

২০। ৰজা হিচাপে মছীহৰ কাম কি?

২১। চমৰীয়া তিৰোতাজনীক নিজ গুণাহ স্বীকাৰ কৰিবলৈ ঈছা মছীহে কি দৰে প্ৰবৃত্ত কৰিছিল?

২২। ইয়াকুবৰ নাদৰ পানী আৰু জীৱনময় পানীৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এঘাৰ

## অভীক্ষা

আপুনি যদি এই কিতাপখন পঢ়িছে, তেন্তে আপুনি সহজেই প্ৰশ্নবোৰৰ উত্তৰ দিব পাৰিব। উত্তৰবোৰ আমালৈ পঠিয়াই দিব। আপুনি যদি অন্ততঃ বিশটা উত্তৰ নিৰ্ভুলভাৱে দিব পাৰে, তেনেহলে আমি উপহাৰ হিচাপে আমাৰ এখন কিতাপ আপোনালৈ পঠিয়াই দিম। আপোনাৰ সম্পূৰ্ণ নাম-ঠিকনা স্পষ্টভাৱে লিখাত ভুল নকৰিব।

১।চয়তানৰ তিনিটা নাম কি কি? সেইবোৰৰ প্ৰত্যেকটোৰ অৰ্থ কি?

২।নাৰীৰ গৰ্ভজাত হৈ ঈছা মছীহে কেনেকৈ চয়তানৰ মূৰ গুড়ি কৰিছিল (পয়দায়েশ ৩:১৫)?

৩। মুছা, ইলিয়াছ, পিতৰ আৰু ইস্কাৰিতীয়া এহুদাৰ গুণাহবোৰ কি কি?

৪।মছীহৰ আগত চয়তানে উপস্থিত কৰা প্ৰথম পৰীক্ষাটো কি আছিল? মছীহৰ উত্তৰটো কি আছিল?

৫। মছীহৰ আগত চয়তানৰ উপস্থাপিত দ্বিতীয় পৰীক্ষাটো কি? ঈছা মছীহে কি উত্তৰ দিছিল?

৬। মছীহৰ আগত চয়তানে উপস্থিত কৰা তৃতীয় পৰীক্ষাটো কি আছিল? ঈছা মছীহৰ উত্তৰেই বা কি আছিল?

৭।ঈছা মছীহে যি চাৰি প্ৰকাৰৰ ত্বৰীকাৰ অভিজ্ঞতা লাভ কৰিছিল সেইবোৰৰ উল্লেখ কৰক।



কৃতজ্ঞতা থাকিব।

**পাছে অতি ৰাতিপুৱা, আন্ধাৰ থাকোঁতেই, তেওঁ উঠি বাহিৰ ওলাই নিৰ্জন ঠাইলৈ আঁতৰি গৈ, তাতে মুনাজাত কৰিলে। পাছে চিমোন আৰু তেওঁৰ সঙ্গীবিলাকে তেওঁক বিচাৰি গল; আৰু তেওঁলোকে তেওঁক পাই কলে, "সকলোৱে আপোনাক বিচাৰিছে।"** (মাৰ্ক ১:৩৫-৩৭)

আমি ঈছা মছীহক জনতাৰে আবৰি থকা দেখিছোঁ, কিন্তু কেৱল সেয়াই তেওঁৰ কাম্য নাছিল। তেওঁৰ পিতৃৰ লগত অকলশৰীয়াকৈ তেওঁৰ সময়ৰ প্ৰয়োজন আছিল। এই কাৰণেই মাৰ্কে লিখিছে, "...অতি ৰাতিপুৱা, আন্ধাৰ থাকোঁতেই, তেওঁ উঠি বাহিৰ ওলাই নিৰ্জন ঠাইলৈ আঁতৰি গৈ, তাতে মুনাজাত কৰিলে।" মানুহবিলাকৰ ওচৰত তেওঁৰ পৰিচৰ্যাই ঈছা মছীহক খোদাৰ ওচৰত মুনাজাত কৰিবলৈ পৰিচালিত কৰিছিল। পিতৃৰ লগত মুনাজাতৰ এই নীৰৱ সময়ত তেওঁ মানুহবিলাকৰ মাজত তেওঁৰ অত্যাৱশ্যকীয় প্ৰাত্যহিক পৰিচৰ্যাৰ কাৰণে সু-সজ্জিত হৈছিল। খোদাৰ লগত কটোৱা মুনাজাতৰ এই সময়ে তেওঁৰ পিতৃৰ প্ৰতি মহব্বতত মানৱ জাতিৰ সেৱা কৰিবলৈ তেওঁক প্ৰণোদিত কৰিছিল। মুনাজাতৰ পৰা তেওঁ তেওঁৰ পৰিচৰ্যালৈ উভটি আহিছিল নতুন তেজশক্তি ও চৰ্তুগুণ আনন্দ লৈ। কেৱল মুনাজাতৰ জীৱনে পৰিচৰ্যাক বাধাগ্ৰস্ত কৰে। অন্যক সহায় কৰিবলৈ আমাক যি শক্তি ও আত্মিক মঙ্গলৰ প্ৰয়োজন, সেয়া কেৱল সেৱা কাৰ্যৰ জীৱনত নাথাকে। ঈছা মছীহ সম্পূৰ্ণ বিশুদ্ধ,



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

অপাৰ শক্তিশালী আৰু সম্পূৰ্ণ নিখুঁত থকা স্বত্বেও তেওঁৰ মুনাজাতৰ প্ৰয়োজন আছিল। এয়া আছিল তেওঁৰ পৰম আনন্দ। মছীহৰ পৰা আমি শিকা উচিত, কেনেকৈ খোদাৰ লগত সময় কটাব লাগে।

নিৰ্জনত সময় কটোৱাৰ মছীহৰ এই অভ্যাসটিক তেওঁৰ নতুন চাহাবীসকলে পছন্দ নকৰিছিল, জনতায়ো নকৰিছিল। এদিন পিতৰ আৰু তেওঁৰ সঙ্গীবিলাকে ঈছা মছীহক বিচাৰিবলৈ ধৰিলে। বিচাৰি পোৱাৰ পাছত পিতৰে আবেগেৰে কৈ উঠিল, "সকলোৱে আপোনাক বিচাৰিছে।" তেওঁবিলাকে মছীহক এৰি থাকিবলৈ নিবিচাৰিছিল; কিন্তু ঈছা মছীহেতো কোনো মানুহক তেওঁৰ গতিবিধি নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ দিব নোৱাৰে। সকলো সময়তে তেওঁ পাক-ৰূহৰ পথ নিৰ্দেশনা অনুসৰণ কৰিছিল, যি জনাই তেওঁৰ তৃৰীকাৰ সময়ত তেওঁক পূৰ্ণ কৰিছিল। অনুৰোধ কৰিলে যদিও মহব্বতৰ হেতু তেওঁ সাধাৰণতে তাক কৰিছিল, তথাপি তেওঁ তেওঁবিলাকৰ পৰা স্বাধীন আৰু কোনো কোনো সময়ত তেওঁ তেওঁলোকৰ অনুৰোধ প্ৰত্যাখ্যানো কৰিছিল। এই কাৰণতে তেওঁ কৈছিল, "আমি ওচৰৰ আন আন গাঁৱলৈ যাওঁহক, তাতো মই ঘোষণা কৰিম; কিয়নো সেই নিমিত্তেই মই ওলাই আহিলোঁ" (মাৰ্ক ১:৩৮)।

এই সময়ৰ পৰা ঈছা মছীহে এক নতুন কৰ্মপন্থা অৱলম্বন কৰিছিল যি অন্যান্য ধৰ্ম শিক্ষকবিলাকৰ পৰা পৃথক আছিল, যিসকলে সাধাৰণতে তৃৰীকাদাতা ইয়াহিয়াৰ পদ্ধতিহে অনুসৰণ কৰিছিল। মানুহবিলাকক



গ্ৰহণ কৰিবৰ বাবে এই শিক্ষকবিলাকে নিৰ্দ্দিষ্ট ঠাইসমূহ প্ৰতিষ্ঠা কৰিছিল। যিবিলাকে তেওঁলোকক বিচাৰি নগৈছিল তেওঁলোকে তেওঁলোকক দেখা নাপাইছিল, তেওঁলোকৰ কথাও শুনিবলৈ নাপাইছিল। যি কি নহওক, মছীহৰ পৰিকল্পনা এই নীতিৰ ভিত্তিত স্থাপিত হৈছিল, "*...যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ আহিল*" (লূক ১৯:১০)।

ইঞ্জিল প্ৰচাৰক ইউহোন্নাই মছীহৰ দ্বাৰা সম্পাদিত কাৰ্যৰ তিনিটা ধৰনৰ কথা উল্লেখ কৰিছে:

১। ৰাজ্যৰ সুখবৰ ঘোষণা কৰা, যিটো এহুদিয়াত আমি তেওঁক কৰা দেখিছোঁ।

২। চয়তানৰ লগত যুদ্ধ কৰা আৰু তাৰ নিয়ন্ত্ৰণৰ পৰা মানৱ জাতিক মুক্ত কৰাঃ এক অবিস্মৰণীয় বিশ্ৰামবাৰে কফৰনাহূমৰ মজলিচ-খানাত তেওঁ যেনেকৈ কৰিছিল।

৩। মানুহবিলাকৰ ভিতৰৰ সকলো ধৰণৰ ৰোগ আৰু দুৰ্বলতা আৰোগ্য কৰা সেই একেই বিশ্ৰামবাৰে তেওঁ যেনেকৈ কৰিছিল।

পৰৱৰ্ত্তী পাঁচখন কিতাবত আমি লক্ষ্য কৰিম, ঈছা মছীহে এই তিনি ধৰণৰ পৰিচৰ্যা কি দৰে চলাই গৈছে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰভুৰ ৰূহ মোৰ ওপৰত আছে,
কিয়নো দৰিদ্ৰবিলাকৰ আগত
শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ,
তেওঁ মোক অভিষিক্ত কৰিলে।
*বন্দীয়াৰৰ আগত মুক্তিৰ,*
*আৰু অন্ধবিলাকৰ আগত পুনৰায় চকু*
*পোৱাৰ কথা ঘোষণা কৰিবলৈ,*
*চেপা-খোৱাবিলাকক মুকলি কৰিবলৈ,*
আৰু প্ৰভুৰ গ্ৰাহ্য বছৰ ঘোষণা
কৰিবলৈ মোক পঠালে।

লূক ৪:১৮-১৯

# মছীহৰ জীৱনী



**দ্বিতীয় খণ্ড**

**পৰীক্ষা আৰু প্ৰকাশ্য পৰিচৰ্যাৰ আৰম্ভনি**

**জৰ্জ ফোৰ্ড**

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com